এছোচিয়েছন, দিল্লী
ASSOCIATION, DELHI

# সাময়িক



**A Souvenir of Assam Association, Delhi**

**21st January, 2018**

Scanned by CamScanner

रुडयार्ड किपलिंग ने
उन्हें अपनी कल्पनाओं
में बसाया और अब हम
उन्हें बसा रहे हैं,
एक नए परिवेश में।



## "ओएनजीसी बारासिंघा (ईस्टर्न स्वैम्प डीअर) संरक्षण परियोजना"

### एक दुर्लभ प्रजाति को विलुप्त होने से बचाने के लिये ओएनजीसी की सीएसआर पहल।

असम में पाये जाने वाले बारासिंघा या ईस्टर्न स्वैम्प डीअर *(Rucervus duvaucelii ranjitsinhi)* आज विलुप्त होने की कगार पर है। प्रसिद्ध लेखक रुडयार्ड किपलिंग ने जिस से मंत्रमुग्ध हो कर उसकी सुन्दरता को अपनी दूसरी किताब 'द सेकंड जंगल बुक' में कैद किया हो, उस जीव के लिये यह काफी दुखद स्थिति है।

ओएनजीसी ने इस प्रजाति को विलुप्त होने से बचाने के लिये अपने कदम बढ़ाये, और वो भी बिल्कुल सही समय पर।

इसके पहले चरण के अन्तर्गत इनकी अनुमानित आबादी, अनुकूल पर्यावरण, पशु–चिकित्सा अंतःक्षेप एवं सामान्य अध्ययन और जागरूकता अभियान किया गया। इनके स्थानांतरण के लिये मानस राष्ट्रीय उद्यान को चुना गया, जो इनके रहने के लिये बिल्कुल उपयुक्त स्थान था।

काज़ीरंगा राष्ट्रीय उद्यान से 19 बारासिंघो को मानस में स्थानांतरित करना बहुत ही कठिन काम था। योजना के इस अत्यंत कठिन दूसरे चरण को दक्षिण अफ्रीका से बुलाये गये वन्यजीव विशेषज्ञों ने बहुत खास तरीके से अंजाम दिया। 19 बारासिंघो का स्थानांतरण खास तंबुओ में किया गया, जिनको अन्दर से उनके प्राकृतिक आवास जैसा ही बनाया गया था। कुछ ही महीनों में 6 नवजात बारासिंघो ने झुण्ड में जुड़कर, स्थानांतरण की खुशी को दुगना कर दिया।

इस योजना के विस्तार के तीसरे चरण के अन्तर्गत 20 अतिरिक्त बारासिघो का स्थानांतरण किया जा रहा है।

यह परियोजना संतुलित पर्यावरण की ओर ओएनजीसी की एक शुरुआत है। लुप्तप्राय प्रजातियों का संरक्षण करने के लिये प्रेरित, हमारा संगठन प्रकृति की असली सुंदरता को बनाये रखने के लिये प्रतिबद्ध है।

ओएनजीसी ONGC

**ऑयल एण्ड नेचुरल गैस कॉरपोरेशन लिमिटेड**

पंजीकृत कार्यालय:- पंडित दीनदयाल उपाध्याय ऊर्जा भवन, 5, नैलसन मंण्डेला मार्ग, वसंत कुंज, नई दिल्ली-110070
दूरभाष: 011-26752021, 26122148, फैक्स: 011-26129091 www.ongcindia.com /ONGC Limited @ONGC_

Scanned by CamScanner

# সাময়িক

বৰ্ষ ঃ ২৮ সংখ্যা ঃ ১

ESTD : 1947

## ভোগালী বিহু সংখ্যা

২১ জানুৱাৰী, ২০১৮

৭ মাঘ, ১৪২৪ ভাস্কৰাব্দ

সম্পাদকঃ মাণিক চন্দ্ৰ দাশ

ASSAM ASSOCIATION, DELHI
Srimanta Sankaradeva Bhawan
A-14-B, Satsang Vihar Marg,
Qutab Institutional Area, New Delhi - 110067
Phone : 26510426, 26537786
E-mail : info@assamassociationdelhi.com
assamassociation2015@gmail.com
Website : www.assamassociationdelhi.com

Scanned by CamScanner

## - শ্ৰদ্ধাঞ্জলি -

প্ৰয়াত ইমা গোহাঁইলৈ



জন্মঃ ২৬ ডিচেম্বৰ, ১৯৪৯

মৃত্যুঃ ১৮ মে', ২০১৭

'সাময়িক'ৰ প্ৰস্তাৱনা সংখ্যাৰ (জুলাই, ১৯৯০) সম্পাদিকা

প্ৰয়াত ইমা গোহাঁইলৈ

'সাময়িক'ৰ তৰফৰ পৰা গভীৰ শ্ৰদ্ধাঞ্জলি যাচিলো।

তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক।

ওঁ শান্তি

Scanned by CamScanner

সাময়িক
২১ জানুৱাৰী, ২০১৮
বৰ্ষ ঃ ২৮ সংখ্যা ঃ ১
প্ৰথম প্ৰকাশ ঃ জুলাই, ১৯৯০

এই সংখ্যাত আছে ঃ


- অসম এছোচিয়েছন, দিল্লীৰ সভাপতিৰ একাষাৰ ঃ অচ্যুত কুমাৰ শইকীয়া
- অসম এছোচিয়েছন, দিল্লীৰ সম্পাদকৰ একাষাৰ ঃ দীপক শইকীয়া
- সম্পাদকীয় ঃ মাণিক চন্দ্ৰ দাশ
- অসমীয়া মানুহৰ পৰিচয় ঃ ডঃ নগেন শইকীয়া
- মহিম বৰা ঃ 'কাঠনিবাৰী ঘাট'ৰ স্ৰষ্টালৈ শ্ৰদ্ধাৰ্ঘ্য ঃ ডঃ মলয়া খাওন্দ
- বনছাই ঃ ডাঃ বিপুল কুমাৰ বৰুৱা
- ফ্ৰী হ'ম ডেলিভাৰী (একাংকিকা নাট) ঃ হিৰণ দত্ত
- বলিদান ঃ ডঃ জয়ন্তীমালা বৰপূজাৰী
- দিল্লীত বাঢ়ি অহা অসমীয়া অনুষ্ঠানসমূহ ঃ ডাঃ নীলমণি শৰ্মা
- গীত ঃ শৰৎ বৰকাকতি
- বিতৰ্ক উদ্বেগকাৰী সঙ্গীত-শিল্পী জুবিন গাৰ্গ ঃ হিৰণ্য কুমাৰ দাস
- ধলা-শদিয়া দলং ঃ নৰেশ্বৰ সোণোৱাল
- অস্তিত্ব ঃ তৃষ্ণা বৰকাকতি
- অসমৰ ৰজাদিনীয়া পুখুৰীৰ ৰহস্য ঃ উলূপী কাকতী
- ভগৱান ঃ পাৰ্থ পি. বৰা
- ছাতি (কবিতা) ঃ শৰ্মীষ্ঠা বৰ্মন
- নাম নকওঁ ঃ গোলাপ চেতিয়া
- দুখন বিয়াৰ ছবি ঃ ডঃ গৌৰীকান্ত সন্দিকৈ
- লণ্ডনত এভুমুকি ঃ শিৱৰাম দেউৰী
- আগুৱাই গৈ আছো আমি (কবিতা) ঃ ৰোহিনী কুমাৰ বেজবৰুৱা
- Ever Since I First Saw The Sky ঃ Priyanka Das
- Bali: The Island of Gods ঃ Deshna Mahanta
- Ethnomusicology : An Introduction ঃ Dr. Sangeeta Dutta


সম্পাদক ঃ মাণিক চন্দ্ৰ দাশ
উপদেষ্টা মণ্ডলীঃ- ডঃ মলয়া খাওন্দ, হিৰণ দত্ত, চিদা দাস
সম্পাদনা সহযোগীঃ অমৃতজ্যোতি মহন্ত, অংশুমান বৰুৱা, বীম পাঠক
বেটুপাত ঃ মাণিক পাঠক
ডি.টি.পি. ছেটিং আৰু মুদ্ৰণঃ- স্বৰ্ণগিৰি চাৰ্ভিচেছ, মুনিৰ্কা, নতুন দিল্লী (09873763811), swarnagri.pvt.ltd@gmail.com
অসম এছোচিয়েছন, দিল্লীৰ সাধাৰণ সম্পাদক দীপক শইকীয়াৰ দ্বাৰা প্ৰকাশিত

Scanned by CamScanner



# অসম এছোচিয়েছন, দিল্লীৰ সভাপতিৰ একাষাৰ

১৯৪৭ চনত ভাৰত স্বাধীন হোৱা বছৰতে ভাৰতৰ ৰাজধানী নতুন দিল্লীত আমাৰ অসম এছোচিয়েছনৰ জন্ম। এই সংস্থাৰ নাম দিয়া হৈছিল 'অসম সংঘ'। এই অসম সংঘই ১৯৬৭ চনত ৰূপান্তৰিত হ'ল "অসম এছোচিয়েচন, দিল্লী"লৈ।

তেতিয়াৰে পৰা দিল্লীত মাঘৰ বিহু আয়োজনৰ দায়িত্বভাৰ আহিল এই সংঘৰ হাতলৈ। ইয়াৰ লগতে এই সংঘই অন্যান্য উৎসৱ-পাৰ্বণ পাতে যদিও এতিয়া ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ নিবাসী অসমীয়া ৰাইজৰ এই সংস্থাই আয়োজন কৰা মাঘৰ বিহুৰ প্ৰতি এক বিশেষ আকৰ্ষণ আছে। ৰাজধানী ক্ষেত্ৰত অ'ত ত'ত সিচৰতি হৈ থকা বেছিভাগ অসমীয়া পৰিয়ালৰ লোকেই মন মেলে এই মাঘ বিহু উৎসৱত যোগ দি মাঘৰ মেজিৰ জুইৰ উত্তাপ ল'বলৈ, এমুঠি মাহ-প্ৰসাদৰ ভাগ ল'বলৈ, পাৰ্যমানে গোটোৱা পিঠা-পনাৰ জুতি ল'বলৈ আৰু অসমীয়া ৰন্ধন পদ্ধতিৰে ৰন্ধা এসাজ ভাতৰ সোৱাদ ল'বলৈ। বিভিন্ন ৰঙ-ৰহইচৰ লগতে অচিনাকী সকলৰ ইজনে সিজনৰ লগত পৰিচিত হোৱা আৰু চিনাকি সকলেও মত বিনিময় কৰাৰ উপযুক্ত ঠাই হিচাপে গণ্য কৰে এই বিহুতলিক। গতিকে, এই বিহুতলিক দিল্লীৰ অসমীয়াসকলৰ সমন্বয় ক্ষেত্ৰ বুলিও ক'ব পাৰি।

আজি মাঘ বিহু উপলক্ষ্যে ইয়াত গোটখোৱা প্ৰবাসী অসমীয়া সকলক লগ পাই এটা অতি প্ৰাসঙ্গিক কথা উনুকিয়াবলৈ মন গৈছে। গতিশীল সময়ে বাগৰ সলোৱাৰ লগে লগে আমাৰ অসম এছোচিয়েছন, দিল্লীয়েও ২০০৮ চনত হীৰক জয়ন্তী পাতি এই সংস্থাই ৬০ বছৰ কাল অতিক্ৰম কৰা প্ৰতিপন্ন কৰিলে। ইপিনে বিশ্বায়নৰ কোবাল বতাহজাকেও সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমকো বাৰুকৈয়ে কোবালে। ফলত আমাৰ ভাষা-কৃষ্টি-শিক্ষা, পোছাক-পাতি খাদ্যাভ্যাস, সামাজিক দস্তুৰ আদি সকলোতে আহিল বিপুল পৰিবৰ্তন। আমাৰ পুৰণি পৰম্পৰা আজি নিচিহ্ন হৈ যোৱাৰ পথত। কিয়নো আমাৰ নতুন প্ৰজন্মৰ অধিকাংশই এই বিশ্বায়নৰ সমৰ্থক যেন প্ৰতিপন্ন হৈছে। অসমৰ বাহিৰত গঢ়ি উঠা অসমীয়া সমাজবোৰত এনেবোৰ কথাই অধিক জটিলতাৰ সৃষ্টি কৰিছে।

অসম এছোচিয়েছন, দিল্লী আজি অসমৰ বাহিৰত গঢ়ি উঠা অসমীয়া অনুষ্ঠান বিলাকৰ ভিতৰত এক সৱল অনুষ্ঠান ৰূপে চিনাক্ত হৈছে। দক্ষিণ দিল্লীত এই অনুষ্ঠানৰ উদ্যোগত গঢ় লোৱা "শ্ৰীমন্ত শঙ্কৰদেৱ ভৱন" প্ৰাঙ্গনেও তাৰে স্বাক্ষৰ বহন কৰে। আজি ইয়াত সমবেত প্ৰতি গৰাকী দিল্লীবাসী অসমীয়ালৈ মোৰ নিবেদন যাতে, তেখেতসকলে এই বিষয়টোত গুৰুত্ব প্ৰদান কৰি দিহা-পৰামৰ্শ আৰু আলোচনাৰ বাবে আগবাঢ়ি আহে।

আজিৰ এই অনুষ্ঠানৰ আয়োজনত যিসকলে প্ৰত্যেক্ষ বা পৰোক্ষভাৱে সহায় কৰিলে তেওঁলোক সকলোলৈকে মোৰ কৃতজ্ঞতা জনাইছো। আমাৰ সকলো প্ৰকাৰৰ আন্তৰিক চেষ্টা স্বত্ত্বেও আয়োজনত যদি কিবা অনিচ্ছাকৃতভাৱে দোষ-ত্ৰুটি থাকি গ'ল তাৰ বাবে এছোচিয়েছনৰ হৈ ক্ষমা প্ৰাৰ্থনা কৰিছো। শেষত সকলোলৈকে বিহুৰ শুভেচ্ছা ৰ'ল।

অচ্যুত কুমাৰ শইকীয়া
সভাপতি

Scanned by CamScanner



# অসম এছোচিয়েছন, দিল্লীৰ সম্পাদকৰ একাষাৰ

জয়জয়াতে সকলো দিল্লীবাসী অসমীয়া বাইজলৈ ভোগালী বিহুৰ আন্তৰিক ওলগ যাঁচিলো।

প্ৰব্ৰজনকাৰীৰ আগ্ৰাসনত সৃষ্টি হোৱা বিভিন্ন পৰিস্থিতিত আৰু জ্ঞান, শিক্ষা, কৰ্মস্থান ইত্যাদি কাৰণত অসমীয়াসকল লাহে লাহে পৃথিৱীৰ বিভিন্ন প্ৰান্তলৈ ধাৱমান হ'ব ধৰিছে।

দিল্লীলৈ বিভিন্ন কৰ্মসূত্ৰে আগমণ ঘটা অসমীয়াসকলে ১৯৪৭ চনত "অসম সংঘ" নামেৰে এটি সামাজিক অনুষ্ঠান গঢ়ি তোলে। এই "অসম সংঘ"কে পৰৱৰ্তী সময়ত "অসম এছোচিয়েছন, দিল্লী" নাম দি ১৯৬৭ চনৰ ১৭ আগষ্টত আনুষ্ঠানিকভাৱে পঞ্জীয়ন কৰা হয়। বিভিন্ন কৰ্মসূত্ৰে দিল্লী আৰু ইয়াৰ আশে-পাশে আহি বাস কৰা অসমীয়া মানুহৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে সেই ঠাইসমূহতো বিভিন্ন অসমীয়া অনুষ্ঠানে গঢ় লৈ উঠে।

জন্মলগ্নৰে পৰা "অসম এছোচিয়েছন, দিল্লী"য়ে অসমৰ সভত্য-সংস্কৃতি প্ৰচাৰৰ বাবে বিভিন্ন উৎসৱ, বিভিন্ন সাংস্কৃতিক কাৰ্য্যাৱলী উদ্‌যাপন কৰি অসমৰ সভ্যতা-সংস্কৃতিক বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ প্ৰয়াস কৰি আহিছে।

প্ৰবাসী অসমীয়াৰ নতুন প্ৰজন্মৰ মাজত মহান অসমীয়া জতিৰ ভাষা, সাহিত্য, সংস্কৃতি, পৰম্পৰা ইত্যাদিবোৰ যাতে জীয়াই ৰাখিব পাৰি আৰু লগতে এই সকলোবোৰৰ বিকাশ সাধনৰ বৰে বিজ্ঞান সন্মত গৱেষণা ইত্যাদিৰ ব্যৱস্থা "অসম এছোচিয়েছন, দিল্লী"য়ে হাতত লৈছে। এই ক্ষেত্ৰত আমাক সকলো ধৰণে সহায় সহযোগ কৰিবলৈ "অসম এছোচিয়েছন, দিল্লী"ৰ হৈ এই সাময়িকৰ যোগেদি আহ্বান জনালো।

শেষত যিসকল সদাশয় ব্যক্তি বা অনুষ্ঠানে আমাৰ এই হেঁপাহৰ ভোগালী বিহুটি পালনৰ আয়োজন কৰোঁতে বিভিন্ন প্ৰকাৰে সহায় কৰিছে, তেখেতসকলক আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। কাৰ্য্যকৰী কমিটিৰ সদস্যসকলৰ লগতে আন আন বহু শুভাকাংক্ষী ব্যক্তিয়ে দেহে-কেহে লাগি-মেলি আমাৰ সতে সকলো সময়তে সহযোগিতা আগবঢ়াই আহিছে; তেখেতসকলকো আমি আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

অৱশেষত, সকলো ৰাইজলৈ ইংৰাজী নৱবৰ্ষৰ শুভেচ্ছা যাচিলো।

দীপক শইকীয়া
সাধাৰণ সম্পাদক

Scanned by CamScanner

সাময়িক



# সম্পাদকীয়

"A love for tradition has never weakened a nation, indeed it has steangthened nations in their hour of peril."

*-Winston S.Churchill*

পৰম্পৰাগতভাৱে চলি অহা মাঘমহীয়া ভোগৰ উৎসৱ ভোগালী বিহু উপলক্ষ্যে সকলো ৰাইজলৈ আমাৰ আন্তৰিক ওলগ যাচিলো। আমি সকলোৱে জানো, কেৱল উৎসৱ পালনেই এটা জাতিৰ জীয়াই থকাৰ লক্ষণ হ'ব নোৱাৰে। জাতি এটা স্বাভিমানেৰে জীয়াই থাকিবলৈ হ'লে নিজৰ ভাষা-সংস্কৃতিৰ বিকাশৰ লগতে নিজৰ মাটি-ভেটিও সুৰক্ষিত কৰিব পাৰিব লাগিব। প্ৰাক্-স্বাধীনতা কালৰে পৰা চলি অহা বৈধ-অবৈধ প্ৰব্ৰজনকাৰীৰ অবাধ আগ্ৰাসনে আজি অসমৰ ভূমিপুত্ৰ, খিলঞ্জীয়া জাতি-জনগোষ্ঠীক স্ব-ভূমিতে গৃহহীন কৰি পেলাইছে। অবৈধ বিদেশী নাগৰিকৰ দ্বাৰা সংঘটিত হোৱা লুণ্ঠণ, ধৰ্ষণ, হত্যা আদি খবৰবোৰ অসমৰ বাতৰি কাকত, নিউজ চেনেলৰ দৈনন্দিন খবৰ হৈ পৰিছে! সংৰক্ষিত অভয়াৰণ্য, বনাঞ্চল, চৰ-চাপৰিসমূহ অবৈধ বিদেশী নাগৰিকৰ বসত্ভূমি হৈ পৰিছে। অসমৰ বহুকেইখন জিলাতে বিপদজনকভাৱে জন-গাঁঠনিৰ সাল-সলনি (Demographic Change) হ'ব ধৰিছে, এয়া নিশ্চিত ভাৱেই, বৰ অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি মহামান্য চ্যুকাফাই গঢ়ি থৈ যোৱা অপৰাজেয় অসমীয়া জাতিৰ প্ৰতি এক প্ৰচণ্ড ভাবুকি। বিদেশী শক্তিৰ ওচৰত কেতিয়াও হাৰ নমনা বৃহত্তৰ অসমীয়া জাতিৰ অস্তিত্ব আজি চৰম সংকটৰ গৰাহত।

আশা কৰোঁ উৎসৱ পালনৰ লগে লগে অসমীয়া জাতিয়ে স্ব-ভূমিতে গৃহহীন নহ'বলৈ, এখন অবৈধ বিদেশীমুক্ত অসম গঢ়িবলৈ জাতি ধৰ্ম, দল-সংগঠন, ৰাজনৈতিক মতভেদ পাহৰি সকলো জাতি-জনগোষ্ঠী এক হৈ হাতে-কামে উঠি পৰি লাগিব—আশা কৰোঁ পথ অৱৰোধ, শ্লোগান, বন্ধ পালন আদিতকৈ কৰ্ম-সংস্কৃতিক আঁকোৱালি লৈ, সচেতন স্বাৱলম্বী জাতি হিচপে নিজকে পুনৰ উজ্জীৱিত কৰিব। সাহিত্যৰথী বেজবৰুৱাদেৱে কোৱাৰ দৰেই আমিও ভাবো "...বিদেশীয়ে চাৰিওফালৰ পৰা চেপি-খুলি আনি অসমীয়া জাতিক আকাৰত সৰু কৰি পেলোৱা সত্ত্বেও Vitality থাকিলে অসমীয়া জাতি কেতিয়াও মৰিব নোৱাৰে।"

সামৰণিত, 'সাময়িক'ৰ এই সংখ্যাটি সমৃদ্ধ কৰি তোলা মাননীয় লেখক-লেখিকা সকলক আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। যিসকল সদাশয় ব্যক্তি, প্ৰতিষ্ঠান আদিয়ে তেখেতসকলৰ বিজ্ঞাপন প্ৰচাৰ কৰিবলৈ দি আমাক সহায় কৰিলে, তেওঁলোকক আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। বিভিন্ন সময়ত আমাক দিহা-পৰামৰ্শ দি সহায় কৰা উপদেষ্টা মণ্ডলীৰ লগতে সকলো সময়তে অকুণ্ঠ সহযোগিতা আগবঢ়োৱা সম্পাদনা সহযোগী সকলকো আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। বেটুপাতৰ শিল্পী মাণিক পাঠক, অক্ষৰ বিন্যাস, ডি.টি.পি, চেটিং তথা মুদ্ৰণ কৰোঁতা— অংশুমান বৰুৱা আৰু অসম এছোচিয়েছন, দিল্লীৰ হৈ এই আলোচনীখন প্ৰকাশ কৰাৰ বাবে সাধাৰণ সম্পাদক দীপক শইকীয়াক এই সুযোগতে আন্তৰিক ধন্যবাদ জনাইছো। শেষত, আলোচনীখনত অবাঞ্ছিতভাৱে ৰৈ যোৱা ছপাশালৰ ভুল-ক্ৰটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী।

বিনয়েৰে—

(মাণিক চন্দ্ৰ দাস)



# অসমীয়া মানুহৰ পৰিচয়

ডঃ নগেন শইকীয়া

'অসমীয়া মানুহ' বুলিলে কেনেকুৱা মানুহৰ ছবি এখন দেখা যেন লাগে? বগা, ক'লা, হালধীয়া অথবা মিঠা বৰণৰ? মুখৰ আকাৰ, চকুৰ আকাৰ, নাকৰ আকাৰ, গালৰ আকাৰ, ওঁঠৰ আকাৰ কেনেকুৱা? চুলিৰ ৰং আৰু প্ৰকৃতি কেনেকুৱা? আমি একে আষাৰে কৈ দিব নোৱাৰো; কাৰণ, বিভিন্ন নৃ-গোষ্ঠীগত বৈশিষ্ট্যৰ এটা সান-মিহলি ঘটি হোৱা ৰূপৰ মাজত অকলশৰীয়া এটা কোনো গোষ্ঠীৰ নৃ-তাত্ত্বিক বৈশিষ্ট্য বিচাৰি উলিয়াব নোৱাৰি। যিসকলক মহাভাৰতত 'নিষাদ' বুলি কোৱা হৈছিল অষ্ট্ৰিকসকলৰ সেই বংশধৰসকলৰ আৰু যিসকলক 'কিৰাত' বুলি কোৱা হৈছিল মংগোলীয় মূলৰ সেই বংশধৰসকলৰ উপৰিও ককেছীয়া বা নৰ্ডিক, আলপাইন, নেগ্ৰিটো আদি বিভিন্ন নৃ-গোষ্ঠীৰ ৰক্তৰ মিশ্ৰণত অসমীয়া নামৰ মানুহটো গঢ় লৈ উঠিছে। যিদৰে 'আৰ্য' বুলি এটা বেলেগ নৃ-গোষ্ঠী নাই, তেনেকৈ 'অসমীয়া' বুলিও এটা বিশেষ নৃ-গোষ্ঠী নাই। অৱশ্যে অসমীয়া মানুহৰ তেজ মিশ্ৰিত তেজ।

'অসমীয়া' শব্দটোও তুলনামূলকভাৱে অৰ্বাচীন শব্দ। হ'লেও ব্ৰহ্মপুত্ৰ উপত্যকাত, ইতিহাসৰ বিভিন্ন সময়ত আহি থিতাপি লৈ যিখিনি মানুহ জৈৱিক, ভাষিক আৰু সাংস্কৃতিক ভাৱে মিলিত হ'ল, সেইখিনি মানুহেই নিজৰ কিছু স্বকীয় ৰাখিও 'অসমীয়া' নামেৰে পৰিচিত হ'ল।

প্ৰাচীন কালত ইঠাইৰ পৰা সিঠাইলৈ প্ৰব্ৰজন কৰিছিল কেৱল পুৰুষসকলে। যিবিলাক পুৰুষে এনেকৈ প্ৰব্ৰজন কৰিছিল বা যিবিলাকে সৈন্যস্বৰূপে আহি কোনো দেশ জয় কৰি লৈছিলহি, তেওঁবিলাকে স্থানীয় তিৰোতা বিয়া কৰাই সংসাৰ পাতিছিল। ফলত অতি স্বাভাৱিক ভাৱে ৰক্তৰ মিশ্ৰণ ঘটিছিল। চ্যুকাফাই অসমলৈ সৈন্যে আহি বৰাহী, মৰাণ, চুতীয়া, কছাৰী আদি থলুৱা লোকৰ লগত সম্পৰ্ক পাতিছিল। সেইফালৰ পৰা অসমৰ আহোম সকলক প্ৰথম পুৰুষেই অনা-আহোম মাতৃৰ সন্তান। এগৰাকী নৃ-তাত্ত্বিবিদ ডঃভুৱনমোহন দাসে অসমৰ বিশুদ্ধ 'আৰ্য' কুলজ বুলি কোৱা ব্ৰাহ্মণৰ গাতো শতকৰা তেষষ্ঠিভাগ আন-আৰ্যকুলজৰ তেজ থকা বুলি প্ৰমাণ কৰিছে। 'স্ত্ৰীৰত্নাঃ দুষ্কুলাদপি' বুলি আৰ্যভাষীসকলে অনুলোম বিবাহৰ পথ প্ৰশস্ত কৰি থৈছিল।

অসমলৈ আৰ্যভাষী লোকৰ প্ৰব্ৰজন কেতিয়া ঘটিছিল তাক সঠিককৈ কৈ দিয়া টান। কিন্তু খ্ৰীষ্টপূৰ্ব চতুৰ্থ-পঞ্চম শতিকাৰ আগতে ঘটিব লাগিব। মহাভাৰত ৰচনাৰ কাল অনেকে খ্ৰীষ্টপূৰ্ব দ্বিতীয়-তৃতীয় শতিকা বুলি ক'ব খোজে। সেয়ে হ'লে 'ভগদত্ত'ৰ আনুমানিক সময় উলিয়াই ল'ব পাৰি। তাৰ আগতে 'নৰক'ৰ আগমণ আৰু ৰাজ্য প্ৰতিষ্ঠা হৈছে। সি যি নহওক, ভগদত্তৰ সময়তো আমি বিচাৰ কৰি দেখো তেওঁ নিজে আৰ্যভাষী হোৱাৰ সম্ভাৱনা থাকিলেও সৈন্যবোৰ 'কিৰাত' অৰ্থাৎ মংগোলীয় মূলৰ। অৰ্থাৎ আৰ্যভাষী লোকৰ প্ৰব্ৰজন ব্ৰহ্মপুত্ৰ উপত্যকালৈ ঘটিলেও ইয়াত আগৰে পৰা বসবাস কৰি থকা সকল বিভিন্ন অনা আৰ্য ভাষা-ভাষী আছিল। প্ৰধানতঃতেওঁবিলাক আছিল, আমি আজি যাক 'চীন-তিব্বতীয়' বা 'তিব্বেতো-বৰ্মী' ভাষাগোষ্ঠী বুলি কৈছো, সেই মূলৰ পৰা ওলোৱা বিভিন্ন ভাষা বা উপভাষা আছিল সেইসকলৰ ভাব-প্ৰকাশৰ মাধ্যম। চীন-তীব্বতীয় মূলৰ ভাষা হ'ল সুৰীয়া (Tonal) ভাষা। এনে ভাষাত একোটা ধ্বনিৰ উচ্চাৰণৰ হ্ৰস্বত্ব-দীৰ্ঘত্বৰ ওপৰত অৰ্থৰ ভিন্নতা নিৰ্ভৰ কৰে। ফলত একোটা মূলৰ পৰা ওলোৱা ভাষা হ'লেও ইটো ভাষাগোটৰ লোকে সিটো ভাষাগোটৰ ভাষা বুজি নাপাইছিল। শ্বাসঘাত প্ৰধান শব্দৰে পৰিপূৰ্ণ আৰ্যভাষাৰ ঠালটো যেতিয়া মুষ্টিমেয় এচাম মানুহে এই ঠাইলৈ কঢ়িয়াই আনিলে, সুৰীয়া ভাষা কোৱা বিভিন্ন ফৈদৰ মানুহে নিজৰ ভাষা সাঁচত আৰ্য ভাষাৰ শব্দ সুমাই লৈ ইটো গোটে সিটো গোটৰ লগত ভাব-বিনিময় কৰাৰ এটা উমৈহতীয়া মাধ্যম উলিয়াই ল'লে। কালক্ৰমত অনেক সুৰীয়া ভাষা কোৱা মানুহে নিজৰ ভাষা এৰি এই উমৈহতীয়া ভাষাটোকে মাতৃ ভাষা কৰি ল'লে। যি এমুঠি আৰ্যভাষী লোক আহিছিল, তেওঁবিলাকেও নিজৰ ভাষাৰ মূল এৰি এই নতুন ভাষাটো নিজৰ কৰি ল'লে। এনেকৈয়ে আজি আমি 'অসমীয়া বুলি চিনাকি দিয়া ভাষা এটাৰ জন্মৰ সূচনা হ'ল খ্ৰীষ্টীয় পঞ্চম-ষষ্ঠ শতিকামানতে। সপ্তম শতিকাত অহা হিউৱেন চাঙে 'কামৰূপৰ ভাষা মধ্য ভাৰতৰ ভাষাৰ পৰা পৃথক' বুলি কোৱাৰ পৰাই এনে এটি অনুমান কৰিব পাৰি। এতেকে দেখা গ'ল, অসমৰ অসমীয়া ভাষা কোৱা মানুহখিনি বাহিৰৰ পৰা আহি অসম সোমোৱা আৰ্যকুলজ মানুহ নহয়, তেওঁবিলাক

কিৰাত-নিষাদ আদিৰ বংশধৰ সকলেই। নাগালেণ্ডৰ বিভিন্ন গোটৰ ভাষাসমূহ কুকি-চীন একেটা মূলৰ ভাষা হোৱা সত্ত্বেও প্ৰতিটো গোটৰ ভাষাৰ ধ্বনিৰ উচ্চাৰণৰ পৃথকতাই অৰ্থৰ পৃথকতা ঘটোৱাৰ বাবে ইটো সিটো গোটৰ ভাষা বুজিব নোৱৰা বাবে অসমীয়া শব্দ মিহলাই এটা উমৈহতীয়া ভাষা তৈয়াৰ কৰি লোৱাৰ দৰে, আমাৰ পূৰ্বপুৰুষ সকলেও নিজৰ প্ৰয়োজনত 'অসমীয়া' নামৰ উমৈহতীয়া ভাষাটো সৃষ্টি কৰি লৈছিল। ফলত 'অসমীয়া' মানুহ নৃ-তাত্বিক ভাৱে ঘাইকৈ কিৰাতীয় তেজৰ আধিক্যৰে হোৱা মানুহ হ'লেও ভাষিকভাৱে আৰ্যমূলীয় ভাষাৰ মানুহ হৈ পৰিল। ভাষাটো আৰ্যমূলীয় হোৱাৰ বাবেই আৰ্যভাষাত ৰচিত গ্ৰন্থসমূহ আৰু গ্ৰন্থৰ বিষয়বস্তু সমূহ কালক্ৰমত এই ভাষা ভাষীসকলৰ সহজ অধিগম্য হৈ পৰিল। ফলত যিবোৰ নৈতিক, আধ্যাত্মিক, সাংস্কৃতিক মূল্যবোধ ৰামায়ণ, মহাভাৰত, ভাগৱতকে ধৰি গ্ৰন্থসমূহে কঢ়িয়াই আনিছিল সেই মূল্যবোধবোৰে অসমীয়া মানুহৰ মানসিক জগত নকৈ গঢ়ি তুলিলে আৰু ইয়াক এক ব্যাপ্তি দান কৰিলে। আমাৰ বন্ধা-বঢ়া, খোৱা-বোৱা, পিন্ধা-উৰা, ঘৰ-দুৱাৰ, আ-অলংকাৰ আদিত দক্ষিণ-পূৰ্ব এছিয়াৰ লোক সংস্কৃতিৰ অনেক উপাদান থাকিলেও, সেই উপাদানসমূহকো আমি ন-কৈ সজাই নিজৰ উপযোগী কৰি ল'লো। এনেকৈয়ে আমি এক বিশিষ্ট সংস্কৃতিৰো উত্তৰাধিকাৰী হ'লো। মহাপুৰুষ শংকৰদেৱে আমাৰ সাংস্কৃতিক বৃত্তটোৰ পৰিধি বহলাই 'ভাৰতবৰিষ'ক অসমৰ বুকুলৈ সুমাই আনিলে। আনকি ধৰ্মৰ ভিন্নতা থাকিলেও অসমৰ মুছলমান, খ্ৰীষ্টান, শিখ আৰু বৌদ্ধসকলো একে সাংস্কৃতিক জীৱনৰ সমান অংশীদাৰ হৈ পৰিল। চুকাফাৰ আগমনৰ দিনটোক যদি ৰাজনৈতিকভাৱে অসমীয়া মানুহৰ জন্মদিন বুলি ধৰো, শংকৰদেৱৰ আৰ্বিভাৱৰ দিনটোক সাংস্কৃতিকভাৱে অসমীয়া মানুহৰ জন্মদিন বুলিব পাৰো। 'অসম মুলুক'ত 'ৰজক-তুৰুক'কে ধৰি "অসম কছাৰী-খাছী, গাৰো, মিৰি যৱন কংক-গোৱাল" সকলোৰে সমন্বয়ত এখন নতুন সমাজ, এটা নতুন জাতি গঢ়ৰৈ উঠিল। অসমীয়া মানুহটো সেয়ে এক বিচিত্ৰতাৰ সমন্বিত ৰূপ। জ্যোতিপ্ৰসাদৰ অসমীয়া ডেকাৰ উক্তিৰ মাজত এই সমন্বিত ৰূপৰ ডেকা ল'ৰাটোৰেই তাৰ সকলো বিচিত্ৰতাৰ কথা কৈছে—"ময়ে অসমৰ ময়ে ভাৰতৰ ময়ে ডেকা ল'ৰা অগ্নিময়'। এই সমন্বিত ৰূপটোৰ মাজতে বড়ো, কাৰ্বি, মিচিং, ৰাভা, ডিমাছা, দেউৰী, আহোম, চুতীয়া, কোঁচ, কলিতা, গোঁসাই-ব্ৰাহ্মণ আমি সকলোৱেই বিচাৰিলেই নিজক পাম। এতিয়া এই 'আমি' অন্বেষণৰে সময়।

*(এছোচিয়েছনৰ সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ 'স্মৰণিকা'-ত (জানুৱাৰী, ১৯৯৮) পূৰ্ব প্ৰকাশিত)*

---

**With Best Compliments Form**

# Manoj Kumar Das
# and
# Dr Ajanta Das



Scanned by CamScanner



# মহিম বৰাঃ 'কাঠনিবাৰী ঘাট'ৰ স্ৰষ্টালৈ শ্ৰদ্ধাৰ্ঘ্য

*ডঃ মলয়া খাওন্দ*
*ফোন নং- ৮৮০০৬২৪৬৫৯*

একবিংশ শতাব্দীৰ অসমীয়া সাহিত্য জগতখনত হোৱা অন্যতম এক দুঃসম্বাদ হ'ল কবি-গল্পকাৰ মহিম বৰাদেৱৰ পৰলোকপ্ৰাপ্তি। জীৱনৰ নিষ্ঠুৰ আৰু অৱশ্যম্ভাৱী সত্য মৃত্যুৱে এইজন পুৰোধা ব্যক্তিকো চিৰাচৰিত প্ৰথাতেই সাৱটি ল'লে। কিন্তু অসমীয়া সাহিত্য, বিশেষকৈ চুটিগল্পৰ ক্ষেত্ৰত, বিস্তৰ ক্ষতিসাধন হ'ল। নিজৰ অনন্য সৃজনী প্ৰতিভাৰ স্বাক্ষৰ হিচাপে থৈ যোৱা 'কাঠনিবাৰী ঘাট' শীৰ্ষক গল্পকে মুখ্য কৰি অন্যান্য সাহিত্য কৰ্মই অৱশ্যেই তেখেতক কালজয়ী কৰি ৰাখিব।

স্বৰাজোত্তৰ যুগৰ অসমীয়া সাহিত্য কাননক ঐকান্তিক নিষ্ঠাৰে জীপাল কৰি তোলাৰ প্ৰচেষ্টাত এইজনা কবি-কথাশিল্পী অগ্ৰসৰ হৈছিল নগাঁৱৰ কলিয়াবৰ হাইস্কুলীয়া ছাত্ৰ জীৱনতে। মাধৱ চন্দ্ৰ বেজবৰুৱা সম্পাদিত 'বাঁহী'ৰ পাতত 'কুঁহিপাত' মেলাই সাহিত্য জীৱনৰ পাতনি মেলি 'এধানি মাহীৰ হাঁহি'ত সাহিত্য অকাডেমিৰ বঁটাৰে উচ্চমান সাহিত্যৰ তুংগত আৰোহণ কৰা এইজন লিখকৰ সাহিত্য-কৃতি দোহৰাৰ পূৰ্বেই উল্লেখ কৰিব খুজিছো—এজন দূৰদৰ্শী সাহিত্য-সাধক হিচাপে নানান জনগোষ্ঠীৰে গঠিত অসম আৰু অসমীয়া ভাষাৰ সংকট দূৰ কৰাৰ অভিপ্ৰায়েৰে অসম সাহিত্য সভাৰ সভাপতি পদৰ কালছোৱাত নিজৰ সতীৰ্থসকলৰ সহযোগিতাৰে নানান ভাষা-ভাষী, নানান গোষ্ঠী প্ৰজাতিক ঐক্য বন্ধভাৰে সম্প্ৰীতিৰ বান্ধ দৃঢ় কৰাত দৰ্শোৱা অধিক গুৰুত্ব। সেয়ে বৰাদেৱে এক সাক্ষাৎকাৰত নিম্নোক্ত বক্তব্য দিছিল—

'মই জন-সংযোগ অভিযানক অধিক গুৰুত্ব দিম....এই অভিযান হৈছে আমাৰ পিছপৰা অঞ্চলবোৰত সভা-সমিতি (সাহিত্য-সংস্কৃতি বিষয়ক) পাতি অসমীয়া সাহিত্য, অসমীয়া জাতি গঠনৰ বুৰঞ্জী...এনেবোৰ বিষয় অতি সহজভাৱে ৰাইজৰ আগত বুজাই দিব পাৰিলে মনৰ বহুখিনি সংকট, আশংকা দূৰীভূত হ'ব।'

—এই সন্দৰ্ভতে তেখেতে এক ব্যক্তিগত অভিজ্ঞতাও বৰ্ণনা কৰিছিল। এবাৰ INTUCৰে তৰফৰ পৰা আয়োজন কৰা চাহ-মজদুৰ সংঘৰ সভা এখনত সালনা চাহ বাগিচা (নগাঁৱৰ) বনুৱাসকল প্ৰমুখ্যে অন্যান্য জনতাক তেখেতে পুংখানুপুংখভাৱে তথ্য দাঙি ধৰিছিল 'আমি কেনেকৈ ভাৰতৰ বিভিন্ন অঞ্চলৰ মানুহ আহি একত্ৰিত হৈ অসমীয়া জাতি হ'লো, অসমীয়া ভাষা-লিপিনো কেতিয়াৰে পৰা হ'ল , অসমৰ নামটোনো ক'ৰ পৰা কেনেকৈ হ'ল'—এইদৰে ভাষণ দি থকাৰ সময়তে বৃহৎ চাহ-গোষ্ঠীৰ জনসমাৱেশৰ পৰা এজনে আপোন পাহৰা হৈ আহি সভাপতিদেৱক সাৱটি ধৰিলেহি আৰু ক'লে—

'এই কথাখিনিকে আপোনালোকে যোৱা ডেৰশ বছৰে পেটত লৈ ফুৰাইছে, আমাক কোৱা নাছিলে কিয়? আমাৰ মাজলৈ আপোনালোক অহা নাছিলে কিয়?'

(হোমেন বৰগোহাঞি সম্পাদিত ১৯৮৯ চনৰ ফেব্ৰুৱাৰীৰ 'সূত্ৰধাৰ'ত পদ্ম পাটৰৰ লগত হোৱা সাক্ষাৎকাৰ।)

—সেই সাক্ষাৎকাৰৰে অন্য একাংশত কৈছিলঃ

'আমি কেতিয়াৰে পৰা অসমীয়া হ'লো—আমাৰ বহুত শিক্ষিত মানুহেই নাজানে। যোৱা আঠোটা বছৰত মই যিমানবোৰ সাহিত্য সভাৰ মিটিঙলৈ গৈছো—তাত মই এইটোৱেই বিষয়বস্তু কৰি লৈছো। অসমত অসমীয়া বুলি যে কোনো জনগোষ্ঠী বা এথনিক গ্ৰুপ (Ethnic group) নাই এই কথাটো আমি পাহৰি যাওঁ। ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ পিছদিনাৰ পৰাহে আমি অসমীয়া হৈছো। ইংৰাজেহে আমাক অসমীয়া কৰি গ'ল।....সেইদৰে আমাৰ ভাষাটোৰ নামো ক'তো কোনো পুথিতেই নাপাওঁ। যদিও আহোম ৰজাসকলে ইয়াক ৰাজকীয় মৰ্যাদা দিলে।

গতিকে আমাৰ বহুত কৰিবলগীয়া কাম আছে। আমাৰ কোনোবা এজন কলিতা, কোনো ব্ৰাহ্মণ, কোনোবা তিৱা, বড়ো এয়া হৈছে গোষ্ঠীগত বা প্ৰজাতিগত পৰিচয়? কিন্তু অসমীয়া আমাৰ উমৈহতীয়া পৰিচয়। সেয়েই আমাৰ এই প্ৰচাৰটো অতি গুৰুত্বপূৰ্ণ।'

বৰাদেৱৰ মতে এই সংগঠনমূলক কামৰ বাবে শাখা সাহিত্য সভা আৰু মূল সাহিত্য সভাৰ লগতে ৰাজনীতি জগতৰ পৰা সামাজিত-সাংস্কৃতিক অনুষ্ঠান, মহিলা সংস্থা, ছাত্ৰ সংস্থা আদিয়ে দৃষ্টি ৰখা উচিত।

মহিম বৰাৰ অসমীয়া জাতি আৰু ভাষা সম্পৰ্কে সুদূৰ প্ৰসাৰী



Scanned by CamScanner

চিন্তাধাৰাত বহুখিনি সামঞ্জস্য দেখা যায়—সাহিত্যৰথী বেজবৰুৱাই দিয়া সাহিত্য সভাৰ সভাপতিৰ ভাষণৰ লগত। বেজবৰুৱাই কৈছিল—

'প্ৰথমতে অসমলৈ অহা মনখেমৰ, তিব্বত বৰ্মন, শ্যামচীন—এই তিনি শ্ৰেণী ইন্দোচীন ভাষাৰ অন্তৰ্ভুক্ত টাই ভাষাৰ পৰা ওলোৱা আহোম ভাষা, , নগা ভাষা, কুকি চীন ভাষা, বড়ো ভাষা; বড়ো ভাষাৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায় সকলো—উত্তৰ কাছাৰৰ ভাষাবোৰ, গাৰো পৰ্বতৰ ভাষা, কছাৰী বা মেছ ভাষা, ৰাভা, চুতীয়া, লালুং, ডিমাছা আদি ভাষা, খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাত টাই ভাষা কওঁতাসকল, এইদৰেই নানা দেশৰ, নানা জাতৰ, নানা পৰিয়ালৰ আৰ্য-অনাৰ্য মানুহ অসমলৈ আহি অসমত দীৰ্ঘদিন বাস কৰি অসমীয়া হৈছিল। আনকি আজিলৈকে অসমীয়া জাতিৰ বৰ জালখন গোথাত কনৌজীয়া, হিন্দুস্তানী, বঙালী, উৰিয়া, নেপালী, গুজৰাটী আদি মুছলমানৰ অসম আক্ৰমণৰ কালৰে পৰা অনেক বিদেশী মুছলমান আহি অসমত বাস কৰি অসমীয়া জাতিৰ সংখ্যা আৰু বল বৃদ্ধি কৰিব লাগিছে। অসমীয় মানুহ মানে গোটেই দেশখনৰ মানুহকে বুজায়।'



বৃত্তিত শিক্ষক হ'লেও সাহিত্যপ্ৰেমী তথা সৃষ্টিশীল লিখক হিচপে বিশেষকৈ অসমৰ অন্যতম এজন প্ৰথম শ্ৰেণীৰ গল্পকাৰ হিচপে মহিম বৰাই কৈছিলঃ 'গল্প-উপন্যাসৰ সৃষ্টি চ'ৰাঘৰত বহি নহয়; কবিতা-প্ৰবন্ধ আদিৰ সৃষ্টি হ'ব পাৰে। গল্প-উপন্যাস হ'ল জীয়া মানুহৰ জীয়া জীৱনক লৈ কৰা কাৰবাৰ। জীৱনৰ বিচিত্ৰ অভিজ্ঞতাৰ সোৱাদ ল'ব নোৱাৰিলে আৰু সামান্য হ'লেও নিজৰ অভিজ্ঞতা নাথাকিলে—এজন লিখকে তেওঁৰ সৃষ্টিক জীৱন্ত কৰি তুলিব নোৱাৰে। মানুহৰ চৰিত্ৰ গভীৰভাৱে অধ্যয়ন কৰিব নোৱাৰিলে গল্প-উপন্যাসৰ চৰিত্ৰত তৃতীয় মাত্ৰাৰ (third dimension) সংযোজনা হ'ব নোৱাৰে। ফলত চৰিত্ৰবোৰ ফটোগ্ৰাফৰ দৰে 'ফ্লেট' হৈ পৰি ৰয়।'

দৰাচলতে গল্প বা উপন্যাসৰ পৰিৱেশ-পৰিস্থিতি আৰু চৰিত্ৰৰ ৰূপায়ণ বাস্তৱ জগতৰ অন্য এক কলাত্মক ৰূপান্তৰ। লিখকৰ সৃষ্টিৰ চৰিত্ৰসমূহ যেনেদৰে আকাশৰ পৰা সৰি নপৰে—সি বাস্তৱ জগতৰে নিজ অভিজ্ঞতাৰে হোৱা তেজ-মঙহৰে গঢ়া একোটাইত [illegible] চৰিত্ৰৰ প্ৰতিভূস্বৰূপ, সেইদৰে পৰিৱেশ বা পৰিস্থিতি [illegible] বা চিত্ৰণৰ আধাৰ হ'ল মাটি-বায়ু-পানীৰে গঢ়া নিজৰ ওপ[illegible] সদায় চকুৰে দেখা 'এনেখন শুৱলা, এনেখন সুফলা এনে[illegible] দেশ'। সেই হিচপে মহিম বৰাৰ কলংপৰীয়া গ্ৰাম্য জী[illegible] আছে নিবিড় পৰিচয়। গাঁৱৰ পটভূমিত গঢ়ি উঠা কাহি[illegible] আছে অভিজ্ঞ[illegible] গাঁৱলীয়া জীৱন[illegible] কান্দোন, গাঁৱ[illegible] মাটিৰে ধূসৰিত [illegible] মানুহৰ আশা-আকাংক্ষাৰ সাৰ্থক আৰু ব্যঞ্জনাপূৰ্ণ ৰূপায়ণ। উদাহৰণস্বৰূপে 'ৰস' গল্পৰ ভটাগুটি জীয়া মানুহৰ সঁচা চৰিত্ৰ। 'চন্দ্ৰ ক'ত, লগ্ন কি, ৰাখি কি এইবিলাক গণনা নকৰাকৈয়ে পৰিস্থিতিৰ সৃষ্টি ভটাগুটিৰ 'সকলোৰে ঘৰলৈ অবাধ গতি'। ল'ৰাক চিলা সাজি দিয়া, স্কেল, বাঁহৰ চুঙা কাটি দিয়া, পৰীক্ষাত হাতৰ কাম কৰিবলৈ খৰাহীৰ মোৰটো দেখুৱাই দিয়া, জীয়ৰী-বোৱাৰীক ফলাচিৰি, নাচনি জৰী বাটি দিয়া — এইসকলো কাম ভটাগুটিৰ'।

গভীৰ মননশীলতাৰে সৃষ্টি কৰা মহিম বৰাৰ ভটাগুটিৰ কাৰ্যাৱলীক আপাত দৃষ্টিত সাধাৰণ যেন ভাব হ'লেও তাৰ মাজেদিয়েই বৈ আছে এক কৰুণ ৰসৰ ফল্গুধাৰা। কাৰণ সমনীয়া ৰত্নহঁতেহে ৰান্ধনী উচটাই জোল খাইছে। 'জেক' দি তাক বুঢ়া-ডাঙৰীয়া থকা জাৰণিৰ মাজৰ জয়াল বৰগছজোপাত মৌ বাহ ভাঙিবলৈ উঠাই দিছে। এই



Scanned by CamScanner

বিপদসংকুল কামত সকলোৰে উদ্বিগ্নতা প্ৰকাশ কৰিছে—কোন সময়ত ভটাগুটিক মৃত্যুৱে সাৱটি লয়। ৰত্নহঁত অনুতপ্ত হৈছে। কিন্তু ভটাগুটি অলৰ-অচৰ, তাৰ কোনো প্ৰতিক্ৰিয়া নাই। সি পৰিস্থিতিৰ বলি। লগে লগে গাঁৱৰ বুঢ়া-মেথা সকলো আহি বৰগছজোপাৰ তলত সমৱেত হৈছেহি তাক বচাবলৈ। পৃথিৱীত মানুহৰ মানৱীয়তা নিঃশেষ হৈ যোৱা নাই !!! মৌ বাহৰ 'ৰস'ৰ সন্ধানত 'জীৱন ৰস' হেৰাই নোযোৱাৰ ই এক যেন প্ৰত্যাহ্বান।

মহিম বৰাৰ গল্পৰ বিষয়বস্তু নিতান্তই সাধাৰণ। অসমীয়া চহা তথা গাঁৱৰ মানুহৰ নিত্য-ব্যৱহাৰ্য সামগ্ৰী 'টোপ' গল্পটোও তাৰ প্ৰকৃষ্ট দৃষ্টান্ত। 'টোপ' মানে বৰশীৰ টোপ। শাক-ভাতৰ লগতে মাছ-পুঠি খোৱাৰ হেঁপাহ প্ৰতিজন অসমীয়াৰে আছে। কিন্তু এই বৰশীৰ 'টোপ'তে গল্পকাৰে আৱিষ্কাৰ কৰিছে এক অনন্য সাধাৰণ ৰহস্য। বৰশী বাবলৈ চেঙেলীয়া বেণু আৰু চেনীক মুগাৰ সূতাৰে বৰশী বটিয়া বটি দি বয়সে গৰকা হৰিবল ককাই সিহঁতক উৎসাহ যোগালেও মাছ উঠা নাই। হতাশ হৈ পখুৰীত নামি গৈ ঘাঁহ-দল আঁতৰাই পানী ঘোদালি 'খলা ভাঙি' দিয়াৰ লগে লগে চিপ্ মাৰি এটা পকা শ'ল মাছ উঠালে। কিন্তু মাছৰ চকু দুচা 'ঠৰঙা'। বেণু-চেনী কোনেও মাছটো নলয়। কাৰণ বৰশীৰ বটিয়া বটি থাকোতে হৰিবল ককাই পুৱতি ৰাতি কোনোবাই ওচৰত পুতি থোৱা মৃত কেঁচুৱা এটাক শিয়ালে উলিয়াই বাটতে পেলাই থোৱাৰ অপ্ৰিয় সত্যৰ কাহিনীটো কৈছিল। হৰিবলককাৰ লগতে বেণু আৰু চেনীৰ মনতো মৃত কেঁচুৱাৰ 'ঠৰঙা' চকু দুটা দ্বিধা-দ্বন্দ্বৰ সৃষ্টি কৰিছে। আৰু মাছ পৰি আছে পৰিত্যক্ত অৱস্থাত। গতিকে বৰষুণত গোট খাই থকা পানীৰ ডোঙাতে লিখকে দেখিছে বৃহৎ নভোমণ্ডল।

'মাছ আৰু মানুহ' গল্পটো জীৱকান্তই তিনি বছৰীয়া পোনাটোক সুধিছে 'বাপ, ডাঙৰ মাছ পামনে?' 'ও ডাঙল ডাঙল মাছ পাবি।' জীৱকান্তৰ সৰলা পত্নীৰ মুখত হাঁহি বিৰিঙিল—'দেও ল'ৰাৰ বাইক ফলিয়াবই।' ইফালৰ পৰা ডামৰুৱে ৰিং মাৰিলে— 'দদাই খৰকৰ, ৰাইজ গ'লেই।' বৰাৰ এই পৰিৱেশ-চিত্ৰণ অত্যন্ত মনোগ্ৰাহী, যেন চকুৰ আগত পাঠকে এই সকলোবোৰ দেখাহে পাইছে।

যি নহওক, সেই নিত্য-নৈমিত্তিক কথনভংগী আৰু সাধাৰণ কথা-বস্তুত মহিম বৰাই উদঘাটন কৰিছে এক অভিনৱ ৰহস্যৰ সন্ধান। জীৱন দৰ্শন। পুত্ৰ পৰিবাৰৰ পৰিতৃপ্তিৰ বাবে পলত পৰা ডাঙৰ মাছটো পাই প্ৰথমাৱস্থাত আপ্লুত হোৱা জীৱকান্তই নাভূত-নাশ্ৰুত কাণ্ড কৰিলে! হৰিষত বিষাদ মিলাৰ পৰিৱৰ্তে জীৱকান্তই মাছটোক পানীত উন্মুক্ত কৰি মনত লাভ কৰিলে এক অনিৰ্বাচনীয় আনন্দ। দ পানীৰ মাজত মৰোঁ-জীও সোঁ-আধিলৈ মাছটো ধৰিবলৈ যাওঁতে ভয়-শংকাত যুঁজি থাকোতে অথাই সাগৰত আছিল মাত্ৰ দুটা প্ৰাণী জীৱকান্ত নিজে আৰু মাছটো। গতিকে তাৰ মনত পৰিল কীৰ্তনৰ গ্ৰাহ-গজেন্দ্ৰৰ স্তুতি...'কালে ধৰে তেতিক্ষণ।' মাছটো আৰু নিজে দুয়ো সেই সময়ত পৰম মিত্ৰ। গতিকে মাছটো এৰি দি জীৱকান্ত হ'ল সংশয়বিহীন। তাৰ বিবেকে পালে পৰম শান্তি।

মহিম বৰাৰ প্ৰতিটো গল্পতে আছে একো একোটা ৰহস্য নতুবা জীৱন দৰ্শন। 'যত জীৱ, তত শিৱ'—দয়া-মমতাৰে ভৰা সংবেদনশীল হৃদয়ৰ অধিকাৰী স্বৰূপ প্ৰাণীৰ প্ৰতি দৰ্শোৱা মমত্ববোধ বৰাৰ প্ৰায়বোৰ গল্পতে লক্ষণীয়। উল্লিখিত চুটিগল্পৰ নিঠৰুৱা ভটাগুটিৰ প্ৰতি এচামৰ জাগি উঠা স্নেহ-প্লাৱন, সমাজৰ অনৈতিকতাৰ স্বাক্ষৰস্বৰূপ মৃত কেঁচুৱাৰ দৰ্শনত জাগি উঠা হৰিবল ককাৰ বিবেক-দংশন, জীৱকান্তই ইপ্সিত সামগ্ৰীক ত্যাগ কৰি দেখুওৱা ধৰ্ম-সংকট মুক্ত শান্তিকামী প্ৰৱণতা—এই সকলোবোৰ মহিম বৰাৰ স্বকীয় মহিমামণ্ডিত ব্যক্তিত্বৰে মাথোন প্ৰতিফলন।

ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য সম্পাদিত 'ৰামধেনু' (নৱম বছৰ, ২য়সংখ্যা, জেঠ ১৮৭৬) গল্প-প্ৰতিযোগিতাত একমাত্ৰ পুৰস্কৃত গল্প মহিম বৰাৰ 'কাঠনীবাৰী ঘাট'—য'ত আৰম্ভণিৰে পৰা শেষলৈকে বিৰাজ কৰিছে করুণ পৰিৱেশ। সহৃদয় পাঠকে পঢ়াৰ লগে লগে অনুভৱ কৰে কিবা এক অন্তহীন অবুজ বেদনাকাতৰ স্পৰ্শকাতৰতা। ইংৰাজ ৰোমাণ্টিক কবি শ্যেলীৰ 'Our sweetest songs are those that tell of saddest thoughts' পংক্তিটিৰ কৃতকৃত্যতা এই গল্পটি পূৰ্ণমাত্ৰাই সত্য।

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ কাঠনীবাৰী ঘাটলৈ আহিছে 'চুলিৰ মাজৰ পৰা অহা বিয়াৰ মাহ-হালধি, তেলৰ মলমলীয়া গোন্ধেৰে' এগৰাকী সদ্যবিবাহিতা নাৰী, ভায়েকৰ লগত জাহাজেৰে শিলঘাট হৈ যোৰহাটলৈ যাব—উদ্দেশ্য 'সামান্য দুৰ্ঘটনা'ত পতিত হোৱা স্বামীৰ ওচৰলৈ। কিন্তু 'come sharp' বুলি দিয়া টেলিগ্ৰামৰ খবৰে যে দিছে এক অশনি সংকেত—তাক কোনে নাজানিব? পাঠকৰ অনুকম্পা জাগি উঠা সেই 'বাইদেউ'গৰাকীক ভায়েক বৰুণে সান্ত্বনা দিছে। 'ভিনিহিদেউ অলপ ধতুৱা মানুহ, মূৰৰ কামোৰ এটা হ'লে মৰিব নে জীমহে কৰি থাকে।' সহযাত্ৰী লিখকৰ ভাষাতঃগোটেই মুখখন ধুনীয়া হৈ ৰঙা পৰিছে। কিন্তু 'ন ৱৰি কাম চাৰ্প'—কথাকিটাত কি ৰহস্য সোমাই আছে? সেই ৰহস্যৰ ভেদ হ'ল দেওৰেক মামুৰে ইংগিতেৰে বুজালে—'ককাদেউৰ মটৰ এক্সিডেণ্টহে—পিছ দিনাই সকলো শেষ।'

'নিয়তি কেন বাধ্যতে'—কাৰোবাৰ বাইদেৰেক, কাৰোবাৰ নবৌৰেক আৰু কাৰোবাৰ প্ৰিয়তমা নৱবিবাহিতা পত্নীৰ সহযাত্ৰীজনৰ চকুত পৰিলঃ

'পশ্চিমীয়া নাৱৰীয়াৰ গানৰ চেৰে চেৰে লাগি থকা হাঁহিটো



Scanned by CamScanner

নীৰৱে উঠা-নমা কৰিছে। আৰু সেন্দুৰৰ ফোঁটটো? কি দগমগীয়া ৰঙা জুই সেইকুৰা। পুৱাৰ ৰ'দত মুখৰ বৰণ কেঁচা সোণৰ—নহয় কেঁচা হালধিৰ গাঠি যেন হৈ পৰিছে। সোণৰ বৰণ নিষ্প্ৰাণ।'

কাহিনীৰ এই শোকাত্মক পৰিণতিৰ আভাস বৰাই আৰম্ভণিতে সূচনা কৰিছে—

'প্ৰকাণ্ড সেন্দুৰবাটি যেন হৈ পৰা বেলিটোলৈ চাই আছিলো। কোনোবাই খঙতে যেন গোটেই সেন্দুৰখিনি থেকেচা মৰি সিহঁতৰ গাতে পেলাই দিলে—উকা কপালৰ তিৰোতা এগৰাকী যেনেই লাগিল'।

অকাল বৈধব্যৰ আসন্ন যন্ত্ৰণালৈ সন্মুখীন হোৱা এগৰাকী সদ্য-বিবাহিতা যুৱতীৰ কোনেও নেদেখা অবুজ হিয়াভঙা বিষাদ বেদনাবোধৰ অকুণ্ঠ প্ৰকাশ ঘটিছে সংবেদনশীল মহিম বৰাৰ নিপুণ কলমত।

মহিম বৰাৰ প্ৰায়বোৰ গল্পতে পৰিৱেশ বৰ্ণনাৰ প্ৰাচুৰ্য্য আছে—যি বিষয়বস্তুৰ কমনীয়তা বঢ়াই তোলাত সহায় কৰিছে। কিন্তু 'কাঠনীবাৰী ঘাট' গল্পৰ বিষয়ে সমালোচক ত্ৰৈলোক্যনাথ গোস্বামীয়ে দিয়া মন্তব্য আছিল, 'গল্পটোৰ পৰিৱেশৰ ওপৰত ইমান বেছি গুৰুত্ব আৰোপিত হ'ল যে পৰিৱেশৰ বৰ্ণনা-প্ৰাচুৰ্যৰ মাজত ছোৱালীজনীৰ কাৰুণ্য আৰু আকস্মিকতা ফুটি নুঠিল।'

—শ্ৰদ্ধাসহকাৰে এই বৰেণ্য সাহিত্যিকজনৰ উক্ত মন্তব্যটিক একাষৰীয়াকৈ থৈ এই লেখিকাই অসমীয়া সাহিত্য-সংস্কৃতিৰ লিখক-গৱেষক ডঃ ৰঞ্জিত কুমাৰ দেৱ গোস্বামীৰ মন্তব্যতে সুৰ মিলাই তেখেতৰ উক্তিৰেই ক'ব খোজো—'কাৰুণ্যৰ অভীষ্ট ব্যঞ্জনাৰ পৰিৱেশক নিলগাই চাব খোজা এক মনোভাৱৰ বাবেই গোস্বামীদেৱে এই ভুল কৰা যেন লাগে।' (মহিম বৰাৰ চুটিগল্প—গল্পকাৰ কবি।)

পৰিৱেশ বৰ্ণনাৰ দক্ষতা সকলো গল্পতে লক্ষ্যণীয়—'ৰস' গল্পৰ জাৰণিৰ মাজৰ জয়াল বৰগছজোপা, 'টোপ' গল্পৰ 'চিপ্ মাৰ চিপ্ মাৰ'কৈ বৰশীৰ পুঙাৰে মাছ ধৰাৰ কায়দা-কানুন যেন পুখুৰী পাৰত সদায় দেখি থকা দৃশ্যহে , 'মাছ আৰু মানুহ'ত 'দদাই খৰ কৰ, ৰাইজ গ'লেই' , 'ৰস' গল্পত ভটাগুটিৰ গছৰ ওপৰত নাজল-নাথল অৱস্থাত 'কথাটো ভাল নকৰিলি দেই ৰত্ন'; নগাঁৱৰ মঞ্চ-অভিনয়ৰ পৰম্পৰা ভিতৰুৱা অঞ্চলবোৰতো যে সমানে প্ৰচলিত, তাৰ আভাস আছে 'আৰ্ট ডাইৰেক্টৰ' গল্পত। গাঁৱৰ ডেকাসকলৰ আয়োজনৰ 'উথপ্-থপ্ আৰু কলা নিৰ্দেশকৰ সচৰাচৰ বাক্যশাৰীত এইবাৰ 'ছত্ৰপতি শিৱাজী'...পৰিৱেশ বৰ্ণনাই সমগ্ৰ কাহিনী যেন প্ৰাঞ্জল কৰি তুলিলে। পৰিৱেশ চিত্ৰণৰ এনে নিপুণতা মহিম বৰাৰ সকলোবোৰ চুটিগল্পতেই কম-বেছি পৰিমাণে আছে।

মহিম বৰাই জানে অসমীয়া সংস্কৃতি আৰু সমাজ জীৱন। চিৰি, মাকো, দোৰ্পতি মাৰি অসমীয়া জীয়াৰী-বোৱাৰীয়ে সপোন ফুল বছা তাঁতশাল , নেপথলিনৰ বড়িৰে সযতনে জপাত ভৰাই থোৱা মৰমৰ বৰকাপোৰখন আৰু এৰী চাদৰখন , মুগা সূতাৰে বটা বতিয়া লগাই দীঘল দাবিৰে বৰশীত মাছ ধৰা , খলা ভাঙি দিয়া পলৰে মাছ ধৰা আদি।

অসমীয়া সংস্কৃতিৰ স্থান, কাল, পাত্ৰভেদে পৰিধান কৰা ৰুচিসন্মত সাজ-পোছাকৰ যথাৰ্থতা বয়সানুযায়ী সৰু-বৰক কৰা স্নেহ-শ্ৰদ্ধা আৰু আচাৰ-ব্যৱহাৰৰ মাজেদি দৰ্শোৱা মূল্যবোধ স্বৰাজ আন্দোলনৰ সময়ছোৱাত অহিংস নীতিৰ সমান্তৰালভাৱে চলা পুলিচ-ঠিকাদাৰ আদিৰ দুৰ্নীতি আৰু এচাম স্বাধীনতাকামী মোহবশতঃ সেই দুৰ্নীতিৰ অংশীদাৰ হোৱা পৰিৱৰ্ধিত মূল্যবোধ; ভটাগুটি, ৰত্নহঁতৰ পিছৰ চামে খেতি-খোলা এৰি ঢাপলি মেলিছে, অফিচৰ, চাহ বাগিচাৰ পিয়ন মহৰি কেৰাণী আদিত মকৰল হৈ অভাৱত ভুগিছে—নাই খেতিৰ শইচ, বিল-নৈ পুখুৰীৰ মাছ-পুঠি! কেওদিশে মূল্যবোধৰ অৱক্ষয় ঘটিছে। বৰাৰ চক্ৰবৎ, আবুৰ, তৃতীয় শ্ৰেণীৰ যাত্ৰী আদি এনে ধৰণৰ গল্প।

এই শ্ৰদ্ধাৰ্ঘত মহিম বৰাৰ সকলোবোৰ চুটিগল্প সামৰাৰ অৱকাশ নাই। ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ ভাষাতঃ'মহিম বৰা প্ৰধানভাৱে গল্প লেখক। আংগিকৰ ফালৰ পৰা তেওঁৰ গল্পবোৰ নিখুঁত, গল্পকাৰ হিচাপে বৰাই সাৰ্থকতা লাভ কৰিছে।'

সাহিত্য অকাডেমী বঁটা প্ৰাপ্ত 'এধানী মাহীৰ হাঁহি'ৰ উপৰি 'পুতলা ঘৰ' , 'এখন নদীৰ মৃত্যু', 'ৰঙা জিঁয়া', 'ৰাতি ফুলা ফুল', 'হেৰোৱা দিগন্তৰ মায়া' মহিম বৰাৰ উল্লেখযোগ্য উপন্যাস। উপন্যাস সৃষ্টিতো তেখেতে পাৰদৰ্শিতা অক্ষুন্ন ৰাখিছে। বিশেষকৈ ডষ্টয়েভ্স্কিৰ 'Crime and Punishment'ৰ প্ৰভাৱ পৰা উপন্যাস 'হেৰোৱা দিগন্তৰ মায়া' এই ক্ষেত্ৰত উল্লেখ্য। তীৰ্থ ফুকনৰ বক্তব্যৰে সামৰণি মাৰিলোঃ'এক কথাত ক'বলৈ গ'লে মহিম বৰাৰ ৰচনাশৈলী নিজস্ব মহিমাপূৰ্ণ—একান্ত স্বব্যক্তিপূৰ্ণ।



Scanned by CamScanner



# বনছাই

*ডাঃ বিপুল কুমাৰ বৰুৱা*
*ফোন নং- ৯৮১৮৪৬৭১২৫*

নতুন দিল্লীৰ বাছাইদাৰাপুৰত থকা ই-এছ্-আই হস্পিতালত এনেছ্থেচিয়া বিভাগৰ চিনিয়'ৰ ৰেচিডেণ্ট ডাক্তৰ হিচপে অমুকাই জয় জয়তে মূৰ সুমুৱাইছোহি মাত্ৰ। ডিপাৰ্টমেণ্টৰ বহু কেইটা পদ খালী হৈ থকাৰ বাবেই, থকা কেইটাৰ অৱস্থা কান্ধত গধূৰ পৃথিৱীখন ডাঙি থকা হাৰকিউলিচ নাইবা বুঢ়ী আইৰ সাধুৰ বনগাহৰিৰ নেগুৰত ধৰি এৰিব নোৱৰা হোৱা মানুহটোৰ লেখীয়া হৈছিল। অপাৰেচন থিয়েটাৰ, আই-চি-ইউ অৰ্থাৎ গহন চিকিৎসাকক্ষ আৰু সংজ্ঞাহৰণ পূৰ্ব ৰোগী পৰীক্ষণৰ কামত অমুকাও বন্দী হলোহি। তেনেতে এদিন নহ'বৰ হ'ল। অসমীয়া অমাতৰ মাত এযাৰ আহিল আই.চি.ইউৰ চিষ্টাৰ তি.এল.এল. থমাছৰ পৰা। উপস্থিতি ৰেজিষ্টাৰ খনত সদায় দেখো নামটো, কিন্তু এতিয়া তি.এল.এল.ৰ দেখোন তিহিঁতি ল'ল' সুৰীয়া মাত। ৰাৰ্ডত আছিল। ৰটেশ্যনত এই ঠাই পাই অমুকাৰ বৰুৱা উপাধিটো দেখিয়ে বোলে—"চাৰ আপুনি অসমৰ"। তি.এল.এল. মুহূৰ্তিৰ পৰা মেৰ সুলকিল তৰুলতা লাহন থমাছ গোটেই সূতা ডালি। এদিন অস্থিশল্য বিভাগৰ থিয়েটাৰত ৰোগীৰ হাড় জোৰাবলৈ হাড় ভঙা পৰিশ্ৰম কৰি থকা অৱস্থাত মেল নাৰ্চ থমাছক মন কৰিছিলো। মিহি ক'লা ডেকা মানুহটোৰ মুখৰ হাঁহি মাস্ক খুলি চেঞ্জিংৰুমত চাহ খাওঁতেই প্ৰথম দেখা। আন এদিন থমাছক চিনি পায় নেকি সোধোতে তৰুলতাই চাহৰ মুখেৰে চৰ্চৰণি খালে। পিছত হাঁহি হাঁহি বোলে "মিষ্টাৰ, মোৰ"। থমাছ মাটি মাহ আৰু অসমীয়া তৰুলতা বৰা চাউলৰ পাভ-জোৰা! মন গ'লেও সময় জোকালো। হস্পিতাল গল্পকাৰৰ জেগাই নহয়। খুজি মাগি বা টকাৰে কিনি নাই, সময় পালেও প্ৰসংগ নোলায়। খুজি মাগি বা টকাৰে কিনি পৃষ্ঠা ভৰোৱা ভাবাক্ৰান্ত বাতৰিকাকতৰ শিৰোনামাবোৰেই চাহ বিৰতিৰ সময়কণত প্ৰত্যেকৰে নিজস্ব কথাবোৰ গিলি পেলায়। আত্ম-সম্পাদনাৰ কেঁচিত মনত উকমুকুৱা কথাবোৰ কাট যায়। মিচিকিয়া হাঁহিৰ যান্ত্ৰিক বিনিময়েৰে 'ক'লিগ সকলৰ মাজত 'লীগ' গঠন কৰা নেযায়। ভাড়াঘৰ, হোষ্টেল, কেণ্টিন, টিফিন, ক্লিনিক, অ'টি, আই-চি-ইউ এই তাঁত বাঁতিৰে সৰিয়হ পিছলাগি পিছলিছে নগদ জীৱন একোটি! 'ৰোগী আহে ৰোগী যায়, প্ৰতিপল পলে পলে ক্ষণে ক্ষণে' পেৰডি এটি সাঁজি গুণগুণাওঁ অৱশিষ্ট চঞ্চলতাৰে।

"চাৰ, ৰাতিৰ সাঁজ নিজে বনাই খায়।"

ওঁহো, ৰান্ধিহে খাওঁ। মানুহে বনতহে বনাই ফুৰে। বাৰু তুমি বাৰু দাক্ষিণাত্যনী হ'লা, কিন্তু আমাৰ তথাকথিত জাতিয়তাবাদী বহুতেই মানে 'যোনে-তোনে' বাচলৈ 'ৰখি' থাকে। কি 'ৰখি' থাকে? শূন্যতাক? কেৱল বৈ বৈ কেতেকীজনী বিনাই থাকে। বৰ দুখ লাগে কেতিয়াবা।'

'আপুনি লেখা-মেলা কৰে যেন পাইছো।'

'লেখা হয়, মেলা নহয়, বৰকৈ।'

'এটা সময়ত মৰো লিখিছিলো।'

'এতিয়াও লিখিবা, নহ'লে বুকুৰ মাজত ঘুমুটিয়াই থকা অসমীয়া ভাব-চিন্তাবোৰ ক'ত বতিয়াবাহে?'

'মই ডায়েৰী লিখো, মনলৈ যি আহে তাকে লিখো কেতিয়াবা।'

'বৰ ভাল কথা।'

সুবিধাটি পাই মই বৰকৈ বলকিলো নেকি? কামৰ সোঁতে আমাক আকৌ উটুৱাই নিয়ে। কথা ইমানতকৈ নেবাঢ়ে, কথাৰ শিপা কাট খায়, ডাল পাতত সময় মালীৰ কেঁচিৰে কলম লাগে। এদিন থমাছ-থমাছনী দুয়ো আহি নতুন ঘৰ কিনাৰ আনন্দৰে অমুকাৰ মুখখনো মিঠাইৰে মিঠা কৰি থৈ গ'ল। "সৰু ঘৰ চাৰ! কিন্তু থমাছে বৰ ধুনীয়াকৈ সজাইছে। নাম দিছে 'তৰু নিলয়'! থমাছৰ হবি বনছাই কৰা। আমাৰ ঘৰলৈ বনছাই চাবলৈকে এদিন আহকনা চাৰ! "

চাৰ আহিলো, দেখিলোহি, আটোমটোকাৰী ঘৰখনত চালে চকু ৰোৱাকৈ তৃণ, গুল্ম আৰু বৃক্ষ সিহঁতৰ পুনাতম জৈৱনিক সম্বলেৰে দম্পত্তি হালৰ লগৰীয়া হৈছেহি। থমাছৰ যত্নপৰৱশিত একুৰেৰিয়ামৰ নানা ৰঙী মাছ আৰু দেৱালত তৰুৰে সুন্দৰকৈ অঁকা সজোৱা স্কেচ বোৰে গধুলিটো মায়াময় কৰিলে। নাৰিকল দিয়া ৰৌ মাছ আঞ্জাৰে, পুনি চাউলৰ ভাত খাই উঠিও বহু কথা পাতিলো। বিয়াৰ ছবছৰৰ পিচতো নিঃসন্তান দম্পত্তি হালৰ কথাত এবাৰো এটি হুমুনিয়াহ নসৰিল। লুক-ঢাক নকৰাকৈ দুয়োৱে ক'লে সিহঁত ইন ভিট্ৰ' ফাৰ্টিলাইজেশান অৰ্থাৎ কৃত্ৰিম প্ৰজননৰ বাবে বিশেষজ্ঞৰ



Scanned by CamScanner

দিহা পৰামৰ্শ লৈ আছে। খা-খৰচ আছে। থমাছে বনছাই বিক্ৰী কৰিও বেছ উপৰুৱা উপাৰ্জন কৰে।

মই ৰ লাগি ৰৈছো থমাছৰ নিৰন্তৰ যত্ন পাই থকা তাৰ জীৱন্ত আৰু সুস্থ ত্ৰিমাত্ৰিক শিল্প বনছাই কেইজুপি। তাৰে এজুপি বৰগছ। প্ৰকাণ্ড বৰগছ জোপা আমাৰ বৰতল গাঁৱৰ ১১৯ নং প্ৰাথমিক বিদ্যালয়ত আৰু নামঘৰটোৰ মাজতে আছিল। বিহু উৰুওৱাৰ দিনা বৰজুপিৰ বৰকঁকাল মেৰিয়াবলৈ তিনিখন বিহুৱান জোৰা দিবই লাগে। বৰজোপা এতিয়া নাই। ব'হাগৰ প্ৰথম সপ্তাহৰ এটা নিশা মাকৰ ঘৰলৈ বৰদৈচিলা আহিল। গাঁওখন সেই নিশা বুঢ়া-মেঠা জীয়াৰী বোৱাৰী আৰু আমি পেন্দুকণাহঁতৰ অসহায় হাতত। ডেকাবোৰ গৈছিল ৰেলগাড়ীত উঠি ঢোলে-পেঁপাই-গগনাই চামগুৰিত বিহু মাৰিবলৈ, গাঁওখনীয়াকৈ। তেতিয়াৰ দিনত বজাৰত কিনিবলৈ পোৱা চুলিৰ ছং মাৰি, পাউদাৰ-হিমানী সানি দাড়ি মোচ খুৰাই ভাওনাত সীতা-দ্ৰৌপদীৰ ভাও ল'ব পৰা দেখিনিয়াৰ ল'ৰাবোৰেই বিহুৰ নাচনি হয়। চাদৰ-মেখেলা যেনিবা বৌয়েক-বায়েক বা মাকৰ পৰাই পায়। বাৰু সেই স্মৃতিবৃক্ষ নবগাই, বৰগছৰ কথালৈ আহোঁ। কালধুমুহাই কাৰোবাৰ ঘৰ, কাৰোবাৰ ভঁৰাল, কাৰোবাৰ গোহালি ভাঙিলে। ৰাজহুৱা লোকচানৰ লেখত বৰগছ জোপা শিপা সহিত উভাল খাই পৰা প্ৰলয়ংকাৰী ঘটনাটো। কুঁহিপাঠ পঢ়ি আমনি পাই লৰাই জপাই থোৱাদি বুঢ়া বৰজোপাই অতিকায় দেহাটিৰে আমাৰ পঢ়াশালী ঘৰটোকে জপাই পেলালে। আইতাৰ আঙুলিত ধৰি ৰাতিপুৱাহে অমুকায়ো ভিৰৰ মাজত মিহলি হৈছোহি। মোৰ আঙুলি এৰি আইতাই হাতযোৰ কৰিছে, ময়ো তেওঁক অনুসৰি কৰ যোৰে কৃষ্ণ কৃষ্ণ উচ্চাৰিছো। নামঘৰৰ ভাওনাত দেখা ভীষ্ম পিতামহহে যেন শৰশয্যাত শায়িত হৈছে। আমাৰ পঢ়াশালিখন, কুঁহিপাতৰ মুকুট পিন্ধা বৃক্ষ পিতামহৰ শিতান হ'ল। ইফালে ভৰি পথানত দেখোন এটা পুখুৰীৰ সমান গাঁত, এজোপা আগেয়ে নেদেখা গছ, মাটিয়ে লুকুৱাই থোৱা গছ, শাখা প্ৰশাখাৰে মাটিৰ ভিৰ ফালি পাতাললৈ কৰা শিপাৰ যাত্ৰাৰ নজিৰ। ইফালে সেই ৰাতিপুৱাৰ বতৰ খৰা শিয়ালৰ বিয়াৰ বতৰ, ৰ'দে বৰষুণে সানমিহলি। কুঁহিপাঠত মীৰাই দেউতাকক দেখুওৱা ৰামধেনুৰ লেখিয়া আন এখনেও আমাৰ দৰেই পশ্চিম আকাশৰ পৰা বুঢ়া বিৰিখজনাৰ শৰদেহাটৈ চাবলৈ যেন ভৰি মেলিছে। থমাছৰ চৰাঘৰৰ বৰগছৰ তলত সৰগ পৰা যেন হোৱা অমুকাই গৃহস্থকো মোৰ প্ৰাসংগিক স্মৃতিকণৰ সোৱাদ দিব লগাত পৰিলো।

'ডেন হুৱাত হেপেণ্ড'? থমাছ উবাচ।

'তাৰ পিছত কি হ'ল?' তৰুলতা উবাচ।

'তাৰ পিছত বিহুৱা ল'ৰাবোৰ চামগুৰি গাঁৱত বিহুমাৰি আহিল। সিহঁতৰ বন বাঢ়িল। পিছে দহজনৰ নাও বামেৰেও যায়। ঘৰ ঘৰ, ভঁৰাল, গোহালি, লাও চাং, তামোল গছ, পনিয়ল গছ সকলো পোন হ'ল। এইবাৰ ৰাইজে শৰাই এভাগ দি বৰগছৰ কঁকালত ভৰত মিস্ত্ৰীৰ ছেও কৰত লগালেহি। তক্তা, বাতাম ভাগেৰিখি ওলাল। এসপ্তাহতে ৰাইজৰ নখৰ জোকাৰত আমাৰ পঢ়াশালিও হ'ল, চৰকাৰৰ টকা অহালৈ বাট চাবলৈ নহ'ল। ৰাইজে জোগে চৰকাৰৰ কিবা ধনৰ গছ আছেনে, ৰাইজৰ মনহে অভগন ধন। বৰগছৰ কাঠ পঢ়াশালিতো লাগিল, পুথিভঁৰালতো লাগিল, নামঘৰতো লাগিল। সেয়ে ৰাইজে কয় বৰতল গাঁৱৰ বৰ জুপি জীৱনে-মৰণে গঁঞাৰ লগৰীয়া।

বৰগছ বনছাইৰ কণ কণ কুঁহিপাতত আঙুলি লাবি মই সোধো নোসোধোকৈ তৰুক সুধিলো—'এই বৰজুপি মোক বেচিবানে?' থমাছ কাষত নাছিল, তাই বোলে 'এই জুপি থমাছৰো বৰ মৰমৰ। মই বাৰু সুধি চাম। পিছে পৰে।'

মই হস্পিতাল সলালো। কেন্দ্ৰীয় চৰকাৰৰ স্থায়ী চাকৰিত অলপ নিজাকৈ উশাহ পোৱা হ'লো। হাতলৈ মোবাইল, ডেস্কটপ, লেপটপ আইপদ আদি আপদবোৰ এপদ এপদকৈ আহিল। পৰিবাৰ, সন্তান, ঘৰ, সমস্যা আদি সকলো প্ৰসাদৰ একাদশী, পূৰ্ণিমা, অমাৱস্যা যাপন বা উদযাপন কৰিছো। তৰু আৰু থমাছহঁতৰ সৈতে সম্পৰ্ক বিছিন্ন প্ৰায়। হঠাৎ ইউৰেকা! ফেচবুক! ফেচবুকৰ ছবি মোবাইল ফোনৰ কথা বাৰ্তাৰ সাৰাংশ এনে, 'ওপৰৱালা জব-দেতা হে দেতে চপ্পৰ ফাৰ্ কে', সিহঁতৰ তিনিজনী ছোৱালী, ট্ৰিপলেট হৈ জন্ম হ'ল। বৰধুনীয়া সিঁহত। দুয়োটা বদলি হৈ ওখলাৰ ই-এছ-আই হস্পিতাললৈ আহিল। তৰুলতাৰ ডায়েৰীৰ কথা সুধিলো আৰু এটা কবিতা তাগিদা দিলো। নতুনকৈ ঠন ধৰা দিল্লীবাসী অসমীয়া সমাজখনত 'কিশলয়' নামেৰে এখনি আলোচনী উলিওৱাৰ যো-জা চলিছে।

অনতি পলমে ডাক যোগে তৰুলতা লাহন থমাছৰ কবিতা আহি উপস্থিত। আকৌ-বনচাই! কবিতাৰ তলত চিঠি এখনত তৰুলতাৰ চিঠি, 'চাৰ চোৱে নেৰে চোৰৰ প্ৰকৃতি, কুকুৰে নেৰে ছাই, থমাছ বনছাইৰ মাজত সোমাই থকা অমুকীৰ কবিতাৰ নামো বনছাই। শ্ৰীমতীকো কবিতাটি পঢ়ি শুনালো—

'কিমান যে কথা বাকী ৰৈ যায়

সময় আৰু সমস্যাই নিৰাই পেলায়।

ইমানকৈনো হেঁপাহে কিয় পাহ মেলে পাই,

ফুলিবৰ নৌ হওঁতেই চোন মৰহি শুকায়!

শিপাই টাবৰ অতল খুন্দিয়ায়,



Scanned by CamScanner

টাবৰো উপায় নাই, ধৰি আছে যথেষ্ট নহয়নে সেয়াই!
বৰ দুখ পাওঁ, ময়ো, সিয়ো তথাপি ফুটাই কেঁকাবও নোৱাৰি...
তিনিটি নতুন মুকুল শুইছে, যদি সাৰ পায়?
সিহঁতৰ সপোনৰ অংকুৰে যদি
চাৰৰ পঢ়াশালীত উবুৰি খোৱা
বুঢ়া বৰগছ জুপিৰ দৰেই উভাল খায়?
মোৰ ডায়েৰীখন এজোপা কঁতীয়া গাঁঠিয়া মৰা গছ
আৰু এই পইদটি যেন তাৰেই বনছাই,
হে সম্পাদক, মালীক নোসোধাকৈ নেকাটিবা অ'ত ত'ত
আমাৰ চকুলোৰে পানী দি জীয়ালো
মাণিকী মধুৰি বন-ছাই...
হে আধা অচিনাকি আধা চিনাকিজন
মই ছাই হৈ যোৱাৰ আগেয়ে
এনেয়ে এবাৰ চাই যাবাহি
কিনিবাহি বনছাই, আমাৰ এখেতৰ হবি
পাৰ্ট টাইম্ ব্যৱসায়।

সি যি কি নহওক 'কিশলয়'ৰ কাম বেছ গেঁঠেলা লাগি আছে। মানুহবোৰৰ হৃদয় চেঁপি কেইঅঁৰা মান কবিতা, স্মৃতিৰ থুনপাক জাৰি জোঁকাৰি তাতে সৃষ্টিৰ মা-মছলা, নেমুৰস চেঁপি দুটিমান জুতিদায়ক গল্প আৰু মস্তিষ্ক আৰু তথ্যৰ পৰ্বতবোৰ খান্দি কেই হালিছা মান প্ৰবন্ধ উলিওৱাত আমি সম্পাদনা মণ্ডলী ব্যৰ্থ হৈছো। সম্পাদক মহোদয়ে বোলে যি অলপ মাল পোৱা গৈছে তাৰে যোগান ধৰাটো লেখক সকলৰ বায়'-ডাটা, অনুভূতি, আদিকে কিশলয়ত 'বোজাই' দিব লাগিব। তেওঁ বোলে 'তৰুলতা লাহন থমাছ কি, ক'ত, কিয় বিখ্যাত?' লগতে তেওঁ সোধো নোসোধোকৈ সুধিলে—'বৰুৱা, বনছাইনো কি হে। মই বোলো BONSAI এই কেইটা আখৰ লৈ Googleকে সোধক, গম পাব। হাঁয় সাহিত্য তুমিও বুতাম বিচাৰিছা?

আনক ক'লে কি হ'ব? থমাছে দিয়া লেক্‌চাৰত 'বনচাই' ঘৰত নোসোমোৱাত ময়ো কম্পিউটাৰত বুতামেই হেঁচুকিলোহি। প্ৰথমে অ'ৰ-ত'ৰ কথা জোৰা দি মই কিনো হাতীটো সাজিম? প্ৰথমে এই বাওনা বৃক্ষ বোলে মিছৰত আছিল, পিছে পিছত চীনতহে PENJAI নামেৰে পুনৰ উপজিল। বৌদ্ধ বিহাৰ ছাত্ৰ ভিক্ষুসকলে প্ৰকৃতিৰ অৰণ্যানিকো মঠ-মন্দিৰৰ ভিতৰ সুমুৱাবলৈ কৰা অধ্যৱসায়ৰে উপজ পেনজাই। জাপানী ল'ৰাই খৃষ্টীয় ৬০৩ৰ পৰা ৮৩৯ ৰ ভিতৰতে ঘৰলৈ যায় প্ৰতীক চিন হিচপে পেনজাই লৈ যায়। কালক্ৰমত জাপানীয়ে নিজৰ কৌশলো যোগ দি পেনজাইক 'বনছাই' কৰি পেলালে। BON মানে বাম পাত্ৰ বা ট্ৰে আৰু SAI মানে বৃক্ষৰোপন। স্থিতপ্ৰজ্ঞ ধ্যানী জাতি জাপানীৰ ভ্ৰাম্যমাণ অৰণ্য বনছাইয়ে ইউৰোপ আমেৰিকালৈও যাত্ৰা কৰিলে দ্বিতীয় মহাযুদ্ধৰ উত্তৰ কালতহে। 'নাগাচাকি', 'হিৰোচিমা', চায়'নাৱা, চেৰিফুল, চামুৰাইৰ দৰেই চিনাকী নাম আজি বনছাই।

মই থমাছলৈ ফোন লগাইছো—তৰুলতা সবিশেষ জানিবলৈ 'কিশলয়'ৰ হৈ অমুকা 'তৰু নিলয়' ওলাবগৈও পাৰো। সি বোলে সিহঁতে আমাৰ ৰাম কৃষ্ণ পুৰমৰ ফালে আহিছেই, সৰোজিনী নগৰত বজাৰ কৰি দুয়োটিয়ে আমাৰ কোৱাৰ্টাৰত পদধূলা পেলাবহি। 'ছোৱালী কেইজনী আম্মাজানৰ লগতে থাকিব।' থমাছে মাকক আম্মাজান কিয় বুলিলে? ইফালে শ্ৰীমতীৰো ফোন আহিছে যে তেৰোঁ সৰোজিনীলৈ যাব। মই বোলো 'আজি তোমাৰ 'বনছাই'ৰ কবি গৰাকী আহিব, বজাৰলৈ নেলাগে যাব'। ৰামকৃষ্ণপুৰমৰ আঠ চেক্টৰৰ বজাৰৰ পৰা আলহী আপ্যায়নৰ বাবে ইটো-সিটো বহুতো বজাৰ কৰি মৰমী শ্ৰীমতীও চিকিৎসালয়ৰ পৰা বিয়লি কোৱাৰ্টাৰ সোমালহি। দুয়ো বাট চালো থমাছ আৰু তৰুলৈ...

গাড়ী-মটৰৰ শব্দৰ মাজতে আমাৰ আলয়, অভ্যস্ততাত শব্দবোৰ নহ'লেহে টোপনি নাহে। সাঁজ লগাই নাই, চিনাকি অথচ অনাদৃত শব্দৰ মাজত যেন কি অস্বাভাৱিক মাত্ৰাৰ গৰ্জন শুনা পালো। ক্ষণিক নিস্তব্ধতাৰ পিছতে এক অস্বাভাৱিক উৰুমি, চাইৰেণৰ শব্দ। আমাৰ নিবাস বিল্ডিঙৰ প্ৰথম মহলাত, গ্ৰাউণ্ড-ফ্লৰ'ৰ পৰা প্ৰতিৰেশিনী ৰাণী শৰ্মাই শ্ৰীমতীৰ কাষলৈ উধাতু খাই আহিছে। 'ব'ম ব্লাষ্ট ৰীতাদী, ব'ম ব্লাষ্ট, সৰোজনী মেঁ, হে ভগবান্ ক্যা হোগা হমাৰে দেছ কা...

সন্ত্ৰাসে যেন বনৰ অজগৰে তেজাৰ ভনী তুলাক ভৰিৰ পৰা গিলি অহা দি গিলি আহিছে, আৰু প্ৰশাসনেও জানো এতিয়া সেয়া জোঁৱাইয়ে পিন্ধোৱা নুপূৰ গলপতা বুলি ভাবিছে? থমাছৰ ফোন বাজি বাজি বন্ধ হৈছে, তৰুলতাৰ ফোন বজা নাই। তিনিদিনৰ পিছতহে এটা নতুন নম্বৰত থমাছৰ ফোন আহিল। এই অভিশপ্ত তিনিটা দিনত তৰুলতাৰ বায়ডাটাৰ সালসলনি হ'ল। এইমূহুত বিস্ফোৰণাক্ৰান্ত তৰুলতাৰ ভৰি দুটা কাটি পেলাব লগা হ'ল। বাকী স্থিতি এতিয়া নিৰাপদ বুলিয়ে থমাছে তাইক বাছাইদাৰাপুৰৰ সেই চিনাকী আই-চি-ইউলৈ লৈ আহিল। থমাছে কাণেৰে ভালকৈ নুশুনা হ'ল, বাকী সি ঠিকেই আছে। মাত্ৰ এই তিনিটা দিনতে সি তৰুলতাৰ বাবে জয়পুৰী কৃত্ৰিম ভৰি দুটাৰ যা-যোগাৰো কৰিলে



Scanned by CamScanner

Scanned by CamScanner

বোলে। অবিলম্বে আমি দুয়ো মোৰ একালৰ কৰ্মভূমি পালোগৈ, য'ত শায়িত হৈ আছে বনচাইৰ কবি তৰুলতা। তাই দেখোন প্ৰগলভা, কাণ কলা মানুহে চিঞৰি কথা কয়েই। "থমাছক কৈছো, মোৰ কিবা হ'লে, ডায়েৰীখন যেন আপোনালোকক দিয়ে। সিও মোৰ দৰেই কলা হ'ল যে, শুনিল বা নুশুনিল। বৰগছ জুপি আমি মোনাত ভৰাই লৈ গৈছিলো, মোৰ হাততে আছিল। সেই বনছাই জোপা বোমাত পৰি ছাই হ'ল। আন এজোপা উঃ! "

তৰুলতাই উশাহ লওঁতে যেন বৰ কষ্ট পাইছে...

থমাছ নাই, জয়পুৰলৈ গৈছে। মই তৎপৰ হৈ উঠিলো, আই-চি-ইউৰ জুনিয়ৰ ডাক্তৰে তৰুলতাৰ কণ্ঠত কৃত্ৰিম শ্বাসনলী লগাবলৈ মোক আহিলা বোৰ যঁতাই দিলে। অনতি পলমে, তৰুলতা কৃত্ৰিম শ্বাস-প্ৰশ্বাসৰ মেছিনৰ অধীন হৈ পৰিল।

এৰা 'কিমান যে কথা বাকী থাকি যায়,

সময় আৰু সমস্যাই নিৰাই পেলায়।

আৰু তিনিটা দিনৰ পিছত তৰুলতা মৃত ঘোষিত হ'ল। জয়পুৰী কৃত্ৰিম ভৰি দুটিকে ধৰি ধৰি সৰু ল'ৰাৰ দৰে ফেঁকুৰি থাকিল তৰুলতাৰ থমাছ। এদিন তিনিওজনী কন্যাসহ থমাছ আমাৰ ঘৰলৈ এজুপি বৰগছ আৰু তৰুলতাৰ ডায়েৰীখন লৈ আহিল। কৃত্ৰিম ভৰি দুটাৰে আন দুজন মানুহক উপকৃত হোৱাৰ বাতৰিটো দিওঁতে থমাছক ফুটবলত জিকি অহা কিশোৰ এটা যেন লাগিছিল। আমাৰ দুজনীয়ে তৰুৰ জী আদ্ৰিয়ানা, অৰুণিমা আৰু আছীয়ানাৰ সৈতে ওমলিব ধৰিলে। থমাছে আপোন পাহৰা হৈ হাৱাইন গীটাৰ বজাব ধৰিলে। আৰু আমি দুয়ো ডায়েৰীৰ মাজত তৰুলতাক বিচাৰি ফুৰিলো।

সিহঁত গ'লগৈ, শ্ৰীমতীয়ে তৰুলতাৰ ডায়েৰী নামৰ টোকাবহীখন পঢ়িছে, কোনো তাৰিখ চন নাই , সময় উপক্ষিত আৰু সেই উপেক্ষাই ঘটনাবোৰক যেন সনাতন কৰাৰ মৰসাহ কৰিছে!

'গাঁৱৰ হাইস্কুলত পঢ়ি এই এলাইজাবৰিয়ে ষ্টাৰ মাৰ্ক পালো। এই ঘটনাটোৱে এটা নতুন শব্দৰ সৈতে চিনকি কৰি দিলে, 'কটন কলেজ'! গুৱাহাটী মহানগৰৰ বিশালতাত মোৰ দৰে দৰিকণা এজনীক মেলি দিয়াৰ ইচ্ছা, শকতি, সম্বল মোৰ আই-বোপাইৰ সীমিত দিগন্তত নাই! আনকি যোৰহাটলৈও যাবলৈ নেপালোঁ। স্থানীয় হায়াৰ চেকেণ্ডৰীখনত নতুনকৈ বিজ্ঞান শাখা খুলিছে, ময়ো তাতে মূৰ গুজিলোঁগৈ। আলোচনীৰ সম্পাদক ৰাজেশ বৰা দ্বাদশমানৰ চোকা ল'ৰা। সেই বুলিয়েই তেৰাই অমুকীক প্ৰেমৰ প্ৰস্তাৱ দিব লাগেনে? মায়ো স্পষ্টভাৱে ক'লো যে জীৱনৰ এই উদ্যোগ পৰ্বত এনে জাতীয় ভাব-বিলাস অমুকীৰ দ্বাৰা নহ'ব। চহাৰ জীয়াৰী, আত্মনিৰ্ভৰশীল নোহোৱালৈকে আনত লতা বগাবলৈ নেযায়।

'কথাযাৰে কিন্তু মোৰ মনত দকৈ শিপালে দেই ভন্টি। তথাপি মনত পেলাবা।'

একেলগে সৌ সিদিনালৈকে লুকা-ভাকু, হৈ গুডু খেলা ল'ৰা কেইটাই ডাঢ়িয়ে ঠুঁতিওৱাৰে পৰা আমি গাত চাদৰ লোৱা লগৰ ছোৱালীহঁতলৈ কোনোবা গ্ৰহান্তৰৰ প্ৰাণীৰ দৰে [illegible] লয়। ছোৱালীহঁতো অৱশ্যে কম নহয়। কিন্তু মই সেই [illegible] চেতনাৰেই থিৰ কৰিলো, সকলোৰে ওচৰত স্পষ্ট আ[illegible] বৃক্ষৰ দৰে। আৰু এই দুপদ সম্পদেৰেই মই চাৰ-[illegible] পৰা আৰম্ভ কৰি স্কুলৰ অঘাইতং গুণ্ডা যেন লগা প্ৰ[illegible], যাদৱহঁতৰো বন্ধু হৈ পৰিলো।

বোটানিত মেজৰ লৈ দেৱী চৰণ বৰুৱা কলেজ, [illegible] পঢ়িবলৈ আহিছো। আটিলা গাঁৱৰ মেছলৈ ক্লাছৰ পিছত [illegible]কাঢ়ি আহিছো। সেইদিনা লগৰ কেইজনীও নাই। মটৰ চাইকেল এখন ওচৰতে ৰ'লহি। আৰোহীজনে হেলমেট আঁতৰাওতেহে চিনি পলো, স্কুলৰ একালৰ সহপাঠী গৌতম শইকীয়া আলফাৰ পৰা এতিয়া চাৰেণ্ডাৰ কৰিলে।

'মই আগবঢ়াই দিওঁ আহা বহাহি।'

'মই খোজেৰেই ভাল পাওঁ।'

'তোমাৰ মুখত এই ভালপাওঁ শব্দটো। আঃ খোজকঢ়া, বৰ ঈৰ্ষাণীয় শব্দ মোৰ বাবে। বিয়াত বহিবলৈ প্ৰকাৰন্তৰে এবাৰ তোমাক মাতিছিলো, আমাৰ বিপ্লৱলৈও মাতিছিলো। বাৰু সেইবোৰ যাওক। তোমালোকৰ লগৰ ৰঞ্জিতা যে তাই মোৰ পত্নী। ব'লা আজি আমাৰ ঘৰলৈকে, ৰঞ্জিতায়ো ভাল পাব।'

বান্ধৱী ৰঞ্জিতাৰ কথা শুনিহে বহো নবহোকৈ জীৱনত প্ৰথমবাৰ মটৰ চাইকেলত উঠিলো। বতাহৰ সোসোৱনিৰ মাজত গৌতমৰ প্ৰগলভতাৰ মাজেৰে প্ৰক্ষেপিত হৈছে পত্নী ৰঞ্জিতাৰ কুৎসা ৰচনা। গৌতমৰ কথাৰ সুৰ ক্ৰমাৎ ঈছপৰ সাধুৰ শিয়ালটোৰ দৰে হৈ আহিছে। মই যেন এজনী কাউৰী, জীৱনৰ ডালত বহি ধাৰণ কৰি আছো শোভনীয় যৌৱনৰ সম্ভাৰ। সি যেন নকৈও কৈছে, 'ৰঞ্জিতাৰ ঠাই তুমি আজিও ল'ব পাৰা! "

এখন ডাঠ হাবিৰ মাজেৰে দ্ৰুতগতিত যোৱা মটৰ চাইকেলখন, লাহে লাহে মন্থৰ হৈ আহিছে। গৌতমৰ কিবা অসৎ অভিপ্ৰায় নাইতো। দুৰু দুৰুকৈ কঁপিছিল বুকুখন। সি বাৰে বাৰে মোৰ ফালে মূৰ ঘূৰাইছে। কিন্তু হঠাৎ তাৰ বহল বুকুখনৰ ওপৰত উপৰা উপৰিকৈ কেইবা জাঁইয়ো গুলীৰ বৰষুণ পৰিল। মই হতভম্ব।

মটৰ চাইকেল কোবেৰে চলোৱা হ'লেইময়ো মৰো। মই লক্ষ্য নাছিলো, আৰু বন্দুকধাৰী কেইজনো লক্ষ্যভ্ৰষ্ট নহ'ল।

কোনো নাই নিৰ্জনতা। মুমূৰ্ষ গৌতমে পানী বিচাৰিছে, মই বেগৰ পৰা পানীৰ বটলটোৰে পানী বাকি দিলো, কোৱাৰিয়েদি পানী বাগৰি গ'ল। গৌতমৰ চোলাৰ পকেটত এটা মোবাইল ফোন আছিল, কিন্তু সেইবোৰৰ ব্যৱহাৰ জানিলেহে! ওচৰ গাঁৱৰ মানুহ পালেহি। পুলিচ পালেহি। পুলিচে মোবাইলৰ পৰা ৰঞ্জিতাৰ নম্বৰটো উলিয়াই মোৰ কাণত ফোনটো লগাই দিলে। মই তাইক দুঃসংবাদটো দিলো। তাই ছাগে আজিও মোক ভুল বুজিছে। পিছত গম পালো তাই অন্ত-সত্বা আছিল। হওক তেওঁ।

কোৰ্ট কছাৰীত মই যে লাই-লফা, আলফা-চালফা একো নহওঁ তাৰ প্ৰমাণ দিবলৈ অবাবত বৰ লটি ঘটিখন খালো। বোটানী অনাৰ্ছৰ ফালে পিঠি দি গুৱাহাটীত B.Sc. Nursing পঢ়িবলৈ মন মেলিলো। পিছে নহ'লগৈ। ডিব্ৰুগড়ত GMC পঢ়িলোগৈ আৰু ই-এছ-আইৰ চাকৰিত সোমাই দিল্লী পালোহি। য'ত লগ পালোহি মেল নাৰ্চ থমাছক, বহুতৰ মাজত। থমাছৰ লগত গৈ গীৰ্জাঘৰত বিয়া পাতিলো। ঘৰলৈ দিয়া চিঠিৰ উত্তৰত আই বোপায়ে, ভাইটিৰ হতুৱাই লিখিলে- আমি চৰু হাড়ি ধুলো, ল'ৰাৰ বাপেক খৃষ্টান, মাক মুছলমান। আমাৰ নাক-কাণ তই কাটিলি, তৰু আমাৰ মানত যমে নিয়াও নিয়া, জোঁৱায়ে নিয়াও নিয়া'

ঈশ্বৰ আল্লা তেৰ' নাম

সবতো সংমতি দে ভগৱান—

এই প্ৰাৰ্থনা সদায় প্ৰাৰ্থনা হৈয়ে ৰ'বনে? ভাগি পৰিছিলো, ঈশ্বৰ, আল্লা গড তিনিওকে জগৰ লগাইহে আমি ছবছৰে সন্তানৰ মুখ দেখা নাই নেকি? আমি বাট বুলিলো বিজ্ঞানেৰে। নাইকীয়াৰ কোলাত আই ভি এফৰ বিজ্ঞানে আদ্ৰিয়ানা, অৰুণিমা, আৰু আছীয়ানাক তুলি দিলে। তিনিওজনীৰে লগত থমাছে এটা সৰু ল'ৰাৰ দৰে ওমলে, বনছাইলৈও তাৰ প্ৰীতি কমি আহিছে। মোৰো মন যায় সিহঁত চাৰিটাৰ লগত ওমলিবলৈ, আনকি সিহঁতে মাতেও, কিন্তু মাকবোৰৰ যে কামৰ অন্ত নপৰে। মালৈ মনত পৰে, সেয়েহে পাওক নেপাওক নিয়মিতৰূপে মা লৈ মণি অৰ্ডাৰ কৰোঁ...

থমাছৰ মতে শৰীৰ, মন আৰু জীৱনটো ধুনীয়া কৰিবলৈ মনে ভালপোৱা সকলো কৰিব লাগে। উপনিষদত ব্ৰহ্মাই আত্মাৰ স্বৰূপ বুজাবলৈ অসুৰকো এচৰীয়া পানীত নিজকে চাবলৈ দিহা দিছিল। এনে এটা প্ৰিয়তম অসুৰেই মোৰ থমাছ, তাৰ বাবে আত্মা যেন এখন পাছপৰ্ট ছাইজৰ ফটো, দুটা চকু, দুখন কাণ এখন মুখ।

নগৰীয়া জীৱনটো যেন টাবৰ ফুল, কিন্তু শিপা থাকেই হেঁপাহ থাকেই, সময়ৰ অভাৱতহে মানবীয় সকলো পদক্ষেপ বা হস্তক্ষেপ বনছাই হয়। মৃত্যুৰ সিপাৰে অনন্ত সময়, অনন্ত অৱসৰ, অথচ মৃত্যুলৈ কিয় আমাৰ ভয় লাগে? নিসংগ হওঁগে বুলি অজ্ঞত, অব্যক্ত অনাৱশ্যকীয় হওঁগে বুলি? সেয়েহে আত্মাই প্ৰতি অন্ততঃ এখনকৈ কাণ আৰু এখন মুখ থকা উচিত। নিজৰ কথা নিজেওতো শুনিব পাৰি। তাৰ পিছত কি হ'ল কোৱা চোন বুলি কাষৰ আত্মাই যদি আবদাৰ কৰে তেতিয়াটো কথাই নাই।'

'কিশলয়'ৰ সম্পাদকে ফোন কৰিছে—'ডাক্তৰ, তৰুলতাৰ 'বনছাই'ৰ ডি.টি.পি হ'ল প্ৰুফটো চাইছিলো। কবিৰ বিষয়ে কিবা এটা লেখা দিম বুলিছিল, দেৰি কৰিছে যেতিয়া তেওঁৰ এটা সাক্ষাৎকাৰেই নলওঁ কিয়?

'আপোনাৰহে সময় নাই। তেওঁৰ পিছে সময়েই সময় এতিয়া। অনন্ত অৱসৰ...

'কি হ'ল, ৰিটায়াৰ হ'লেই নেকি?'

'নহয়, মুক্ত হ'ল। ছি ইজ ন' মৰ!'

সংযোগ বিছিন্ন হ'ল। চাৰৱাৰ ডাউন। আপদীয়া ডায়েৰীখনত চকু ফুৰালো আকৌ। ৰাতিপুৱাৰ সময়।

'অন্তহীন অন্তঃকৰণময় কথকতাই এখন সৰগ, এখন উপন্যাস য'ত আত্মাবোৰে নিৰ্বিবাদে গল্প কৰে... চুটি গল্পবোৰ যেন সেই সৰগী উপন্যাসৰে যত্নপৰৱশিত বনছাই।'

'পানী আহিছে, যোৱা গা ধুই লোৱাগৈ। বুধবাৰ, তোমাৰ অ'টি ডে সোনকালে কৰা। সেইখন খোৱা আৰু!'

'এৰা থওঁ আৰু..., বনছাই জোপাত পানী দিলানে?

পকা তেলত পিঁয়াজ পৰিছে, তাৰ শব্দতে ছাগে প্ৰিয়তমাই একো শুনা নাই...।

'কি ক'লা —বনছাই?'



Scanned by CamScanner



# ফ্ৰী হ'ম ডেলিভাৰী

## (একাংকিকা নাট)

ৰচনা ঃ হিৰণ দত্ত
ফোন নং ৯৮১০৪৫২৪৪২

*(বিমল হাজৰিকাৰ ঘৰৰ ড্ৰইং ৰুম। হাজৰিকাই ছোফাত বহি হাতত কাগজ-কলম লৈ কিবা লিখি আছে। ভিতৰৰ ফালে লক্ষ কৰি - 'হেৰা চাহ কাপ ইয়াতে দিবাহে'- বুলি কৈ আকৌ লিখাত লাগে। ভিতৰৰ পৰা 'আনিছো ৰব' বুলি নাৰী কণ্ঠৰ উত্তৰ। অলপ পিছত হাতত দুয়োৰে বাবে দুকাপ চাহ লৈ হাজৰিকানী উত্তৰা সোমাই আহে।)*

উত্তৰা ঃ এয়া লওক, আৰু চাহ চাহ কৰি নাথাকিব দেই। মোৰ বহুত কাম আছে।

হাজৰিকা ঃ তোমাৰ নো কামৰ কিবা অন্ত আছেনে। চাওঁ, বহাচোন বহা। ..... মই বিজ্ঞাপন এটা লিখিছো। শুনাচোন ঠিকেই আছেনে।

উত্তৰা ঃ *(বহে)* এইবাৰ আকৌ কিহৰ বিজ্ঞাপন উলিয়াবৰ হ'ল ? আপোনাৰ আৰু কাম নাই ? খবৰ কাগজত বিজ্ঞাপন ছপাই অযথা পইচাৰ শ্ৰাদ্ধ কৰে কিয়?

হাজৰিকা ঃ এহ্ ৰ'বাচোন। মোৰ কথা শুনা। আমাৰ গাড়ীখন বিক্ৰী কৰি দিব খুজিছো বুইছা। তাৰে বিজ্ঞাপন এটা লিখি আছো।

উত্তৰা ঃ কি বিক্ৰী কৰো বুলিলে?

হাজৰিকা ঃ আমাৰ গাড়ীখন।

উত্তৰা ঃ সেই ঘেৰঘেৰীয়া গাড়ীখন এনেয়ে দিলেও কাৱাৰীৱালাই-ও নিনিয়ে, আপুনি আকৌ গ্ৰাহক বিচাৰি কাগজত বিজ্ঞাপন দিয়ে?

হাজৰিকা ঃ হে'ৰা, এইখন দ্বাৰকাপুৰী বুজিছা। ইয়াত চব বিক্ৰী হয়। চব বস্তুৰে ডীমাণ্ড আছে। চব বস্তুৰে ফ্ৰী হোম ডেলিভাৰী হয়।

উত্তৰা ঃ তেনেহলে আপোনাৰ সেই ঘেৰঘেৰীয়া গাড়ীখনো কাৰোবাৰ ঘৰত ফ্ৰী হোম ডেলিভাৰী কৰি থৈ লেঠা মাৰিলেই হ'ল। মিছাতে বিজ্ঞাপন ছপাই পইছা খৰছ নকৰিলেও হ'ব।

হাজৰিকা ঃ এহ্ তুমি নাজানা। আজিকালি পৃথিৱী বিজ্ঞাপনৰ জোৰতে চলি আছে।

উত্তৰা ঃ এহ্ থওক থওক আপোনাৰ বিজ্ঞাপনৰ কথা। আপুনি হকে-বিহকে মাহেকত কমেও এটা বিজ্ঞাপন ছপায়। ঘৰটোৰ এটা পাৰ্ট ভাৰাত দিব বুলি দুবাৰমান বিজ্ঞাপন দিলে। ক'তা, কোনেও খবৰ এটাকে নললে দেখোন। জেউতিৰ কাৰণে ল'ৰা এটা বিচাৰি কিমানবোৰ বিজ্ঞাপন দিলে। নাই, লায়েকৰ অসমীয়া ল'ৰা এজন নোলাল আজিলৈকে। ক'ব নোৱাৰো দিল্লীৰ অসমীয়া ল'ৰাবোৰে বিয়া কৰায় নে নকৰায় ?

হাজৰিকা ঃ এৰাহে জেউতিৰ মাক, তুমি ঠিকেই কৈছা। আমাৰ জেউতিনো দেখাই-শুনাই কোন গুণে কম। চোৱাচোন আজিলৈকে ল'ৰা এজন নোলাল।

উত্তৰা ঃ মোৰ কথা শুনক। এইদৰে দিল্লীৰ কাগজত বিজ্ঞাপন দি আপুনি অসমীয়া দৰা বিচাৰি নাপায়। জেউতিক অসমলৈ নি তাতে ল'ৰা এটা বিচাৰি বিয়া দিয়াৰ চিন্তা কৰক।

হাজৰিকা ঃ তাকেই কৰিব লাগিব যেন পাইছো। আজি আহিব লগা ল'ৰাজনক চাই লও ৰ'বা। ... কি নাম আছিল লৰাজনৰ ?

উত্তৰা ঃ দিগন্ত শইকীয়া। কি ঠিক আহেনে নে নাহে। যোৱা দেওবাৰৰ দিনাও আহিব বুলি ফোন কৰিছিল। নাহিল দেখোন।

হাজৰিকা ঃ আজি দেখোন আহিবই বুলি দঢ়াই দঢ়াই কৈছিল। আমাৰ প্ৰাগজ্যোতিষপুৰ এপাৰ্টমেণ্টটো কোনখিনিত তাৰ লকেশ্যনটোও ভালকৈ বুজি লৈছে। আহিব চাবা।

উত্তৰা ঃ আপুনি এনেকৈ জধলাটো হৈয়ে থাকিব নে? ভাল কাপোৰ এসাজ পিন্ধি থাকক। হঠাতে আহি ওলালেহি আপোনাক দেখিলে কি বুলি ভাবিব?

হাজৰিকা ঃ কিয় ? কিনো বেয়া কাপোৰ পিন্ধি আছোঁ, ঠিকেইতো আছোঁ। ল'ৰাই মোক চাবলৈ নাহে নহয়, তোমাৰ জীয়েৰা জেউতিকহে চাবহি। পিচে তাইক সজাই- পৰাই



Scanned by CamScanner

ৰাখিছানে নাই?

উত্তৰা : তাইৰ কাৰণে চিন্তা কৰিব নালাগে। তাই বিউটী পাৰ্লাৰলৈ গলেই।

হাজৰিকা : বাৰু হ'ব দিয়া।.... পিচে ভাবী জোৱাঁইক খুৱাবা কি?

উত্তৰা : সেইবোৰ আপুনি চিন্তা কৰিব লগা কথা নহয়। চব ৰেডী আছে। মাইনাক বজাৰলৈ মাছ আনিবলৈ পঠাইছোঁ।আহি পালেই ৰন্ধা-বঢ়াত লাগিম। এতিয়ানো কেইটা বাজিছে?

হাজৰিকা : *(হাতৰ ঘড়ীলৈ চাই)* এঘাৰটা বাজিলে বুলিয়েই ধৰা।

উত্তৰা : দুপৰীয়া সাজ খোৱাকে আহিব যেতিয়া, এক মান বজাত পাবহি লাগে।

হাজৰিকা : তথাপিও আমি সাজু থকা ভাল। আগতীয়াকৈ আহি ওলাবও পাৰে দিয়াচোন।

উত্তৰা : মাইনাটোৱেও ইমান দেৰী কৰিছে। চাওকচোন মাছ আনিবলৈ গৈ এতিয়াও পোৱাহিয়ে নাই। কিমান নো দূৰ বজাৰলৈ? – তামোল এখনৰ বাটহে।

হাজৰিকা : তামোল? হে'ৰা, ভাল মনত পেলালাহে, যোৱাচোন তামোল এখন আনা।

উত্তৰা : সেইয়া। আকৌ এতিয়া তামোল লগা হ' ল। উস্... কেনেকুৱা গিৰিহঁত ঔ ! বিষকোপত জুৰুলা মানুহজনীক অকণমান শান্তিৰে বহিবলৈ নিদিয়ে। কথাই কথাই চাহ আনা ... তামোল আনা .... উস্ ... *(উচাট মাৰি বহাৰ পৰা উঠি)* হেৰি নহয়, এই চাহ-তামোলো ক'ৰবাত আপোনাৰ সেই .... কিবা বোলেনে ফ্ৰী হোম ডেলিভাৰী পায় নেকি চাবচোন .... আপোনাৰ সেই বিজ্ঞাপনবোৰত। *(ভিতৰলৈ প্ৰস্থান)*

(হাজৰিকাই লিখাত ধৰে। মাইনা বাহিৰৰ পৰা উধাতু খাই সোমায়। হাতত বজাৰৰ মোনা)

মাইনা : দেউতা ... দেউতা...... আহিল।

হাজৰিকা : আহিল? হেৰৌ কোন আহিল?

মাইনা : আলহী আকৌ, .... জেউতিবাৰ দৰা......

হাজৰিকা : *(চকীৰ পৰা জাপ মাৰি উঠি)* কি কলি? ক'ত আছে?

মাইনা : বাহিৰত ....

হাজৰিকা : বাহিৰত ? হেৰৌ, বাহিৰত কিয় ৰখাই থৈছ, মাতি আন ভিতৰলৈ।

*(মাইনা বাহিৰলৈ যায়)*

হাজৰিকা : *(ভিতৰলৈ লক্ষ্য কৰি)* হে'ৰা জেউতিৰ মাক, বোলো শুনিছানে। ক'ত আছাহে, বেগেতে আহাঁ। চোৱাচোন কোন আহিছে।

*(বাহিৰৰ পৰা মাইনাৰ লগত বিপুলৰ প্ৰৱেশ)*

বিপুল : নমস্কাৰ

হাজৰিকা : নমস্কাৰ.... আহাঁ আহাঁ...... বাহিৰত কিয় থিয় হৈ আছিলা? আহাঁ

*(তেনেতে ভিতৰৰ পৰা উত্তৰাৰ প্ৰৱেশ)*

উত্তৰা : কি হ'ল, চিঞৰিছে কিয় ? এইবেলি আকৌ কি লাগে?

হাজৰিকা : একো নালাগে, ... চোৱাচোন কোন আহিছে।

বিপুল : *(আচৰিত হৈ)* ... নমস্কাৰ.... মোৰ নাম

হাজৰিকা : হ'ব হ'ব, তোমাৰ নামনো কোনে সুধিছে বোপা। আহা বহা.

*(উত্তৰাক লক্ষ্য কৰি)* ..কি হল? তুমি আকৌ তেনেকৈ ভেবা লাগি কি চাই আছা আলহীক বহিবলৈ দিয়া .... সোধা-পোচা কৰা...

বিপুল : *(আচৰিত হৈ)* আলহী ? মই আচলতে.....

উত্তৰা : ঠিক কৈছা বোপা, তুমিনো ক'ৰ আলহী। তুমিতো আমাৰ ঘৰৰে....

বিপুল : কি ক'লে ....

উত্তৰা : ঠিকেই কৈছোঁ বোপা। আহাঁ বহাঁ। *(বিপুল বহে)*

উত্তৰা : মাইনা তই এওঁক ক'ত লগ পালি?

মাইনা : বজাৰৰ পৰা আহি থাকোতে বাটতে মোক লগ পাই সুধিলে প্ৰাগজ্যোতিষপুৰ এপাৰ্টমেণ্টটো ক'ত আছে। মই এওঁক লগত লৈ আহিলো। ইয়াত আহি যেতিয়া সুধিলে বিমল হাজৰিকাৰ ঘৰ কোনটো – তেতিয়া আৰু মোৰ বুজিবলৈ বাকী নাথাকিল এখেত কোন। মই পোনছাতেই আহি দেউতাক খবৰটো দিলোঁহি।

হাজৰিকা : *(হাঁহি)* হ'ব যা, তই ভিতৰলৈ যা। মাছ পালি?

মাইনা : হয় দেউতা, একদম তাজা মাছ পাইছোঁ। ইমান ডাঙৰ বৌ মাছ।

উত্তৰা : মাইনা, তই এটা কাম কৰ। বজাৰ কৰা মোনাটো মোক



Scanned by CamScanner

দে, তই জেউতিক বিউটি পার্লাৰৰ পৰা লৈ আহগৈ। *(মাইনা যায়)*

হাজৰিকা ঃ বহাঁ বোপা, তুমি দেখোন থিয় হৈয়েই থাকিলা।

বিপুল ঃ হয় *(বহে)*

উত্তৰা ঃ আহোঁতে বাটত একো অসুবিধা হোৱা নাই চাগৈ। দূৰ অলপ হয় ইয়ালৈ। তাতে নতুন জেগা। সা-সুবিধাৰ অলপ অভাৱ আছে। ৰাস্তা-ঘাটবোৰ আগতকৈ ভাল হৈছে।

হাজৰিকা ঃ *(হাঁহি)* হেঃ হেঃ ...... সেইবোৰ লাহে-ধীৰে হৈ থাকিব। অসুবিধানো ক'ত নাই। নহয় জানো বোপা?

বিপুল ঃ হয়, ঠিকেই কৈছে। ...... হেৰি নহয়, মই বাৰু ঘৰটো এবাৰ চাই ল'ব পাৰোনে?

হাজৰিকা ঃ ঘৰটো চাব খুজিছা? চাবা ৰ'বা। অলপ জিৰাই শতাই লোৱা। চব দেখুৱাম।

উত্তৰা ঃ *(হাঁহি)* অঁতোন। অকল ঘৰটোৱে চাবানে? চাবলগীয়া চব চাবলৈ পাবা। তুমি বহা। মই তোমালৈ চাহ-পানীৰ যোগাৰ কৰোঁ।

বিপুল ঃ নাই নাই চাহ নালাগে।

উত্তৰা ঃ কিয় নাখাবাহে। বহা ভাত হ'বলৈ দেৰী আছে। *(ভিতৰলৈ যায়)*

বিপুল ঃ ভাত? মই আকৌ ভাত খাম কিয়? শুনকচোন.... মই দেৰী নকৰো, আচল কথাটো পাতি লওঁ।

হাজৰিকা ঃ এ ৰ'বাহে। কথাতো পাতিমেই। জেউতি অকণমান ওলাই গৈছে, তায়ো আহক।

বিপুল ঃ জেউতি আকৌ কোন ?

হাজৰিকা ঃ আমাৰ ছোৱালীজনীৰ নামেই জেউতি। তাই আহক, চা-চিনাকি হৈ লোৱা। তাৰ পিচত কথা আগবঢ়োৱা ভাল হ'ব। নে কি কোৱা?

*(এনেতে জেউতি আৰু মাইনাৰ প্ৰবেশ)*

হাজৰিকা ঃ অ, সেয়া পালেহিয়ে তাই। .... আহ জেউতি, দেৰী কৰিলি দেখোন। আমি তোলৈকে বাট চাই আছিলোঁ। ..... বোপা, এয়াই আমাৰ ছোৱালী জেউতি।

*(জেউতিয়ে বিপুলক নমস্কাৰ জনায়. বিপুলেও নমস্কাৰ কৰাৰ নিচিনা কৰে। জেউতি ভিতৰলৈ যাব খোজে)*

হাজৰিকা ঃ ক'লৈ যাৱ তই। আহ বহ, মই গাটো তিয়াই আহোঁ. তহঁতি কথা পাতচোন। (ভিতৰলৈ যায়)

জেউতি ঃ হয় দেউতা।

*(বিপুল আৰু জেউতিয়ে ইফালে সিফালে চাই পিচত হাতৰ মোবাইল পিটিকি থাকে)*

মাইনা ঃ অ! তোমালোক মনে মনে আছা দেখোন। দেউতাই কথা পাতিবলৈ কৈ যোৱা নাছিল জানো? অ'... বুজি পালোঁ। হেঃ হেঃ হেঃ .... ঠিক আছে, ..... মই ভিতৰলৈ যাওঁ, তোমালোকে কথা পাতা।

*(মাইনা ভিতৰলৈ যায়। বিপুলে কি কৰোঁ কি নকৰোঁ যেন কৰি কথা আৰম্ভ কৰে)*

বিপুল ঃ তোমাৰ নামটো জেউতি বুলি গম পাইছোঁ। কোৱাচোন তুমি পঢ়ি আছা নে অন্য কিবা কৰি আছা?

জেউতি ঃ কলেজত পঢ়ি আছোঁ। এইবেলি বি এ. ফাইনেল দিছোঁ।

বিপুল ঃ আৰু কোন কোন আছে তোমালোকৰ ঘৰত?

জেউতি ঃ মা, দেউতা, মই আৰু মাইনা. বচ্ ইমানেই। আপোনাৰ ঘৰত কোন কোন আছে?

বিপুল ঃ আমাৰো তেনেই সৰু পৰিয়াল। মা, দেউতা আৰু মই। মই অৱশ্যে ইয়াত মই অকলেই আছোঁ, মা-দেউতা আমাৰ নিজৰ ঘৰ যোৰহাটতে আছে। ..... বাৰু হেৰি নহয়, তোমালোকৰ ইয়াত লাইট পানীৰ প্ৰব্লেম নাইতো ?

জেউতি ঃ কি ক'লে, .... লাইট পানীৰ প্ৰব্লেম? কিয় সুধিলে?

বিপুল ঃ নহয় মানে, আগতেই জানি থোৱা ভাল।

*(তেনেতে ভিতৰৰ পৰা হাজৰিকানী উত্তৰা আৰু মাইনা সোমাই আহে)*

উত্তৰা ঃ আহাঁচোন বোপা ভিতৰলৈকে। কিবা অকণ খাই লোৱা।

বিপুল ঃ নাই নাই খোৱাৰ ব্যৱস্থা কিয় কৰিছে? মই কথাখিনি পাতি লওঁ বুলিহে ভাবিছোঁ

উত্তৰা ঃ উৰা। একো নেখোৱাকে যাবানে। কথা পাতিবা বাৰু। .... আহাঁ আগতে খাই লোৱা। ঘৰটোও চাব পাৰিবা।

বিপুল ঃ *(উৎসাহত)* হয় হয়, ঘৰটো চাই লওঁ বলক।

*(উত্তৰাৰ লগতে বিপুল ভিতৰলৈ যায়)*

মাইনা ঃ *(ধেমালিৰ সুৰত)* কোৱাচোন জেউতিবা, কি কথা পাতিলা।



Scanned by CamScanner

জেউতি : কি কথা পাতিবি অ মাইনা। মানুহটোৰ মতি-গতি মই ধৰিব পৰা নাই।

মাইনা : কিয়, কি হ'ল?

জেউতি : তেওঁ দেখোন আমাৰ ঘৰত লাইট-পানীৰ প্ৰব্লেম আছে নেকি তাকেহে সুধিলে।

মাইনা : লাইট-পানীৰ প্ৰব্লেম? মই গম পাইছো। মই পৰ্দাৰ সিপাৰৰ পৰা তোমালোকৰ কথাবোৰ শুনি আছিলো বাইদেউ। মোৰ বোধেৰে তেওঁ লাইট আৰু পানীৰ ইন্সপেক্টৰ বুইছা। সেইকাৰণেই তোমাক লাইট-পানীৰ কথা সুধিছে। ... ভালেই হ'ব দিয়া, তেওঁ আমাৰ ঘৰৰ জোঁৱাই হলে আমাৰ ইয়াত লাইট-পানীৰ কেতিয়াও প্ৰব্লেম নহয়।

জেউতি : ধেৎ তেৰি, মনে মনে থাক এইটো। তেওঁ শুনিলে কি ভাবিব। আৰু তোৰনো এনেকৈ লোকৰ কথা মনে মনে শুনি থাকিবৰ কি দৰকাৰ ? যা, নিজৰ কাম কৰগৈ।

*(মাইনা ভিতৰলৈ যায়। জেউতিয়ে টেবুল চকী ঠিক-ঠাক কৰি থাকে। ইফালে ভিতৰৰ পৰা হাজৰিকা আৰু বিপুল গামোচাৰে মুখ মচি সোমাই আহে। পিছে পিছে উত্তৰাও আহে হাতত তামোৰ বঁটা লৈ। জেউতি লাহে লাহে ভিতৰত সোমায়)*

হাজৰিকা : বহঁা বোপা। খোৱা হ'ল, হেঃ হে- হেঃ লগতে চোৱাও হ'ল ...... এতিয়া খোলাখুলিকৈ কথাখিনি পাতি লওঁ। নহয় জানো?

*(উত্তৰাই তামোলৰ বটা আগবঢ়ায়)*

বিপুল : হয় হয়, কওকচোন।

হাজৰিকা : আমিনো কি কওঁ। প্ৰথমে তোমাৰ পছন্দ অপছনটো জানিলে ভাল আছিল।

বিপুল : *(মুখত তামোল ভৰাই)* মোৰ পছন্দ হৈছে।

হাজৰিকা : *(উৎসাহত)* পছন্দ হৈছে ! হেৰা জেউতিৰ মাক, শুনিলা – এওঁৰ বোলে পছন হৈছে। থেংক ইউ বোপা .... আৰু ভগৱান তোমাকো ধন্যবাদ। ... আৰু মাইনা, তই সেই দুৱাৰৰ আঁৰৰ পৰা কি শুনি আছ, যা ... জেউতিক খবৰটো দেগৈ।

উত্তৰা : (বিপুলৰ মূৰত হাত বুলাই) ঈশ্বৰে তোমাৰ মঙ্গল কৰক বোপা। ..আয়ুষ্মান ভব, তোমাৰ পছন্দ হৈছে যেতিয়া আমাৰ কবলৈ একো নাই।

বিপুল : এতিয়া বাকী কথাবোৰ জানিলে ভাল আছিল।

*(এনেতে বাহিৰত কলিং বেল বাজে)*

হাজৰিকা : কোন? ভিতৰলৈ সোমাই আহক, দুৱাৰ খোলা আছে।

শইকীয়া : *(হাঁহি)* হেঃ হেঃ হেঃ.... নমস্কাৰ, ... এইটো বিমল হাজৰিকাৰ ঘৰ নহয় জানো?

হাজৰিকা : হয়, ময়েই বিমল হাজৰিকা। কওকচোন....

শইকীয়া : *(হাঁহি)* আয়ে দেহি, বিয়ৈ আপুনি ? হেঃ হেঃ হেঃ মই ঠিক ধৰিছো .... আপুনিয়ে মোৰ বিয়ৈ। *(হাজৰিকাক সাৱটি ধৰে)*

হাজৰিকা : হেই হেই ... কি কৰিছে আপুনি? চাওঁ এৰক। কোনহে আপুনি? আপোনাৰ কিবা ভুল হৈছে বুজিছে। মই বিমল হাজৰিকা, কাৰো বিয়ৈ-চিয়ৈ নহয় দেই।

শইকীয়া : *(উত্তৰালৈ চাই)* আৰু আপুনিয়েই বোধহয় মোৰ বিয়নী, নহয় জানো বাৰু?

উত্তৰা : *(থতমত খাই)* এ নাই নাই .... মই .... মই আপোনাৰ একো নহয় দেই।

হাজৰিকা : হেৰি শুনক, আপোনাৰ নিশ্চয় কিবা ভুল হৈছে। চাওঁ বহকচোন, (চকী টানি দি) ইয়াতে বহক। *(শইকীয়া আৰু হাজৰিকা দুয়ো বহে)*। .... হয়, এতিয়া কওকচোন, আপুনি আচলতে কোন আৰু কাক বিচাৰি আহিছে?

শইকীয়া : অ', তাৰ মানে মোক সঁচাই চিনি পোৱা নাই?

হাজৰিকা : কেনেকৈ চিনি পাম? আগে-পিচেতো ক'ৰবাত লগ পোৱা মনত নপৰে। আপুনি নিজৰ পৰিচয়টো দিয়ক আকৌ।

শইকীয়া : *(হাঁহি)* হেঃ হেঃ হেঃ, হয়োতোন। পৰিচয় নিদিলে কেনেকৈ চিনি পাব? মই মানে আপোনাৰ বিয়ৈ- শ্ৰী প্ৰাণেশ্বৰ শইকীয়া।

হাজৰিকা : কি বুলিলে? আপুনিও মোৰ বিয়ৈ? হেৰি, আপুনি কথাই কথাই এনেকৈ বিয়ৈ বিয়ৈ কৰি নাথাকিবচোন। .... ওঁ, এতিয়া কওক প্ৰাণেশ্বৰ শইকীয়া ডাঙৰীয়া, আপুনি কোন আৰু কিয় আহিছে?

শইকীয়া : এহ্ বিয়ৈ বেয়া নাপাব। মই মানে মোৰ মনৰ উছাহতে পৰিচয়টো দিবলৈ থাকিয়েই গ'ল। হেঃ হেঃ হেঃ। কলোঁৱেই, মোৰ নাম শ্ৰী প্ৰাণেশ্বৰ শইকীয়া। আহিছো আপোনাৰ সেই নজফগড়ৰ পৰা।

হাজৰিকা : কি বা সকামত আহিলে?



Scanned by CamScanner

শইকীয়া ঃ সকাম মানে আৰু কি। কিবা বোলেনে .... আমাৰ সমন্ধটো পকা কৰি যাওঁ বুলিয়েই আহিলো।

হাজৰিকা ঃ কি সমন্ধ পকা কৰাৰ কথা ক'লে হে?

শইকীয়া ঃ মিতিৰৰ সমন্ধটো আকৌ।

উত্তৰা ঃ *(হাজৰিকাক)* হে'ৰি, এইবোৰ কি হৈ আছে হে, কি মিতিৰৰ কথা ক'লে এখেতে?

শইকীয়া ঃ *(হাঁহি)* সেইয়া আকৌ, .... দেখিছেনে বাৰু মই আচল কথাটো কোৱাই নাই নহয়। মই মানে আপোনাৰ দিগন্তৰ দেউতাক আকৌ।

উত্তৰা ঃ *(হাজৰিকাক)* হে'ৰি শুনিলেনে আপুনি এখেতে কি ক'লে। এখেত বোলে মোৰ দিগন্তৰ দেউতাক।

হাজৰিকা ঃ হে'ৰি ডাঙৰীয়া, এইবোৰ আপুনি কি আবোল-তাবোল গাই আছেহে? গা-মূৰ ভালে আছেতো? পানী অকণ খাব নেকি, ... পানী?

শইকীয়া ঃ এ হ'ব দিয়কচোন, আহিলো যেতিয়া অলপ জিৰাই শতাই চাহ-জলপানো খায়েই যাম।....... এতিয়া কথাটো এনেকুৱা, .... আচলতে দিগন্তৰ হৈ ময়েই কথা-বাৰ্তা খিনি পাতি যাওঁ বুলি আহিলো।

হাজৰিকা ঃ কোন দিগন্তৰ কথা কৈছে আপুনি? আৰু কিহৰ কথা-বাৰ্তা পাতিব?

শইকীয়া ঃ মোৰ ল'ৰা দিগন্তৰ কথা কৈছো। আজি সি অহাৰ কথা আছিল নহয়। আপোনাক ফোনত কৈছিলতো।

উত্তৰা ঃ দিগন্ত ? সেইজন আকৌ ক'ৰ দিগন্ত ?

হাজৰিকা ঃ হয়, আহিব লগা দিগন্ত দেখোন কেতিয়াবাই আহিল।

শইকীয়া ঃ আহিল মানে? কেনেকৈ আহিবহে? ছোৱালী চাবলৈ তাৰ যিটোহে লাজ। এনেয়েনো মোক জোৰকৈ পঠাই দিয়েনে। সি কেনেকৈ আহিব?

হাজৰিকা ঃ হে'ৰি ডাঙৰীয়া আপোনাৰ কথাবোৰ আমি হলে একো বুজি পোৱা নাই। *(বিপুলক দেখুৱাই)* সেয়া দিগন্ত শইকীয়া দেখোন আপোনাৰ চকুৰ আগতে আছে।

বিপুল ঃ *(আচৰিত হৈ)* মই ? মই আকৌ দিগন্ত শইকীয়া কেতিয়াৰ পৰা হলোঁ। মইতো বিপুল কলিতাহে।

উত্তৰা ঃ হে বিধি, ক'তে মৰো, এতিয়া আকৌ বিপুল কলিতাটো ক'ৰপৰা ওলাল।

শইকীয়া ঃ আপোনালোকো যে আৰু। এওঁ দিগন্ত নহয়। মই মোৰ নিজৰ ল'ৰাটোকো চিনি নাপাম নে? তাতে এওঁ নিজেই কৈছে দেখোন দিগন্ত নহয় বুলি।

হাজৰিকা ঃ হেঁ ? তেনেহলে তুমিনো কোনহে বোপা? তুমি দিগন্ত নহয় যদি, কথা নাই বতৰা নাই আমাৰ ছোৱালীজনীক কেনেকৈ পছন কৰি পেলালা?

বিপুল ঃ কিনো কয়। মই কেতিয়া ছোৱালী পছন কৰিলো?

উত্তৰা ঃ অ, অলপ আগতে দেখোন তুমি আমাৰ জেউতিক পছন হোৱা বুলি মত দিছিলা।

বিপুল ঃ ছোৱালী? জেউতি ?

উত্তৰা ঃ কিয় জেউতিক তুমি পছন কৰা নাই জানো

বিপুল ঃ মইতো ঘৰ পছন হোৱাৰ কথাহে কৈছিলো

হাজৰিকা ঃ ঘৰ?

বিপুল ঃ অঁ, আপোনালোকৰ ঘৰটোৰ এটা পাৰ্ট ভাৰাত দিব বুলি পেপাৰত বিজ্ঞাপন দিয়া নাছিল জানো?

শইকীয়া ঃ হে'ৰি বিয়ৈ, এইবোৰ কি চলি আছেহে। মই হ'লে একো তলা-নলা পোৱা নাই।

হাজৰিকা ঃ এহ্ মনে মনে থাককচোন, অনবৰতে বিয়ৈ বিয়ৈ কৰি আছে কিয়? মই নিজেও একো তৰ্কিব পৰা নাই এইখন কিহৰ নাটক চলিছে।

বিপুল ঃ *(কিবা এটা বুজিব পাৰি)* এ ... ৰ'বচোন ৰ'ব, মই কিবা এটা উমান ধৰিব পাৰিছো। উৰহী গছৰ ওৰটো বিচাৰি পাইছো। ..... এতিয়াহে বুজিছো, সেই কাৰণেই আপোনালোকে মোক খুৱাই-বুৱাই ইমান আদৰ সাদৰ কৰি আছে। পিচে মইতো ইয়ালৈ ছোৱালী চাবলৈ অহা নাছিলো। মই ভাৰাঘৰ বিচাৰিহে আহিছিলো।

উত্তৰা ঃ ভাৰাঘৰ বিচাৰি ? তেনেহলেনো তুমি এতেপৰে কথাটো আমাক কোৱা নাছিলা কিয়? বহিলা, পেটভৰাই খালা আৰু আমাৰ জেউতিৰ লগত অকলে অকলে বহি কথাও পাতিলা।

বিপুল ঃ মোৰ গাত কি দোষ। মোক দেখোন আপোনালোকে কবলৈকে সুবিধা দিয়া নাই। এতিয়া মোক দোষ নিদিব।

হাজৰিকা ঃ *(উত্তৰাক)* হে'ৰা, এওঁ মিছা কোৱা নাই বুইছা। দোষ আচলতে আমাৰহে, আমি নিজৰ চকু-কাণ বন্ধ কৰি এওঁ বিপুলকে দিগন্ত বুলি ধৰি লৈ হেঁচা মাৰি ধৰিলো মৰমতে। ছেহ্ মহা পয়মালখন হল নহয়। এতিয়া কি কৰা যায়।

শইকীয়া ঃ কৰিবলৈ আৰু কিটো আছে বিয়ৈ, .....মোৰ কথা



Scanned by CamScanner

শুনক.... গৰমে গৰমে এওঁক বিদায় দিয়ক।

বিপুল : *(সংকোচ কৰি)* ... হেৰি নহয় দেউতা...... এটা কথা কওঁ .....

হাজৰিকা : হেঁ কি বুলিলা তুমি .... দেউতা?

বিপুল : হয় দেউতা, মানে হে'ৰি ...... বেয়া নাপায় যদি মানে কথা এটা কওঁ....

হাজৰিকা : অ' এতিয়াও ক'বলৈ কিবা বাকী আছেই নেকি? সাপ মাৰি নেগুৰত বিহ থ'ব নেপায়, যি বাকী থাকিল কৈ দিয়া।

বিপুল : মানে হে'ৰি ... মোৰ মানে পছন্দ হৈছে দেউতা।

হাজৰিকা : এহ্ ৰ'বাহে ... পছন্দ হৈছে পছন্দ হৈছে, ... কি পছন্দ হৈছেহে তোমাৰ?

বিপুল : দুয়োটাই দেউতা...

উত্তৰা : কি ? দুয়োটাই মানে?

বিপুল : *(হাতযোৰ কৰি)* মানে হে'ৰি দেউতা .... আৰু মা, ... মই মানে ক'ব খুজিছো যে ঘৰটোতো মোৰ পছন্দ হৈছেই...... লগতে .... হে'ৰি, .... মানে ... আপোনালোকৰ জেউতিকো।

উত্তৰা : কি? জেউতিকো পছন্দ হৈছে ?

হাজৰিকা : হে'ৰা আমি ঠিকেই শুনিছো নে?

শইকীয়া : অ... এয়া আকৌ কি হ'ল, হয়নে বিয়ৈ। এতিয়া মোৰ কি হ'ব। মোৰ ল'ৰা দিগন্ত থাকোঁতে এওঁ কেনেকৈ মোৰ চকুৰ আগতে আপোনাৰ ছোৱালীজনী পছন্দ কৰিব পাৰে।

হাজৰিকা : এহ্ ... ময়ো এতিয়াহে কথাটো টলকিব পাৰিছোঁ এয়া কি হ'ল।

উত্তৰা : হে'ৰি বুজিছে, তেলীয়া সাৰেঙৰ সাজন-কাচনতে গ'ল, ফেঁচু ৰজা হ'ল।

শইকয়া : মানে।

হাজৰিকা : মানে কথাতে কয় নহয় বোলে জন্ম, মৃত্যু, বিবাহৰ ওপৰত কাৰো হাত নাই। এইবোৰ তেৱাইহে মিলায়। বুজিছেনে।

শইকীয়া : বুজিবলৈ আৰু কি বাকী থাকিল। হ'ব দিয়ক, যাৰ কপালত যি আছে। আপুনিয়ে ময়ে বিয়ৈ হ'ব নোৱাৰিলোঁ, কোনো কথা নাই। কিন্তু বান্ধৈতো হ'ব পাৰোঁ।

হাজৰিকা : নিশ্চয়, নিশ্চয় ... মোৰ বান্ধৈ..... *(হাঁহে) (দুয়ো সাবটি ধৰে।*

উত্তৰা : হেৰি, বান্ধৈ বান্ধৈ পিচতো খেলিব, এতিয়া পিছে এওঁক কি এনেকৈ থিয় কৰাই থবনে।

হাজৰিকা : *(বিপুলক টানি)* অ' হয়োতোন, এয়া লোৱা এইটো তোমাৰ জোৱাঁই।

উত্তৰা : জোৱাঁই?

হাজৰিকা : হেঃ হেঃ হেঃ ফ্ৰী হ'ম ডেলিভাৰী, বুইছা একেবাৰে ফ্ৰী হ'ম ডেলীভাৰী। হেঃ হেঃ হেঃ

শইকীয়া : পিছে হে'ৰি নহয় বান্ধৈ, কিবা বোলেনে এতিয়া চাহ মিঠাইৰ ব্যৱস্থা কৰক, মই হলে খালী-পেটে উভতি যোৱা ভকত নহয় দেই।

(সকলোৱে হাঁহে)

(সমাপ্ত)

*(১ অক্টোবৰ, ২০১৭ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ ভৱনৰ প্ৰেক্ষাগৃহত বিয়লি চ'ৰাৰ সাংস্কৃতিক অনুষ্ঠানত মঞ্চস্থ)*



Scanned by CamScanner



# বলিদান

(অনুবাদ গল্প)

ডঃ জয়ন্তীমালা বৰপূজাৰী
ফোন নং- ৯৮৬৮১১৩১০১

মোৰ আজোককা ডাঙৰ জমিদাৰ আছিল। তেখেত কেইবাখনো গাৱঁৰ গৰাকী আছিল। গাওঁবোৰত তেখেতে কেইবাটাও মন্দিৰ সজাই দিছিল। বহুত কুৱাঁ আৰু পুখুৰীও খন্দাইছিল। কেইবামাইল জোৰা এক বিশাল এলেকাত তেখেতৰ ৰাজত্ব চলিছিল। বীৰতা আৰু সাহসৰ বাবেও তেখেত বিখ্যাত আছিল। এবাৰ তেখেত লাট চাহাবৰ লগত গভীৰ অৰণ্যত চিকাৰ কৰিবলৈ গৈছিল। হঠাতে পিচফালৰ পৰা এটা নৰখাদক বাঘ 'লাট চাহাব'ৰ ওপৰত জঁপিয়াই পৰিল। আজোককাই অকলেই বাঘৰ লগত মল্লযুদ্ধ কৰি লাট চাহাবক বাঘৰ আক্ৰমণৰ পৰা বচালে। বাঘৰ লগত হোৱা দৰৰাদৰৰিত বাৰুকৈয়ে জখমী হৈছিল যদিও নিজৰ আঘাটলৈ কেৰেপ নকৰি আজোককাই বাঘৰ মুখত হাত ভৰাই তাৰ কোৰাৰি ফালি বাঘটো বধ কৰিছিল। আজোককাৰ বীৰত্বত সন্তুষ্ট হৈ ইংৰাজ বাহাদুৰে জীৱন বচোৱাৰ প্ৰতিদান স্বৰূপে তেখেতক 'ৰায়বাহাদুৰ' খিতাপ দিছিল।

যি কি নহওক, আজি মই ক'ব খোজা কথাটোৰ লগত এইবোৰ কথাৰ অৱশ্যে কোনো পোনপতীয়া সম্পৰ্ক নাই। আমাৰ গাওঁ চৈনপুৰৰ কাষতে ধৰহৰৰা নামৰ আৰু এখন গাওঁ আছিল। সেই গাওঁখনত বছৰত এবাৰ এখন ডাঙৰ মেলা বহিছিল। গোটেই বছৰ জুৰি আমাৰ গাৱঁকে ধৰি ওচৰৰ সকলো গাৱঁৰ মানুহে মেলাখনৰ বাবে আগ্ৰহেৰে অপেক্ষা কৰিছিল। মেলাৰ দিনা পুৱাই গা-পা ধুই, খাই-বৈ আজৰি হৈ সকলো ওলাই গৈছিল। আমাৰ গাৱঁৰ কোনোবা মেলালৈ যাব নোৱাৰিলে তাক সকলোৱে দুৰ্ভগীয়া বুলিহে ভাবিছিল। চৈনপুৰ আৰু ধৰহৰৰাৰ মাজেৰে ভৈৰৱী নদী বৈ গৈছিল। গোটেই বছৰটো নৈখন শুকাই ফিটা এডালৰ নিচিনা পাতল সুঁতি এটা যেন হৈ থাকিছিল। কিন্তু বাৰিষা বতৰত একেখন নৈয়েই কেতিয়াবা ভয়াৱহ ৰূপ ধাৰণ কৰিছিল। তেতিয়া আন সৰু-বৰ অনেক খাল-বিলৰ পানীও আহি তাত মিলিছিলহি। এনে ভৰ বাৰিষা ভৈৰৱী নদীখন যেন সকলো গোগ্ৰাসে গিলি পেলাবলৈ আতুৰ হৈ থাকিছিল। আজিৰ কাহিনী এনে ভীষণ বাৰিষাৰ দিনত ভৈৰৱী নদীত উঠা প্ৰলয়ঙ্কৰী বানৰ লগতে জড়িত।

সেই সময়ত মোৰ ককা আজোআইতাৰ গৰ্ভত আছিল। ধৰহৰৰা গাৱঁত মেলা বহাৰ সময় হ'লত আজোককাক আজোআইতাই সেইবাৰ তেখেতৰো মেলালৈ যোৱাৰ ইচ্ছা প্ৰকাশৰ কথা ক'লে। কথাটো শুনি তেনে অৱস্থাত আজোআইতাৰ সিপাৰলৈ নিয়াৰ কথা চিন্তা কৰি আজোককা বিপদত পৰিল।

চৈনপুৰত দূৰ দূৰণিলৈকে আজোককাৰ কথা শিলৰ ৰেখা আছিল। তেখেতে আজোআইতাক বৰ ভাল পাইছিল আৰু শৰীৰৰ তেনে অৱস্থাত মেলা চাবলৈ যোৱাটো উচিত নহ'ব বুলি বুজাবলৈ চেষ্টা কৰিলে। আজোআইতাক কিন্তু বুজাব নোৱাৰিলে। তেখেতে নিজৰ জিদ নেৰিলে। আজোককা বৰ জ্ঞানীও আছিল। তেখেতে কেইবাটাও ভাষা জানিছিল। কিন্তু আজোআইতাৰ জিদৰ সন্মুখত তেখেতৰ সকলো জ্ঞান ফুটুকাৰ ফেন হ'ল। কোনো ভাষাতেই আইতাক বুজাব পৰা নগ'ল। আজোআইতাক দেখিয়েই হওক, বা তেখেতৰ উচটনিতে হওক, পৰিয়ালৰ আন তিৰোতাসকলেও মেলালৈ যাবলৈ জিদ ধৰিলে। উপায় নাপাই আজোককাকে ধৰি পৰিয়ালৰ আন সকলো পুৰুষে আজোআইতাহঁতৰ কথা মানি ল'ব লগা হ'ল।

সেইবোৰ বহুত দিনৰ আগৰ কথা। জমিদাৰৰ ঘৰৰ জীয়ৰী-বোৱাৰী যেনে-তেনে বাহিৰলৈ ওলাব নোৱাৰে। তেওঁলোকৰ কাৰণে দোলা অনোৱা হ'ল। ভৈৰৱী নদীৰ এইপাৰে এখন ডাঙৰ নাৱৰ ব্যৱস্থা কৰা হ'ল। কিন্তু সেইদিনা ৰাতিপুৱা নদীত ক'ৰ পৰা যে ইমান পানী আহিছিল! নদী বহল, গভীৰ আৰু খৰস্ৰোতা হৈ পৰিছিল। বানপানীৰ নিচিনা পৰিস্থিতিৰ ফলত ভৈৰৱী নদীয়ে বিপদজনক ৰূপ ধাৰণ কৰিছিল। কিন্তু মেলাওতো বছৰত এবাৰহে হৈছিল! অৱশেষত, ঘৰৰ সকলো মানুহ লগুৱা-লিকচৌ, দোলা, দোলাভাৰী আদি লগত লৈ সজাই-পৰাই থোৱা ডাঙৰ নাওখনত উঠিলগৈ। ভগৱানৰ নাম লৈ যাত্ৰা আৰম্ভ কৰি লাহে লাহে নাও গৈ নদীৰ ইটো পাৰ পালেগৈ। নাৱৰ পৰা নামি সকলো ধৰহৰৰা গাৱঁৰ মেলা চাবলৈ আগ বাঢ়ি গ'ল।

মেলাৰ জাক-জমক চকুত চমক লগোৱা আছিল। কেউফালে হুলস্থুলীয়া পৰিৱেশ। বিভিন্ন ধৰণৰ খেল-ধেমালি চলি আছিল। এফালে যদি নট-নটীয়ে অঙ্গী-ভঙ্গী কৰি নৃত্য প্ৰদৰ্শন কৰি দৰ্শকক আমোদ দিছে, আনফালে গৰু, ম'হ, হাতী, ঘোঁৰাৰ জাকৰ মাজত ক্ৰেতা-বিক্ৰেতাৰ ভিৰ। আন আন ঠাইৰ জমিদাৰসকলো মেলালৈ আহিছিল। ঢাকাৰ মলমল, কনৌজৰ আতৰ, বেৰিলিৰ কাজল,

Scanned by CamScanner

ফিৰোজাবাদৰ চুৰি, আদি প্ৰত্যেক ঠাইৰে প্ৰসিদ্ধ বস্তুৰ দোকান বহিছিল।

বেলি পাটত বহিবলৈ ল'লত মেলাৰ ভিৰো কমি আহিল। আন্ধাৰ হোৱাৰ আগতেই নিজৰ বেহা সামৰি ঘৰা-ঘৰি যাবলৈ বেপাৰীবোৰে খৰ-খেদা লগাইছিল। আজোককাই এটা আৰবী ঘোঁৰা কিনিলে। পৰিয়ালৰ আন সকলোৱে তেওঁলোকৰ পছন্দ অনুসৰি সৰু-ডাঙৰ বহুত বস্তু কিনিলে। তিনিজন ভাই-ককাইৰ ভিতৰত মোৰ আজোককা সকলোতকৈ ডাঙৰ আছিল। সন্ধিয়া হৈ আহিছিল। সকলো গৈ সেই ডাঙৰ নাওখনত উঠিবলৈ সাজু হ'ল। নদীত পানী ওফন্দি উঠিছিল। অৱস্থা আগতকৈও বেয়া হৈ আহিছিল। এইপাৰৰ পৰা নদীৰ সিটো পাৰৰ কোনো চিন-মোকাম দেখা যোৱা নাছিল। নাৱৰীয়াইঁতে আজোককাক কাকূতি কৰি ক'লে যে এনে অৱস্থাত নাও বাই নদী পাৰ হ'বলৈ চেষ্টা কৰাটো অতি বিপদজনক কথা হ'ব। কিন্তু, আজোককাৰ আদেশৰ আগত তেওঁলোকৰ যুক্তিৰ ঠাই ক'ত? সকলো গৈ সেই জকমকীয়া নাওখনত উঠিলগৈ। আজোককাৰ নতুন আৰবী ঘোঁৰাটোকো নাৱত উঠোৱা হ'ল। পৰিয়ালৰ সকলো পুৰুষ-মিহলা, লগুৱা-লিকচৌ, দোলা, দোলাভাৰীৰে সৈতে নাও ওভতনি যাত্ৰাৰ বাবে সাজু হ'ল।

ইতিমধ্যে নদীখনে যেন এজনী ৰাক্ষসীৰ দৰে দুই কোৱাৰি ডাঙৰকৈ খুলি মুখ মেলিহে আছিল। ওফন্দি থকা নৈখনত নাওখন এখন কাগজৰ নাৱৰ দৰে টলবলাই আছিল। মাজপানী পোৱাৰ পিচত এফালে হাউলি গৈ নাওখন ডুবিবলৈ ধৰিলে। মাইকী মানুহবোৰে ভয়তে কান্দিবলৈ ধৰিলে। নাৱৰীয়াই চিঞৰি ক'লে নাৱত ওজন বহুত বেছি হৈছে আৰু কিছু বস্তু পানীত পেলাই দিলেহে নাও-মানুহ বচাব পৰা যাব। আজোককাই বস্তুভৰ্তি বস্তা কেইটামান নদীত পেলাই দিয়ালে। নাওখনে কিছু ভাৰসাম্য ঘূৰাই পালে। কিন্তু বানৰ প্ৰচণ্ড সোঁতত নাৱে আকৌ টুলুং ভুটুং কৰিবলৈ ধৰিলে। নাওখন আকৌ এফালে হালি গ'ল। যাত্ৰীসকলৰ মাজত আকৌ কান্দোন-কাটোন আৰম্ভ হ'ল। ওজন কমাবলৈ আকৌ বস্তু পানীত পেলোৱা হ'ল। কিন্তু নাওখনো যেন নাচোৰবান্দা; পানীৰ ওপৰত সমান্তৰাল হৈ চলি থকাৰ পৰিৱৰ্তে ক্ৰমশ: এফালে হালিহে গ'ল। নাৱৰীয়াবোৰেও ওজন আৰু কম কৰিব লাগে বুলি চিঞৰি থাকিল।

আজোককাই এইবাৰ আন উপায় নাই যেন দেখি মন ডাঠ কৰি আগ্ৰহেৰে কিনি অনা মৰমৰ আৰবী ঘোঁৰাটোকে ভৈৰৱী নদীৰ বাঢ়ি অহা পানীত বিসৰ্জন দিলে। তেখেতক দেখি এনে লাগিছিল যেন নিজৰ আগমঙহটুকুৰাহে নদীমাতৃক সমৰ্পণ কৰিলে। আকৌ নাওখন একো অপায়-অমঙ্গল নোহোৱাকৈ কিছু দূৰ আগুৱাই গ'ল। কিন্তু কিছু দূৰহে। নাওখন আকৌ হেন্দুলিবলৈ ধৰিলে। উতলি থকা পানীত থাউনি নোপোৱা পাত এখিলাৰ দৰে নদীত উঠা প্ৰচণ্ড ঢৌত আজোককাৰ নাওখনেও থাউনি হেৰুৱাই পেলাইছিল। চাৰিওফালৰ পৰা বতাহ আৰু পানীৰ খুন্দা খাই হোৱা নাৱৰ জোকাৰণিত আজোআইতাৰ গা বেয়া লাগিবলৈ ধৰিলে। আকৌ এবাৰ ভয় লগাকৈ জোকাৰ খাই উঠিলত নাৱৰীয়াবোৰে আকৌ চিঞৰ-বাখৰ লগালে। এইবাৰ ভালকৈ সাঁতুৰিব জনা কেইজনমান লগুৱা আৰু দোলাভাৰীয়ে আজোককাৰ হাকবচন আওকাণ কৰি খৰস্ৰোতা নদীখনত জঁপিয়াই পৰি নাৱৰ ওজন কমাবলৈ চেষ্টা কৰিলে। অনবৰতে ওফন্দি থকা পানীত নাওখন এডাল খেৰকুটাৰ দৰে উটি গৈছিল। পৰিস্থিতি নাৱৰীয়াসকলৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ আহিছিল।

শেষলৈ নাৱত কেৱল চাৰিজন নাৱৰীয়া, পৰিয়ালৰ সদস্যসকল আৰু কেইগৰাকীমান লিগিৰী বাকী আছিলগৈ। সেইদিনা নদীত যেন সকলোৰে জলসমাধিহে হ'ব! সকলোৰে ধমনীত প্ৰলয়ৰ হুঙ্কাৰ। মগজুত ভোমোৰাৰ ভোঁ-ভোঁৱনি, আৰু উশাহত বা-মাৰলিৰ হুৰ্হৰণি। আজোককা কিংকৰ্তব্যবিমূঢ় হৈ পৰিছিল। তেখেতৰ চিন্তাশক্তিত যেন গ্ৰহণ লাগিছিল। নাৱৰীয়াকেইজনৰ চিঞৰ-বাখৰ আকৌ আৰম্ভ হ'ল।

আজোককা, মাজু-আজোককা আৰু সৰু-আজোককা তিনিওজনে খুব ভালকৈ সাঁতুৰিব জানিছিল। কিন্তু শান্ত পুখুৰী আৰু প্ৰলয়ঙ্কৰী বানত ওফন্দি থকা খৰস্ৰোতা নদীত সাঁতোৰা একে কথা নাছিল। আকৌ কিবা এটা সিদ্ধান্ত লোৱাৰ সময় আহিল। কোনোবাই ক'লে লিগিৰীবোৰকে ঠেলি পেলাই দিয়া যাওক। কিন্তু তিনিওজন আজোককাই এনে এটা অদ্ভুত প্ৰস্তাৱ দিয়াজনকহে ওলোটাই ধমক দিলে। তাৰ পিচত প্ৰথমতে সৰু-আজোককা, আৰু পিচত মাজু-আজোককা দুয়ো আজোককাক সাৱটি ধৰি তেখেতৰ পৰা বিদায় লৈ নদীত জঁপিয়াই পৰিল। তেখেতসকলে আজোককাৰ কোনো বাধা নামানিলে। নাৱত থকা তিৰোতাবোৰৰ মাজত হুৱা-দুৱা লাগিল। পিচে তেখেতসকলৰ এই আত্মবিসৰ্জনৰ ফলত নাওখনে পুনৰ অলপ থিতাপি ল'লে।

ৰিণিকি ৰিণিকি সিটো পাৰ চকুত পৰিছিল। এইবাৰ নাও পাৰত উঠিব পাৰিব বুলি সকলোৰে চকুৱে-মুখে আশাৰ ৰেঙণি ফুটি উঠিল। তেনেতে অতি বেগত অহা আন এসোঁতা পানীয়ে নাওখনত প্ৰচণ্ড খুন্দা মাৰি জোকাৰি দিলে। সেই ভয়ানক খুন্দাত দুজন নাৱৰীয়া কৰ্ফাল খাই পানীত উফৰি পৰি মুহূৰ্ততে দূৰলৈ উটি গ'ল। নাওখন ঠেক নাইকিয়া নিচিনা হ'ল। বাকী থকা দুজন নাৱৰীয়াই পাৰে মানে চেষ্টা কৰিও নাওখন কাবু কৰিব পৰা নাছিল। তেওঁলোকে সমানে চিঞৰি আছিল। পাৰ পাবলৈ আৰু বেছি দূৰ নাছিল। পিচে, হ'লে কি হ'ব? নাওখন নিৰন্তৰ এফালে বেছিকৈ হালি গৈছিল। যি কোনো মুহূৰ্ততে ডুবি যোৱাৰ আশংকা আছিল।

আকৌ এবাৰ নাৱৰ ভিতৰত মাইকীমানুহবোৰে আৰু বাহিৰত নাৱৰীয়াই চিঞৰি তালফাল লগালে। আৰু সেই মুহূৰ্ততে

আজোককাই আকাশলৈ চাই বোধহয় কুলদেৱতাক স্মৰণ কৰিলে আৰু নদীত জাঁপ দিলে। নাৱত মাইকীমানুহবোৰে বিলাপ কৰি কান্দিবলৈ ধৰিলে।

এফালৰ পৰা প্ৰায় ডুবি যাব খোজা নাওখন আজোককাই নদীত জাঁপ মৰাৰ পিচতে অলপ পোন হ'ল। নাৱৰ ভিতৰত মাইকী মানুহৰ কান্দোন আৰু বাহিৰত ভৈৰৱী নদীৰ বাঢ়নি পানীৰ সোঁতৰগৰ্জনৰ মাজতে নাৱৰীয়া দুজনে কোনোমতে নি নাওখন পাৰত বান্ধিলেগৈ।

আজোককা আৰু পাৰ নাপালেহি। মাজু-আজোককা আৰু সৰু-আজোককাৰো কোনো সন্ধান পোৱা নগ'ল। সেই কালসন্ধিয়া নদীত জাঁপ দিয়া আটাইবোৰ মানুহ ভৈৰৱীৰ তাণ্ডৱত গোটে-গোটে জাহ গ'ল। নদীৰ তীব্ৰ সোঁতে সকলোকে চিন-চাব নোহোৱাকৈ উটাই নিলে।

তিনিওজন আজোককা আৰু অন্যান্য লোকসকলৰ বলিদান অৱশ্যে অথলে নগ'ল। বানপানী আৰু মৃত্যুৰ বিভীষিকাময় দুখৰ মাজতে সেই ৰাতি আজোআইতাই মোৰ ককাক জন্ম দিলে। বহুত বছৰ পিচত স্বাধীন ভাৰতৰ চৰকাৰে স্বাধীনতা সংগ্ৰামত তেখেতৰ অৱদানৰ বাবে ককাক স্বাধীনতা সংগ্ৰামী খিতাপ দি তাম্ৰপত্ৰ আৰু শ্বলেৰে সম্বৰ্দ্ধনা জনাইছিল।

এই ঘটনাৰ লগত সম্পৰ্ক থকা আচল কথাটো পিচে কোৱাই হোৱা নাই। বানপানীৰ ভয়াৱহ তাণ্ডৱৰ সেই দুঃখদায়ক ঘটনাটোৰ পিচত যোৱা নৱৈ বছৰত ভৈৰৱী নদীত আজিলৈকে আৰু কোনো ডুবি মৰা নাই। অঞ্চলটোৰ মানুহে কয় কোনোবা মানুহ নদীত পৰিলে ডুবাৰ পৰা বচাবৰ কাৰণে পানীৰ পৰা কেইবাযোৰা হাত ওলাই ডুবিবলৈ ধৰা ব্যক্তিজনক তুলি ধৰি সুকলমে নদীৰ পাৰ পোৱাই দিয়ে। মানুহে বিশ্বাস কৰে, সেই কালসন্ধ্যা ভৈৰৱী নদীত আজোককা, মাজু-আজোককা, সৰু-আজোককা আৰু লগুৱা পৰিচাৰকৰ বলিদানৰ পিচত তেওঁলোকৰ অশৰীৰি আত্মাই সদায় ডুবিবলৈ ধৰা মানুহৰ ৰক্ষা কৱচ হিচাবে কাম কৰি আহিছে॥

*(হিন্দী ভাষা-সাহিত্যত বিভিন্ন পুৰষ্কাৰ আৰু সন্মানেৰে সমাদৃত কথা- সাহিত্যিক, কবি সুশান্ত সুপ্ৰিয়ৰ মূল হিন্দী গল্প "বলিদান"ৰ অসমীয়া ৰূপান্তৰ।)*


**Indian Institute of Entrepreneurship**

(An organization of the Ministry of Micro, Small and Medium Enterprises, Govt. of India)

An ISO 9001:2008 Certified Institute

**BASISTHA CHARIALI, LALMATI, GUWAHATI - 781029, ASSAM Tel: 0361-2302646, 2300994, 2300123, 2300840 Tele Fax: 0361-2300325/2305394, Website: iie.nic.in Email- iieindia1@bsnl.in**

Institute of Entrepreneurship (IIE) was established in the year 1993 in Guwahati by the erstwhile Ministry of Industry (now the Ministry of Micro, Small and Medium Enterprises), Government of India as an autonomous national institute.

The major activities of the institute include:

(i) Training
(ii) Research and
(iii) Consultancy activities in small and micro enterprises focusing on entrepreneurship development

The Institute's activities are focused on

(i) Areas of stimulating, supporting and sustaining entrepreneurship development
(ii) Plays a supportive role by helping organizations which are directly or indirectly engaged in developing and promoting entrepreneurship and self-employment in the country.
(iii) Engaged in creating an environment conducive to the development of entrepreneurship and in creating a favourable attitude amongst the target audience who opt for an entrepreneurial career.

IIE aims to be the leading provider of **quality professional development programmes, research and information services in the field of entrepreneurship motivation, entrepreneurship development and enterprise management.**

With the quality objectives to:

- Maximize Customers satisfaction
- Introduce new products and services in view of the emerging needs of the government, sponsors and society
- Continually improve the products and services offered
- Continually improve the processes, quality management system and organizational productivity

IIE commits to

- Understand and fulfill the customers' need and as well as exceeding their expectations
- Understand and master new theories and methods of entrepreneurship motivation, entrepreneurship development and enterprise management in order to continually improve upon our products and services.
- Continually improve our processes, quality management system and organizational productivity through active participation of all members of IIE, customers and suppliers.




Scanned by CamScanner



# দিল্লীত বাঢ়ি অহা অসমীয়া অনুষ্ঠানসমূহ

*ডাঃ নীলমণি শৰ্মা*

*ফোন নং- ৯৮১০৫৯৪৩৫৮*

প্ৰাক স্বাধীনতাৰ সময়ছোৱাত কলিকতাৰ এ.এছ.এল ক্লাবৰ বাদে অসমৰ বাহিৰত কোনো অনুষ্ঠান অসমীয়া ৰাইজে পাতিছিল বুলি জনা নাযায়। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পছত দিল্লীলৈ অসমীয়া ৰইজৰ প্ৰব্ৰজন বাঢ়ি অহাটো এটা স্বাভাৱিক প্ৰক্ৰিয়া যদিও সেইসময়ত মাত্ৰ আঙুলিৰ মূৰত লিখিব পৰা কেইজনমানহে আছিল বুলি জনা গৈছিল। সুখৰ বিষয় যে সেই মুষ্টিমেয় অসমীয়া কেইজনেই "অসম সংঘ" নাম দি অসমীয়া ৰাইজৰ বাবে নিজাববীয়াকৈ এটা অনুষ্ঠানৰ জন্ম দিয়ে। সেইসময়ত ভাৰত চৰকাৰৰ প্ৰেছ, আকাশবাণীৰ চাকৰিয়াল কেইজনমান আৰু "পুছা ইনষ্টিটিউটৰ" ছাত্ৰ আৰু সাংসদ কেইজনৰ বাবে অন্য অসমীয়া ব্যক্তি দিল্লীত নাছিল। লহে লাহে অসম হউচ, অসম ভৱন আদি স্থাপন হ'ল। পঢ়া-শুনা কৰাৰ উদ্দেশ্যৰে দিল্লী বিশ্ববিদ্যালয়ৰ উপৰিও বিভিন্ন শিক্ষা অনুষ্ঠানলৈ যেনে জৱাহৰলাল নেহৰু ইউনিভাৰচিটি, দিল্লী ইঞ্জিনীয়াৰিং কলেজ "এইমছ্" আদিলৈ ছাত্ৰ-ছাত্ৰী আহিল। কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগত, বেপাৰ-বাণিজ্য আদি তথা বহু বেচৰকাৰী অনুষ্ঠানত চাকৰিৰ সুবিধা লভ কৰি অসমীয়া ৰাইজ দিল্লীত থিতাপি লয়। ১৯৪৭ চনত আৰম্ভ হোৱা অসম সংঘৰ লাহে লাহে পৰিসৰ বাঢ়ি আহিবলৈ ধৰে। সেই সময়ত দিল্লী নিবাসী অসমীয়াসকলে অসমৰ পৰা প্ৰতিনিধিত্ব কৰা সাংসদসকলৰ বাসগৃহতে গোট খাই ভোগালী বিহু, ৰঙালী বিহু আদি উদ্‌যাপন কৰিছিল। অসম হাউচ প্ৰতিষ্ঠা হোৱাৰ পাছত তেখেতসকলৰ যথেষ্ট সুবিধা হৈছিল মেল, মিটিং আদি পতাৰ ক্ষেত্ৰত। ১৯৬৭ চনৰ ১৭ আগষ্টত অনুষ্ঠানটিৰ ৰেজিষ্ট্ৰেচন কৰোৱা হয় আৰু "অসম সংঘৰ" ঠাইত "অসম এছোচিয়েচন দিল্লী" নামেৰে নামাকৰণ কৰোৱা হয়। দিল্লীৰ সমূহ অসমীয়াক একত্ৰিত কৰি অসমৰ কলা সংস্কৃতি নতুন প্ৰজন্মৰ মাজত প্ৰসাৰিত কৰাৰ উপৰিও অনা অসমীয়া লোকসকলক অসমীয়া কৃষ্টিৰ আভাস দিয়াটোৱেই এই অসম এছোচিয়েচনৰ প্ৰধান উদ্দেশ্য আছিল। ১৯৭৫ চনত অসম এছোচিয়েচনে ৰূপালী জয়ন্তী অতি ধুমধামেৰে পালন কৰিছিল আৰু তেতিয়াৰ পৰাই দিল্লীত এটুকুৰা মাটি লৈ তাত এটা ভৱন নিৰ্মাণৰ পৰিকল্পনা কৰি চৰকাৰৰ লগত যোগাযোগ আৰম্ভ কৰিছিল। বহু চেষ্টাৰ মূৰতো অসম এছোচিয়েচনৰ নামত মাটিৰ আবণ্টন হোৱা নাছিল। সৌভাগ্যক্ৰমে ১৯৮৯ চনত বৰ্তমানৰ মাটি টুকুৰা দিল্লী বিকাশ প্ৰাধিকৰণৰ পৰা ক্ৰয় কৰাৰ সুযোগ পোৱা হয় আৰু অসমীয়া ৰাইজৰ বহু দিনৰ অভাৱ পূৰণ কৰি উক্ত মাটিত শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ নিৰ্মাণ কৰোৱা হয়। বৰ্তমান ৭০ বছৰ হোৱা অসম এছোচিয়েন, দিল্লীয়ে ১৯৯৮ চনত ইয়াৰ সোণালী জয়ন্তী আৰু ২০০৮ চনত হীৰক জয়ন্তী পালন কৰিছে।

প্ৰথম অৱস্থাত দিল্লীত স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱা অসমীয়া মানুহৰ সংখ্যা ১০ঘৰমান আছিল যদিও বৰ্তমান এই সংখ্যা দুহেজাৰৰ বেছি হ'ব বুলি অনুমান কৰিব পৰা যায়। এতিয়া অসমীয়া ৰাইজ ৰাষ্ট্ৰীয় ৰাজধানীৰ বিভিন্ন এলেকাত বসবাস কৰি আছে অৱশ্যে ছাত্ৰ-ছাত্ৰী আৰু সৰু-সুবা চাকৰি কৰি অস্থায়ী ভাৱে থকা ৰাইজৰ সংখ্যা স্থায়ী বাসিন্দাতকৈ অনেক গুণে বেছি। আনহাতে অসমীয়া মানুহৰ বেছি সংখ্যকেই চাকৰি, ৰাজনীতি বা বেপাৰ-বানিজ্যৰ বাবে দিল্লীলৈ অহাৰ পাছত স্থায়ীভাৱে বসবাস নকৰি নিজৰ ঠাইলৈ ঘূৰি যোৱাৰহে পোষকতা কৰা দেখা যায়।

আশীৰ দশকত অসম এছোচিয়েচনৰ বাদেও আৰু কেইটামান অনুষ্ঠান গঢ় লৈ উঠিছিল। সেই অনুষ্ঠানসমূহৰ ভিতৰত "উৰুলি"য়েই প্ৰধান।

উৰুলিঃ- অসমীয়া মহিলাৰ অনুষ্ঠান "উৰুলি"য়ে ১৯৮০ চনত গঠন হোৱাৰ পাছৰে পৰা অতি সক্ৰিয়ভাৱে প্ৰতিবছৰে বিভিন্ন সাংস্কৃতিক সন্ধিয়া, নাটক, চিনেমা প্ৰদৰ্শন আদিৰ আয়োজন কৰি আহিছে। সামাজিক কামৰ ভিতৰত অসম তথা ভাৰতৰ বিভিন্ন ঠাইত হোৱা প্ৰাকৃতিক দুৰ্যোগ, বানপানী, ভূমিকম্প, বা-মাৰলী আদিত ক্ষতিগ্ৰস্ত হোৱা লোকলৈ সাহায্য আগবঢ়োৱাৰ কামৰ বাদেও ৰাহি হোৱা ধনৰ কিছু অংশ অসমৰ মুখ্যমন্ত্ৰী সাহায্য পুঁজি, প্ৰধানমন্ত্ৰীৰ সাহায্য পুঁজি আদিলৈ দান বৰঙণিৰূপে আগবঢ়াই আহিছে। উৰুলিৰ সদস্যা আৰু পৰিয়ালৰ মনোৰঞ্জনৰ বাবে বনভোজ ভোগালী মেলা, ৰন্ধন প্ৰক্ৰিয়াৰ প্ৰতিযোগিতা খেল ধেমালি আদিৰ আয়োজন কৰা দেখা গৈছে।

কীৰ্ত্তন সংঘঃ- অসম চাৰকাৰৰ অধীনত চাকৰি কৰা কৰ্মচাৰীৰ



Scanned by CamScanner

সকলৰ দ্বাৰা গঠিত "কীৰ্ত্তন সংঘ"ই আশীৰ দশকৰ পৰাই অতি সক্ৰিয়ভাৱে অসমীয়া উৎসৱসমূহ সুন্দৰকৈ পালন কৰি আহিছে. এই সংঘত ৬০-৭০ জনমান সদস্য আছে যদিও প্ৰায় ৩০০/৪০০ জনমান আলহীক নিমন্ত্ৰণ জনাই মাঘী পূৰ্ণিমা, ৰঙালী বিহু, শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ, জন্মাষ্টমী আদিত সুন্দৰকৈ নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰি অসমীয়া খাদ্য পৰিৱেশনেৰে আলহীক আপ্যায়িত কৰি আহিছে। কীৰ্ত্তন সংঘৰ সদস্যসকলে ৰাইজৰ নিমন্ত্ৰণ ৰক্ষা কৰি ঘৰুৱাভাৱে বা সামাজিকভাৱে পতা নামকীৰ্তনত ভাগ লৈ অসমীয়া পৰম্পৰা আৰু সংস্কৃতি ৰক্ষা কৰাত সহায় কৰি আহিছে।

আছাদ আৰু লুইতপৰীয়াঃ—দিল্লীত পঢ়ি থকা ছাত্ৰসকলৰ এই দুয়োটা অনুষ্ঠান আশী আৰু নব্বৈ দশকত অতি সক্ৰিয় আছিল যদিও বৰ্তমান বন্ধ হৈ যোৱাৰ খবৰ পোৱা গৈছে।

অসমীয়া কৃষ্টিকেন্দ্ৰ, দ্বাৰকাঃ—দ্বাৰকা আৰু ইয়াৰ আশে পাশে বসবাস কৰি থকা অসমীয়া পৰিয়ালসমূহৰ অনুষ্ঠান "অসমীয়া কৃষ্টি কেন্দ্ৰ" ২০০৪ চনৰ ১৬ অক্টোবৰত প্ৰাহজ্যোতিষপুৰ ছোছাইটিত গঠন হয় আৰু ইয়াৰ পঞ্জীকৰণো কৰোৱা হয়। অসমীয়া জাতীয় উৎসৱ সমূহ যেনে ভোগালী বিহু, ৰঙালী বিহু পালন কৰাৰ উপৰিও শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ প্ৰতিবছৰে পালন কৰি অহা হৈছে। সংঘই নিজাববীয়াকৈ এটুকুৰা মাটি ক্ৰয় কৰি তাত এটা নামঘৰ সজোৱাৰ প্ৰয়াস কৰি আছে যদিও এতিয়ালৈকে সফলতা অৰ্জন কৰিব পৰা নাই। বৰ্তমান অৱস্থাত প্ৰায় ২৫০টা মান পৰিয়ালে সদস্যতা লৈছে আৰু সদস্যসকলৰ নাম ঠিকনাৰ ডাইৰেক্টৰী "পৰিচয়" মাজে সময়ে প্ৰকাশ পাই আহিছে।

অসম ট্ৰাইবেল সেৱা সমিতিঃ—এই অনুষ্ঠানটি ১৯৮০ চনতে গঠন হৈছিল আৰু প্ৰতিবছৰে মাঘ বিহুৰ আয়োজন কৰি আহিছিল। দিল্লী নিবাসী বড়োসকলকে ধৰি অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোকে ইয়াৰ সদস্যতা লৈছিল যদিও লাহে লাহে সদস্যৰ সংখ্যা কমি অহাটো পৰিলক্ষিত হৈছে। এই অনুষ্ঠানৰে অংশ হিচাপে দিল্লীৰ মিচিং সম্প্ৰদায়ৰ লোকসকলে আজি কিছু বছৰৰ পৰা "দিল্লী মিচিং কেবাং" নামৰ সংস্থা গঠন কৰি 'আলি আই লৃগাং' উৎসৱটি অতি ধুম ধামেৰে পালন কৰি আহিছে।

দিল্লী বড়ো এছোচিয়েচনঃ—১৯৮৮ চনত দিল্লীৰ পশ্চিম বিহাৰ অঞ্চলত থকা অফিচৰ পৰাই বড়ো সম্প্ৰদায়ৰ লোক সকলে এছোচিয়েচন গঠন কৰি মাঘ বিহু পালনৰ উপৰিও সাহিত্য আলোচনা, সাংস্কৃতিক সন্ধিয়া, চেমিনাৰ আদি নিয়মীয়াকৈ পাতি আহিছে। বড়ো সম্প্ৰদায়ৰ প্ৰায়বোৰ ৰাইজেই দিল্লীৰ অসম এছোচিয়েচনৰ দ্বাৰা আয়োজিত অনুষ্ঠানসমূহত অংশগ্ৰহণ কৰি আহিছে।

অসম সাহিত্য সভাৰ দিল্লী শাখাঃ— অসমীয়া ভাষা সাহিত্যৰ চৰ্চাৰ উদ্দেশ্যৰে ১৯৯৫ চনৰ ১৫ ডিচেম্বৰ তাৰিখে তেতিয়াৰ অসম সাহিত্য সভাৰ মাননীয় সভাপতি হিতেশ ডেকাৰ উপস্থিতিত অসম ভৱনৰ চৌহদত মামনি ৰায়চম গোস্বামীক সভানেত্ৰীৰূপে লৈ দিল্লী শাখাৰ গঠন হয়। তেতিয়াৰ পৰাই অসম সাহিত্য সভাৰ লগত যোগাযোগ ৰাখি দিল্লীতো মেল, মিটিং, সাহিত্য, আলোচনা, কিতাপ উন্মোচন আদিৰ আয়োজন কৰি অহা হৈছে। শেহতীয়াভাৱে যোৱা নৱেম্বৰ মাহত মামণি ৰয়চম গোস্বামীৰ স্মৃতিত অসম সাহিত্য সভাৰ বঁটা বিতৰণি অনুষ্ঠান আৰু মূল সভাৰ শতবৰ্ষ উদ্‌যাপনৰ মুকলি সভা দিল্লীত অনুষ্ঠিত কৰাত এই শাখা সভাই সহযোগ কৰিছিল।

অসম লেখিকা সমাৰোহ, দিল্লীঃ—২০০৩ চনতে গঠিত হোৱা দিল্লী শাখা লেখিকা সমাৰোহৰ সদস্যা সকলে মিটিং আদি পাতি সাহিত্য চৰ্চাৰ বাবে মহিলা সকলক উৎসাহিত কৰি অহা দেখা গৈছে। অসমৰ মূল কমিটিৰ পৰাও মাজে সময়ে কৰ্ম-কৰ্তা সকল আহি আলোচনা চক্ৰ আদি পতাত সহযোগিতা কৰা দেখা গৈছে।

সদৌ অসমীয়া ছাত্ৰ সংস্থাঃ—নতুনকৈ আৰম্ভ কৰা এই ছাত্ৰ সংগঠনটিয়ে দিল্লীত পঢ়িবলৈ অহা নৱাগত ছাত্ৰ-ছাত্ৰীক চা-চিনকি হোৱাৰ সুবিধা দিয়াৰ উদ্দেশ্যৰে "নৱাগত আদৰণি সভাৰ" আয়োজন কৰি আহিছে। এনে অনুষ্ঠানত অসমৰ পৰা "আছু"ৰ কৰ্মকৰ্তা, সু-প্ৰসিদ্ধ গায়ক-গায়িকাক নিমন্ত্ৰণ কৰাৰ উপৰিও, সাংসদ, মন্ত্ৰী একোজন বিশিষ্ট অতিথি হিচপে মাতি অনা পৰিলক্ষিত হৈছে। দিল্লীত পঢ়িবলৈ অহা ছাত্ৰ-ছাত্ৰীক সঠিক পৰামৰ্শ দি বিভিন্ন ধৰণেৰে সহায় আগবঢ়াই আহিছে "প্ৰতিধ্বনি" নামৰ আলোচনী এখন প্ৰকাশ কৰি আহিছে।



Scanned by CamScanner

সৃষ্টিঃ— ২০০৬ চনৰ ৬ফেব্ৰুৱাৰী দিনা গঠন হোৱা সৃষ্টিয়ে যোৱা বছৰকেইটাত বহুতো সাংস্কৃতিক সন্ধিয়া, সৰস্বতী পূজা, ৰঙালী বিহু আদিৰ আয়োজন সফলতাৰে কৰি আহিছে। এই অনুষ্ঠানটি প্ৰধানতঃ নৰ্থ কেম্পাচত বসবাস কৰি অহা যুৱক-যুৱতীৰ সুবিধাৰ্থে গঠন কৰা হৈছিল। প্ৰথম অৱস্থাত প্ৰায় ২৫০ মান সদস্যৰে আৰম্ভ কৰা সংস্থাটোৰে, অসমৰ পৰা শ্ৰী জুবিন গাৰ্গকে ধৰি কেইবাজনো প্ৰসিদ্ধ শিল্পীক মাতি আনি সুন্দৰভাৱে সংগীত সন্ধিয়া পাতি দিল্লী বিশ্ববিদ্যালয়ৰ অসমীয়া অনা অসমীয়া ছাত্ৰ-ছাত্ৰীৰ আমোদৰ ব্যৱস্থা কৰিছিল। ৰক্তদান শিবিৰ, অসমৰ বানপীড়িত সকলক সাহায্য প্ৰদান, আদিৰো আয়োজন কৰি আহিছে। আজি তিনি বছৰৰ পৰা এই অনুষ্ঠানটিয়ে "দুৰ্গা পূজা" ভাগ পতাৰো কাম হাতত লৈছে।

অমস এছোচিয়েচন, গুড়গাঁওঃ—গুড়গাঁৱত বসবাস কৰি থকা অসমীয়া ৰাইজে ২০০৭ চনত "অসম এচোচিয়েচন গুড়গাঁৱ"ৰ প্ৰতিষ্ঠা কৰে। প্ৰায় ৬০০জনৰো অধিক সদস্য ভৰ্তি হৈছে যদিও প্ৰতিবছৰে ইয়াৰ সংখ্যা বাঢ়ি আহিছে কিয়নো বহু নতুন প্ৰতিষ্ঠান, স্থাপন হোৱাৰ পৰিপ্ৰেক্ষিতত চাকৰিয়ালৰ সংখ্যাও বাঢ়ি আহিছে। এই এছোচিয়েচনে ভোগালী বিহু, আৰু ৰঙালী বিহুৰ উদ্‌যাপন অতি ধুম ধামেৰে কৰি আহিছে। ৰঙালী বিহুত "সমন্বয়" নামৰ এখন আলোচনীও প্ৰতিবছৰে প্ৰকাশ কৰি অহাটো আদৰণীয় পদক্ষেপ।

অসম এছোচিয়েচন, ফৰিদাবাদঃ—কেইঘৰমান অসমীয়া পৰিয়ালে নিগাজীকৈ বসবাস কৰি থকা ফৰিদাবাদ চহৰৰ অসমীয়া বাসিন্দা, ছাত্ৰ-ছাত্ৰী আৰু ব্যৱসায় বাণিজ্যত আত্মনিয়োগ কৰা ব্যক্তিৰ প্ৰচেষ্টাত অসম এছোচিয়েচন গঠিত হয়। ২০০৭ চনৰ পৰাই এই অনুষ্ঠানটিয়ে অতি উলহ মালহেৰে ৰঙালী বিহু, ভোগালী বিহু, শংকৰদেৱৰ তিথি আদিৰ আয়োজন কৰি আহিছে। অসমৰ সত্ৰৰ পৰা একোজন গোঁসাই ঈশ্বৰ আৰু ভকতৰ নিমন্ত্ৰণ কৰি আনি নাম প্ৰসংগ কৰোৱাটো প্ৰতিবছৰে পৰিলক্ষিত হৈছে।

সদস্যসকলে নিজাববীয়াকৈ এটুকুৰা মাটি লোৱাৰ প্ৰচেষ্টাও অব্যাহত ৰাখিছে।

ড° মামণি ৰয়চম গোস্বামী মেমৰিয়েল ট্ৰাষ্টঃ— জ্ঞানপীঠ বঁটা বিজয়নী, সুসাহিত্যিক, ড° মামনি ৰয়চম গোস্বামীৰ পবিত্ৰ স্মৃতিত গঠিত হোৱা ট্ৰাষ্টে প্ৰতিবছৰে বিশ্ববিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বক্তৃতা প্ৰতিযোগিতা, আলোচনা চক্ৰ, সাংস্কৃতিক অনুষ্ঠান পতাৰ উপৰিও প্ৰতি বছৰে এজন বিশিষ্ট ব্যক্তিক নিমন্ত্ৰণ কৰি আনি এটা বিশেষ বিষয়ত বক্তৃতা প্ৰদানৰ ব্যৱস্থা কৰি আহিছে। "নীলকণ্ঠী" নামৰ এখন আলোচনী প্ৰকাশ কৰি সকলোৰে মৰমৰ তথা আপোন মামনি বাইদেউৰ স্মৃতি সজীৱ কৰি ৰখাত সফলতা অৰ্জন কৰিছে।

অসম পিপুলস ৱেলফেয়াৰ এছোচিয়েচনঃ—ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ যমুনা নদীৰ আশে-পাসে অৱস্থিত বিশাল ভূমিখণ্ডৰ নয়ডা গ্ৰেটাৰ নয়ডা, ইন্দিৰা পুৰম গাজিয়াবাদ, ময়ুৰবিহাৰ, পটপৰগঞ্জত বসবাস কৰি থকা অসমীয় তথা অসমপ্ৰেমী ৰাইজে মিলি আজিৰ পৰা পাঁচ বছৰৰ আগতে এই অনুষ্ঠানটি আৰম্ভ কৰে। অসমীয়াৰ প্ৰাণৰ আপোন ৰঙালী বিহু, ভোগালী বিহু উদ্‌যাপন কৰাৰ উপৰিও শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাগ তিথিভাগ পালন কৰি আহিছে। অসমত হোৱা প্ৰাকৃতিক দুৰ্যোগত সাহায্য প্ৰদানৰ কামো হাতত লৈ আহিছে। অনুষ্ঠানটিয়ে 'জাপি' নামৰ এখন আলোচনী প্ৰকাশ কৰাটো উল্লেখনীয়া পদক্ষেপ।

সমন্বয়ঃ—নতুন দিল্লীৰ ৰোহিনী এলেকাত বসবাস কৰি অহা অসমীয়া তথা অসমপ্ৰেমী ৰাইজৰ মৰমৰ অনুষ্ঠান "সমন্বয়ে" যোৱা পাঁচ-ছয় বছৰৰ পৰা ৰঙালী বিহু, ভোগালী বিহু আৰু অন্যান্য সাংস্কৃতিক অনুষ্ঠান আদি পাতি আহিছে। শেহতীয়াকৈ যোৱা তিনিটা বছৰত শাৰদীয় দুৰ্গা পূজা ভাগ অতি গাম্ভীৰ্য্যৰে অথচ উলহ মালহেৰে আয়োজন কৰি আহিছে। অতি আন্তৰিকতাৰে আয়োজন কৰা পূজা ভাগলৈ ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ প্ৰায়বোৰ অসমীয়া ৰাইজৰ পদাৰ্পণ ঘটিছে বুলি জানিব পৰা গৈছে।

মে-ডাম-মে-ফি অনুষ্ঠান, টাই আহোম এছোচিয়েচনৰ দ্বাৰাঃ— ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰত বসবাস কৰি থকা আহোম সম্প্ৰদায়ৰ ৰাইজ সকলে প্ৰতিবছৰে "মে-ডাম-মে-ফি" উদ্‌যাপনৰ আয়োজন কৰি



Scanned by CamScanner

আহিছে। বিভিন্ন সম্প্ৰদায়ৰ লোক সকলেও ইয়াত যোগদান দিয়া দেখা গৈছে। এই অনুষ্ঠানতে "পুলিন পুথাও" নামৰ আলোচনী খনো প্ৰকাশ কৰা হয়।

অসম সত্ৰ মহাসভা, দিল্লী শাখাঃ— ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰ সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ উদ্দেশ্যে দিল্লী মহানগৰীত ২০১২ চনত অসম সত্ৰ মহাসভাৰ এটি শাখা খোলা হৈছে। প্ৰতিবছৰে নৱেম্বৰ মাহত সত্ৰীয়া সংস্কৃতি দিৱস পালন কৰি ৰাষ্ট্ৰীয় ৰাজধানী এলেকাৰ ৰাইজক কেইবাখনো ভাওনা, আলোচনা চক্ৰ, নাম প্ৰসঙ্গ আদিৰ আয়োজন কৰি উপকৃত কৰিছে। "সত্ৰীয়া সংস্কৃতি দৰ্পণ" নামৰ এখন গাম্ভীৰ্যপূৰ্ণ আলোচনীও প্ৰকাশ কৰা হয়। সত্ৰ মহাসভাই প্ৰতিবছৰে শ্ৰীমন্ত শঙ্কৰদেৱৰ তিৰোভাৱ তিথি, ভাদমহীয়া নামৰ আয়োজন কৰোতে অসমৰ পৰা কেইজনমান ভকতক নিমন্ত্ৰণ কৰি আনি নাম ধৰ্ম প্ৰচাৰৰ চেষ্টা অব্যাহত ৰাখিছে। তাৰোপৰি নতুন প্ৰজন্মক সত্ৰীয়া সংস্কৃতিৰ শিক্ষা দিয়াৰ উদ্দেশ্যৰে অভিজ্ঞ গুৰুৰ শিক্ষাদানৰ ব্যৱস্থা কৰা দেখা গৈছে।

বৰদৈচিলা ফাউণ্ডেচন ঃ— সমাজসেৱাৰ উদ্দেশ্যৰে কেইজনমান চিকিৎসক আৰু অন্যান ব্যক্তিৰ সমাৱেশেৰে আৰম্ভ কৰা বৰদৈচিলা ফাউণ্ডেচন আজি কিছুবছৰৰ পৰা বিভিন্ন কামত আগভাগ লৈ আহিছে। দিল্লীৰ বিভিন্ন এলেকাত কৰ্কট ৰোগী চিনাক্তকৰণ কেম্প, ৰক্তদান শিবিৰ আদি পতাৰ বাদেও অসমত হোৱা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত বিনামূলীয়া ঔষধ বিতৰণ, স্বাস্থ্যপৰীক্ষা আৰু চিকিৎসাৰ কাম হাতত লোৱাটো অতি প্ৰশংসনীয় কাম হৈছে। দিল্লীৰ চাকেট অঞ্চলৰ "মেক্স হস্পিতালৰ সন্মুখত ৰোগী আৰু পৰিয়ালৰ বৰে এটা আলহী থকা ঘৰ এই ফাউণ্ডেচনে চলাই অহাত বহু ভুক্তভোগী ৰইজৰ সুবিধা হৈছে।

অসম মেডিকেল কলেজ এলুম্‌নি এছোচিয়েচনঃ—ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীত অসম মেডিকেল কলেজ ডিব্ৰুগড়ৰ পৰা পাছ কৰি অহা দুশৰো অধিক ডাক্তৰ কৰ্মৰত। সেইসকল চিকিৎসকে গঠন কৰা "AMCOL ALUMNI ASSOCIATION, DELHI"য়ে প্ৰতিবছৰে কলেজখনৰ প্ৰতিষ্ঠা দিৱল পালন কৰাৰ উপৰিও বিভিন্ন সামাজিক কামত মনোনিৱেশ কৰি আহিছে। এই অনুষ্ঠানটিয়ে "AMCONIAN MEDIVEW" নামৰ এখন আলোচনীও প্ৰকাশ কৰি আহিছে।

বিয়লি চ'ৰা ঃ—দিল্লীৰ বিভিন্ন এলেকাত বসবাস কৰি থকা বয়োজ্যেষ্ঠ লোকসকলক একত্ৰিত কৰাৰ উদ্দেশ্যৰে ২০১৪ চনত এই অনুষ্ঠানটি গঠন কৰা হয়। বৰ্তমানলৈকে ৭০ জনৰো অধিক বয়োজ্যেষ্ঠ লোকে ইয়াৰ সদস্যতা লৈছে। প্ৰতিবছৰে ১ অক্টোবৰ দিনটো "বিশ্ব বয়োজ্যেষ্ঠ দিৱস" হিচাপে সমগ্ৰ বিশ্বই পালন কৰাৰ লগতে "বিয়লি চ'ৰা"ৰ সদস্য সকলেও এই বিশেষ দিনটো সুন্দৰকৈ বিভিন্ন কাৰ্যসূচীৰে পালন কৰি আহিছে। এই দিনটোতে "বিয়লি" নামৰ এখন আলোচনীও প্ৰকাশ কৰা হয়। ইয়াৰে বাদেও দিল্লীৰ অসম এছোচিয়েচনৰ সহযোগত বছৰৰ এটা দিনত "জোনাকী মেল"ৰ আয়োজন কৰা হয়। তদুপৰি এই অনুষ্ঠানটিয়ে বছৰেকত এটা পিকনিকৰ আয়োজন কৰি বয়োজ্যেষ্ঠ লোকসকলক লগ খোৱাৰ সুবিধা প্ৰদান কৰি আহিছে।

উপৰোক্ত অনুষ্ঠানসমূহৰ বাদেও "ইন্‌লি" নামৰ গোটটোৱে আয়োজন কৰা শিশু নাট সমাৰোহ বিহু নৃত্য, বাদ্যযন্ত্ৰৰ প্ৰশিক্ষণ আদিয়ে দিল্লীৰ সাংস্কৃতিক বতাহ বাৰুকৈয়ে উমাল কৰি ৰাখে।

তদুপৰি এই বছৰতে আৰম্ভ কৰা দিল্লীত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীৰদ্বাৰা গঠিত "The Delhi Alumini Association, Assam" নামৰ সংস্থাটোৱে অসমৰ সমস্যাৰাজিৰ বিষয়ে আলোচনা তথা সমাধানাৰ উপায়ৰ বাবে আলোচনা চক্ৰ পতাৰ ওপৰিও অসমত বান সাহায্য প্ৰদানৰ ব্যৱস্থা কৰিছে। অসম ইঞ্জিনীয়াৰিং কলেজৰ প্ৰাক্তন ছাত্ৰ সকলে লগ লাগি এটা Alumini Association গঠন কৰাৰ প্ৰয়াস হাতত লৈছে বুলি জানিব পৰা গৈছে।

উল্লেখনীয় যে ২০০৬ চনৰ পৰাই অসম এছোচিয়েচন দিল্লীয়ে সত্ৰীয়া নৃত্যৰ স্কুল চলাই আহিছে। অধ্যাপক ডঃ ভবানন্দ বৰবায়নৰ দ্বাৰা চলোৱা স্কুলত শিক্ষাগ্ৰহণ কৰি বহু ছাত্ৰ-ছাত্ৰী উপকৃত হৈছে।

সামৰণিত, দিল্লীবাসী অসমীয়াৰ প্ৰথম আৰু প্ৰধান অনুষ্ঠান "অসম এছোচিয়েছন, দিল্লী"ৰ সৈতে ওপৰত উল্লেখ কৰা সকলোবিলাক অনুষ্ঠানে সকলো সময়তে আন্তৰিক সহায়-সহযোগিতাৰ জৰিয়তে এটা সুদৃঢ় সুসম্পৰ্ক বৰ্তাই ৰাখিব বুলি আমাৰ দৃঢ় বিশ্বাস।



Scanned by CamScanner




As one of the leading public sector enterprises of India, IndianOil has successfully combined its corporate social responsibility agenda with its business offerings, meeting the energy needs of millions of people across the country every day. Since inception, the Corporation has been partnering with communities in which it operates by supporting innumerable initiatives and by leading from the front in times of national emergencies and natural calamities.

***Our focus areas for CSR:*** Health | Education | Family welfare | Environment protection | Water management & sanitation | Training and skill development | Empowerment of women and other marginalised groups.

***Our major CSR initiatives:*** IndianOil (AOD) Hospital, Digboi, Assam • *Swarna Jayanti Samudayik Hospital*, Mathura, Uttar Pradesh • IndianOil Assam Oil School of Nursing, Digboi • Skill Development Institute, Bhubaneswar • Vegetables Cellars, Leh, J&K • IndianOil *Surya Prakash* project (Solar energy-enabled cooking, lighting and mobile charging systems), Paradip, Odisha • *Shikshak Dakshata Vikas Abhiyan* (Teachers' training programme), Digboi, Assam • IndianOil Sports Scholarships Scheme • The IndianOil Foundation for protecting, preserving and promoting national heritage monuments

Scanned by CamScanner




Scanned by CamScanner

## ৰঙালী বিহু উদ্‌যাপনৰ কিছু দৃশ্য- ২৩ এপ্ৰিল, ২০১৭




Scanned by CamScanner

## Swatchh Bharat Pakhwada- 26 February, 2017



## শঙ্কৰদেৱৰ তিথি পালনৰ কেইটামান মুহূৰ্ত, শংকৰদেৱ ভৱন






# Refining oil the green way.

At NRL, we understand how important and fragile our environment is. That is why Ecology & Environment Management has gone beyond a mere term to become ingrained in every step of our operations.

NRL NUMALIGARH REFINERY LIMITED

In tune with the environment. Always.


Scanned by CamScanner



# গীত

শৰৎ বৰকাকতি
ফোন নং- ৯৯৯৯৭৮৫২৪৮



দুটি সপোন
একেলগ হ'ল
এখনি গাঁৱত
ৰূপালী নদীৰ
সোণালী ঘাটত
আঘোণ মাহৰ এটি
দোকমোকালি পৰত

সপোনে সাৰ পাওঁক
টৌত বিৰিঙ উঠা
এচেৰেঙা কোমল ৰ'দত
শেৱালী সুৰভিসনা
পাখীৰ কাকলি ভঙা
পুৱাৰ মিঠা দিঠকত

জীৱনৰ সুৰলিপি
অনুৰাগ অংকিত
মূৰ্ছনা ছন্দিত হওঁক

আশীস ধ্বনিৰে আজি
ৰূপালী নদীৰ ঘাট
(হ'ল) উখল মাখল
দুটি সপোন

একেলগ হ'ল
আঘোণ মাহৰ এটি
দোকমোকালি পৰত



Scanned by CamScanner



# বিতৰ্ক উদ্বেগকাৰী সঙ্গীত শিল্পী জুবিন গাৰ্গ

*হিৰণ্য কুমাৰ দাস*
*মোবাইল নং ৯৫৬০৫৮০২১৮*

নতুন প্ৰজন্মৰ অগ্ৰণী সুৰকাৰ, গীতিকাৰ আৰু সুগায়ক জুবিন গাৰ্গ বিভিন্ন বিৰ্তকেৰে জৰ্জ্জৰিত হৈ থকা সময়তে ২০১৭ চনৰ নৱেম্বৰ মাহত দিল্লীত অনুষ্ঠিত হোৱা North East Festival ত পুনৰ গীত গাই, সুন্দৰ কথা কৈ সকলোকে মোহিত কৰি থৈ গ'ল। সেই ৰাতিয়েই মাজনিশা এটি কবিতা ৰচনা কৰি তিনিদিনৰ পিছত গুৱাহাটীত অনুষ্ঠিত উত্তৰ পূৰ্ব গণ মেলাত কবিতাটি পাঠ কৰাৰ লগতে এখন তেওঁৰ কবিতা পুথি মুকলি কৰিলে।

পৃথিৱীৰ বিখ্যাত গায়কসকলৰ দৰে জুবিনো সদায়ে বিভিন্ন বিৰ্তকৰ সন্মুখীন হৈ আহিছে। জুবিন গাৰ্গে সঙ্গীতৰ বাহিৰেও সমাজৰ বাবে বিপদত পৰা ব্যক্তি বা শিল্পীৰ বাবে, বৃক্ষৰোপণ, আৰু গঁড় সংৰক্ষণৰ বাবে, ফুটবল খেলাৰ উন্নতিৰ বাবে আদি কৰা বিভিন্ন ভাল কামৰ কথা কিছু সংখ্যক মানুহে পাহৰি, জুবিনে মাজে মাজে কৰা বিশৃংখল জীৱনৰ কথাকে লৈ বহু বিৰ্তকৰ সৃষ্টি কৰি আহিছে।

পৃথিৱীৰ বিভিন্ন দেশৰ বিখ্যাত শিল্পীসকলৰ বহু কাৰ্য সকলোৰে গ্ৰহণযোগ্য নহয়। নতুন প্ৰজন্মৰ শিল্পী জুবিন গাৰ্গৰ কথা বাদেই বিশ্ববিখ্যাত গায়ক, নবেল বঁটা বিজয়ী বব্ ডিলান (Bob Dylan) আৰু এসময়ৰ বিখ্যাত ৰক' গায়ক মাইকেল জেক্চন (Michael Jackson) আদিও বিৰ্তকৰ উৰ্দ্ধত নাছিল। নবেল বঁটা বিজয়ী হৈওঁ, বব ডিলান এই বঁটা বিতৰণি অনুষ্ঠানলৈ নাহিল, যিটো বহুতৰ বাবে গ্ৰহণযোগ্য নাছিল। মাইকেল জেক্চন বহু বিৰ্তকেৰে জৰ্জৰিত হৈওঁ মাইকেল জেকচন হৈয়ে থাকিল। আমাৰ অতি মৰমৰ বিশ্ববিখ্যাত সুধাকণ্ঠ ড° ভুপেন হাজৰিকা দেৱো বহু সময়ত বিভিন্ন বিৰ্তকৰ সন্মুখীন হৈছিল। বিৰ্তকৰ কথা বাদ দি এতিয়া জুবিন গাৰ্গৰ অভ্যুত্থানৰ কথালৈ আহো। আজিৰ পৰা প্ৰায় ১৫ বছৰৰ আগতে হাতত গীটাৰ লৈ এক নতুন কণ্ঠ, নতুন শব্দৰে অসমৰ আকাশ বতাহ কঁপাই তুলিছিল জুবিন গাৰ্গে। তাৰ লগে লগে 'অনামিকা' নামৰ এটি গানৰ কেছেট আগবঢ়াই দিছিল অসমীয়া শ্ৰোতালৈ। হেজাৰ হেজাৰ গুণমুগ্ধ শ্ৰোতাই তেখেতৰ গীতত উত্ৰাৱল হৈ উঠিছিল। Sentinel কাকতৰ দেওবৰীয়া ইংৰাজী আলোচনীত জুবিনে প্ৰকাশ কৰিছে "After coming back from performing at Madras, I decided to make an album, I arranged for money by borrowing from Mom, selling my format keyboard and using the money which I had saved all three years by playing in stage show. Thus my first album, 'Anamike' saw the Light of the day"

জুবিন গাৰ্গৰ পৰৱৰ্তী গায়ক গায়িকা সকলেও জুবিনৰ ষ্টাইলত হাতত গীটাৰ লৈ জুবিনৰ ভংগী অনুকৰণ কৰিব ধৰিলে আৰু জনপ্ৰিয়তাও অৰ্জন কৰিলে। এই অনুকৰণকাৰীসকলৰ ভিতৰত গায়ক বাবু আৰু এতিয়াৰ নীল আকাশৰ কথা ক'ব পাৰি। এইদৰে অসমৰ সঙ্গীত আকাশ জুবিনৰ সুৰ আৰু কণ্ঠৰে আচ্ছন্ন কৰিলে। জুবিন হৈ পৰিল নতুন প্ৰজন্মৰ হাৰ্ট থ্ৰব।

নতুন নতুন সুৰ সংযোজন আৰু নানান পৰীক্ষা নিৰীক্ষাৰে সংগীত প্ৰযোজনা কৰাটোৱে জুবিনৰ সঙ্গীতৰ প্ৰধান বৈশিষ্ট্য। এহাতে পশ্চিমীয়া সুৰ আৰু বাদ্যযন্ত্ৰৰ ব্যৱহাৰ আনহাতে থলুৱা গীত সুৰৰ সংমিশ্ৰণৰে সৃষ্টি কৰা সংগীতে অসমীয়া সংগীত জগতলৈ এক নতুন লহৰ আনিলে।

জুবিনে সংগীতৰ প্ৰেৰণা পাইছিল প্ৰথমেই মাক-দেউতাকৰ পৰা। তেখেতৰ সংগীতৰ প্ৰথম গুৰু আছিল ৰবীন বেনাৰ্জী। সৰু কালতে তবলা বজাব শিকা জুবিনে প্ৰায় ১১ বছৰ তবলা শিকিছিল। তাৰ পিছত এটা এটাকৈ সকলো বাদ্যযন্ত্ৰ বজাব পৰা হ'ল। স্কুলত থকা সময়তে আন এজন শিক্ষক ৰমণী ৰায়ে অসমীয়া লোক সঙ্গীতৰ শিক্ষা দিছিল।

গীতৰ মাজে মাজে 'হামিং' কৰা জুবিনৰ গীতৰ আন এটি বৈশিষ্ট্য। নতুন নতুন পৰীক্ষা, শব্দ আৰু যন্ত্ৰৰ সংমিশ্ৰণৰে এটা এটাকৈ কেছেট উলিয়ালে। 'শব্দ', 'শিশু', 'পাখি', 'দাগ', 'মায়া', 'ৰং', 'যন্ত্ৰ' 'বাহী' আদি কেছেটৰে অসমৰ বজাৰ ভৰি পৰিল।

অসমৰ সংগীত জগতৰ লগতে বম্বেৰ হিন্দী ফিল্ম জগততো এক চাঞ্চল্যৰ সৃষ্টি কৰিলে। প্ৰথমতেই সঙ্গীতকাৰ অনু মালিকৰ বঁটা বিজয়ী ছবি 'ৰিফিউজী'ৰ আৰম্ভণি গীতত কণ্ঠদান কৰিলে আৰু তাৰ পিছত সঙ্গীতকাৰ আনন্দ ৰাজ আনন্দৰ 'কাঁটে (Kante)' ছবিৰ 'ৰামাৰে' গীতৰে জনপ্ৰিয়তা অৰ্জন কৰিলে। তাৰ পিছতে সঙ্গীতকাৰ প্ৰীতম (Pritom)ৰ ছবি 'গেংষ্টাৰ' (gangster) ত গোৱা 'য়া আলি' গীতৰে অকল ভাৰততে নহয় বিদেশতো



Scanned by CamScanner

জনপ্ৰিয়তা লাভ কৰিলে। Film for(2006) কাকতে লিখিলে "He sung 7000 songs in Assamese and single chartbuster in Hindi. But 'Ya Ali' The soul swing whopper buster from 'gangster' is the song in every one's lips and ipods and Zubin's long wait has finally paid off"

অকল জনপ্ৰিয়তাই নহয় এই গীতৰ বাবে বহু পুৰস্কাৰৰ লগতে "Global India Film Award"ৰ Best Male singer বঁটা লাভ কৰিলে। ইয়াৰ পিছতেই এখন এখনকৈ "প্যাৰ কা চাইড এফেক্ট", "নমস্তে লণ্ডন", "লণ্ডন ড্ৰিম", "বাছ এক পল", "অ' মাই গ'ড", "ৰাজ", "হামাৰি অধুৰি কাহানী" আদি বিভিন্ন হিন্দী ছবিত গীত গালে।

প্ৰথমে ৰক্ গীতৰে আকাশ কপোঁৱা জুবিন গাৰ্গে লোকগীত, বৰগীত, বিহুগীত, বনগীত আদিৰে অসমীয়া সংস্কৃতিৰ ধ্বজা উৰুৱালে। জুবিন অকল নতুন প্ৰজন্মৰ 'হাৰ্ট থ্ৰব' হৈয়ে নাথাকিল, ডেকা বুঢ়া গঁএগ্ৰা চহৰীয়া সকলোৰে মন জয় কৰিলে।

জুবিন গাৰ্গৰ গীতৰ প্ৰতি মোৰ প্ৰথম আকৰ্ষণ হয় ১৯৯৯ চনত অসমীয়া লোকগীতৰ কেছেট 'ৰত্নাকৰ' শুনাৰ পিছৰে পৰা। সেই সময়ত মোৰ মাৰ মৃত্যুৰ পিছত ব্ৰতত থকা দিন কেইটাত এই কেছেটত থকা জীৱন মৃত্যুৰ ৰহস্যৰ গীত শুনি চকুৰ পানী নিগৰি পৰিছিল।

"মনুষ্যৰ জনম লৈ ল'বা বিদায়"
জীৱনৰ মায়া মোহ নাথাকে সদায়
যাবাগৈ অকলে চাৰিটিৰ কান্ধতে
বগা কাপোৰৰে আঁৰত লুকাই।"

আন এটি লোকগীতত শঙ্কৰী বাদ্যযন্ত্ৰ, খোল, তাল, আৰু নাগাৰাৰ সংমিশ্ৰণত এক অপূৰ্ব ঐশ্বৰিক ভাৱ জগাই তুলিছিল—

"যমুনাৰ ঢৌ দেখি, ৰাধা পাৰত বহি
কলীয়া কানাই ঐ, কাযে চপাই দিয়া নাওঁ
মথুৰা হাটলৈ যাওঁ।"

এই গীতটো শুনাৰ পিছত সেই মোৰ দুখৰ সময়খিনিত মনলৈ শান্তি আহিছিল।

জুবিন গাৰ্গৰ মঞ্চৰ শ্ব' প্ৰথম উপভোগ কৰিছিলো ২০০০ চনত দিল্লী বিশ্ববিদ্যালয়ৰ শঙ্কৰলাল প্ৰেক্ষাগৃহত, য'ত আমাৰ লগতে প্ৰয়াত মামনি ৰয়ছম গোস্বামী বাইদেউ আহিছিল। জীৱন আৰু জগতৰ চিৰন্তন ৰহস্য শুনাৰ প্ৰকাশ কৰি গীত পৰিৱেশন কৰিছিল—

"এন্ধাৰ হ'ব নোৱাৰো
মচি দিব নোখোজো
পাখি মেলা অতীতক
কিদৰে পাহৰো।"

ৰহস্যময় জীৱন লগতে প্ৰেমৰ সফলতা বিফলতা, পোৱা নোপোৱাৰ বিচিত্ৰ আৰু মিশ্ৰিত উপলব্ধিক লৈ জুবিনে বহু গীত ৰচনা কৰিছে, গাইছে।

'এতিয়া জোনাকে ন মায়া ৰচে
এতিয়া ডাৱৰে ন খেলা পাতে
তুমি অহা বাবেই পোহৰে পাখি মেলে
সাৰ পালে সপোনে।
এতিয়া জোন জ্বলে মোৰ দুচকুতে
এতিয়া ফুল ফুলে ৰঙা কলিজাতে।"



অসমীয়া বিহু গীতকো জুবিন গাৰ্গে নতুন সুৰেৰে নতুন ভিডিঅ' কেছেটেৰে অধিক জনপ্ৰিয় কৰিলে। বিহু সুৰীয়া এটি গীতে নতুন লহৰ উঠালে—

"কঁকাল খামুচীয়া গাল গুলপীয়া
তুমি কোন সৰগৰ পৰী
কজলা চকুৰে পদুমী খোজেৰে
নিলাহি মন মোৰ হৰি।"

"শিশু" নামৰ আন এটি কেছেটৰ এটি গীতত এজন দুখীয়া মাছমৰীয়াক যাক নৈ চপনীয়া বুলি হঁহা হয় তেওঁৰ দুখৰ ছবি সুন্দৰকৈ প্ৰকাশ হৈছে—

"কাঁহি বাটি ঘটি লোটা লৈ
থাকা হিচাপ কৰি দিন
আহিমে মই এদিন,
মোৰে নাও ভটিয়াই
নৌকা ভৰাই আনিমে মাছ
আহিবগৈ আমাৰ সুদিন ঐ।"

"শিশু" নামৰ এই কেছেটৰ ভাটিয়ালী সুৰত গোৱা আন এটি গীতে ডেকা বুঢ়া সকলোৰে বাবে মায়াজাল সৃষ্টি কৰিছে।



Scanned by CamScanner

"ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি
খোজে খোজে খাবাগৈ উজুতি,
ধন জন মিছা মায়া, সপোনৰ মাথোঁ ছায়া
নাথাকিব একোকে শেষত।"

অসমীয়া কোনো কোনো লোকগীতৰ পৰম্পৰা ৰক্ষা বা সংৰক্ষণ নকৰি পশ্চিমীয়া বাদ্যযন্ত্ৰৰ সংমিশ্ৰণৰে অসমীয়া লোকগীত পৰিৱেশন কৰাটোও বহুতৰ বাবে গ্ৰহণযোগ্য হোৱা নাই। গীতি কবি পাৰ্বতি প্ৰসাদৰ জুবিন গাৰ্গে কণ্ঠদান কৰা আঠটা গীতৰ শ্ৰব্য কেছেট প্ৰকাশৰ পিছত বহু বিৰ্তকৰ সন্মুখীন হৈছে। নতুনত্ব প্ৰদান কৰিব গৈ পাৰ্বতী প্ৰসাদৰ সুৰ সলনি কৰিছে বুলি বহুতে মন্তব্য কৰিছে। ভাৰ্জিন ৰেকৰ্ড (Virgin Record) নামৰ আন্তৰ্জাতিক কোম্পানীৰ 'ভূমি' নামৰ এটা শ্ৰব্য কেছেটত গাৰ্গে গোৱা শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত "শুন শুন ৰে সুৰ বৈৰী প্ৰমানা" গীতটো কিছু পশ্চিমীয়া বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হৈছে।

যোৱা ২৫ বছৰে জুবিন গাৰ্গে ৪০ টা ভাষা উপভাষাৰ সৰ্ব্ব মুঠ ১৪ হাজাৰতকৈ অধিক গীত গাইছে। তাৰ ওপৰি এতিয়ালৈ ২৫ খন অসমীয়া বোলছবিৰ সঙ্গীত পৰিচালনা কৰিছে।

প্ৰায় ১৪খন ছবিত বিভিন্ন চৰিত্ৰৰ অভিনয় কৰিছে জুবিন গাৰ্গে। বৰ্তমান তেওঁ সঙ্গীততকৈ বোলছবি নিৰ্মাণ কৰাত বেছিকৈ মনোযোগ দিছে। প্ৰেমৰ অনুভূতিৰ সুৰৰ প্ৰকাশ হৈছে তেওঁ নিজে পৰিচালনা, অভিনয় আৰু সঙ্গীত ৰচনা কৰা ছবি "তুমি মোৰ মাথোঁ মোৰ"। ৰাষ্ট্ৰীয় বঁটা বিজয়ী ছবি "দিনবন্ধু"ত সঙ্গীত পৰিচালনাৰ বাহিৰেও অভিনয়ো কৰিছে।

অসমীয়া ছবি জগতলৈ পুনৰ জাগৰণ আনিবলৈ বৃহৎ বাজেটৰ "মিছন ছাইনা" ছবি কৰাৰ সাহস কৰিলে। এই ছবিখনৰ কাহিনী, সংলাপ আৰু পৰিচালনা সকলো জুবিন গাৰ্গৰে। ছবিখনৰ মুক্তিৰ আগে আগে প্ৰচাৰৰ বাবে জুবিন গাৰ্গে নিজে আৰু জুবিন 'ফেন ক্লাবৰ' জৰিয়তে ছবিৰ পোষ্টাৰ লগোৱা, বলিউডৰ ছবিৰ দৰে ট্ৰেইলৰ দেখুৱা, অসমৰ বিভিন্ন চহৰ, কলেজ আদিত গৈ প্ৰচাৰ চলোৱা আদিৰে অসমীয়া মানুহৰ গতি অসমীয়া ছবিৰ প্ৰতি ৰুচি ঘূৰাই আনিবলৈ চেষ্টা কৰিলে।

৮ ছেপ্টেম্বৰ সুধাকণ্ঠৰ জন্মদিনৰ দিনাই অসমৰ প্ৰায় ৫০ টা ছবিঘৰ আৰু দিল্লী, মুম্বাই, বাঙ্গালোৰ, পুনেৰ ছবিঘৰত ছবিখনে মুক্তি লাভ কৰিলে। ছবিখনৰ কাহিনী অতি শক্তিশালী নহয়। অভিনয়ৰ ক্ষেত্ৰতো প্ৰায়বোৰ চৰিত্ৰ মাজে মাজে জঠৰ। ঠিক তেনেদৰে সংলাপ ছবিখনৰ আন এটি দুৰ্বলতা। তথাপিও উন্নত ড্ৰোন কেমেৰা ব্যৱহাৰ কৰি অৰুনাচলৰ সুন্দৰ দৃশ্যগ্ৰহণৰে অসমীয়া ছবি জগতলৈ এক নতুন সংযোজন কৰিলে। অসমীয়া ছবিলৈ অসমীয়া মানুহৰ আগ্ৰহ ঘূৰাই আনিবলৈ জুবিন গাৰ্গ সফল হ'ল।

বিভিন্ন সফলতাৰ কথা শেষ কৰি জুবিন গাৰ্গৰ বিভিন্ন বিতৰ্ক, সমালোচনাৰ কথালৈ আহো। গোটেই অসমৰ চুকে-কোণে এমাহতকৈ অধিক কাল বিহুতলীত গীত গাই অসমৰ সংগীত জগত আছন্ন কৰা জুবিন গাৰ্গে নিজে বছা এটি হিন্দী গীত গাওঁতেই এক বিৰ্তকৰ সৃষ্টি হয় আৰু গীত পৰিৱেশন নকৰাকৈ গুচি আহিব লগা হয়। সংগীতৰ কোনো সীমা বা পৰিধি নাই এই কথাটো সংগীত প্ৰেমী মানুহে বুজি উঠা উচিত। এটি সুন্দৰ গীত তামিলেই (Tamil) হওক বা নেপালীয়ে হওক সংগীত প্ৰেমী শ্ৰোতাক আকৰ্ষণ কৰে। সেয়ে ভাষাৰ ব্যৱধানেৰে সংগীতক আৱদ্ধ কৰি ৰাখিব নালাগে।

জুবিন গাৰ্গে সদায়ে অন্য মানুহে নকৰা কাম, আন মানুহে নিপিন্ধা সাজপাৰ পৰিধান কৰি ভাল পায়, যেনে মূৰত গামোচাৰ টুপি, কাণফুলি, দুটা ৰঙৰ জোতা ইত্যাদি। কলেজত পঢ়া দিনতে বৰষুণত জাপি লৈ, কম্বলৰ জেকেট পিন্ধিছিল। জুবিনে দুটা ভৰিত বেলেগ বেলেগ ধৰণৰ জোতা পিন্ধাটো পিছলৈ ফেশ্বন হৈ উঠিল।

তেওঁ নিজে কৈছে যে শেষ ৰাতিলৈকে সঙ্গীত ৰচনা কৰি থকা বাবে ৰাতিপুৱা উঠা দেৰি হয়, সেয়ে বহুবাৰ ফ্লাইট (Flight) মিচ কৰিছে। ৰেকৰ্ডিংত দেৰিকৈ পাইছে। বলিউডৰ Krrish-3 চিনেমাৰ গীত ৰেকৰ্ডিঙৰ সময়তো দেৰিকৈ পোৱা স্বত্বেও সুন্দৰকৈ গীত গাইছিল আৰু সেই ছবিৰ গীত যথেষ্ট জনপ্ৰিয় হৈছিল। বহুজনৰ মতে জুবিন মানুহজন সৰু ল'ৰা-ছোৱালীৰ দৰে সৰল আৰু প্ৰায়ে খেলিমেলি কৰে। জুবিনে সৰু ল'ৰা-ছোৱালীৰ দৰে জীৱ-জন্তুৰ বৰ ভাল পায়। নিজৰ খাৰঘুলিৰ ঘৰখন হাঁহ পাৰ, কুকুৰ মেকুৰী, চৰাই চিৰিকটিৰে ভৰাই এটা Minizooৰ দৰে কৰি ৰাখিছে।

জুবিনে বিভিন্ন সময়ত কৰা কিছু আচৰণ বিশৃংখলতাৰ বাবে বহুজনে তেওঁক বেয়াও পায়। কিন্তু তেওঁক কঠোৰ সমালোচনা আৰু বিৰ্তকৰে ক্ষত বিক্ষত কৰাতকৈ তেওঁ সমাজৰ বাবে, বিপদ গ্ৰস্ত মানুহৰ বাবে কৰা কামবোৰত সহযোগ কৰিব লাগে লগতে এই অতি প্ৰতিভাৱান শিল্পীগৰাকীক সুপথে আগবাঢ়ি যাবলৈ সঁহাৰি জনাব লাগে।

He is a dreamer. জুবিন বিভিন্ন পৰিকল্পনাৰ সপোন দেখে। খৰখেদাকৈ বহু কেইটা পৰিকল্পনাত জপিয়াই পৰাতকৈ জুবিন গাৰ্গে কিছু সাধনাৰে, গভীৰতাৰে আৰু ধৈৰ্য্য সহকাৰে নিজৰ প্ৰতিভাৰে সৃষ্টিশীল কামবোৰ পৰিকল্পিতভাৱে আগবঢ়াই নিব লাগে। আমি আশা কৰিছো এই প্ৰতিভাৱান শিল্পী গৰাকী আৰু শীৰ্ষস্থানত উপনীত হয় যেন।

Scanned by CamScanner

Scanned by CamScanner



# ধলা-শদিয়া দলং



*নৰেশ্বৰ সোণোৱাল*
*ফোন নং- ৯৬৫০৯১৯০৩১*

আজি ২০১৭ চনৰ মে' মাহৰ ২৬ তাৰিখ; পুৱাৰ জা-জলপান খাই উঠিয়েই টিভিৰ আগত বহি আছো, উদেশ্য- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ধলা-শদিয়া দলংখন আজি ৰাইজৰ ব্যৱহাৰৰ বাবে অনুষ্ঠানিকভাৱে উন্মোচন কৰিব। অনুষ্ঠানটোৰ কাৰ্যসূচীবোৰ যাতে একোৰে miss নকৰো। যিটো অনুষ্ঠান আমি অন্ততঃ ত্ৰিশ চল্লিছ বছৰ মানৰ আগতেই প্ৰত্যক্ষ কৰিব পাব লাগিছিল, সেইটো আজি অনুষ্ঠিত হ'ব। এটা ঐতিসাহিক মুহূৰ্ত এয়া। আমাৰ ডাঙৰী অঞ্চলৰ গাতে লাগি থকা ঠাই এখনতে ইমান গুৰুত্বপূৰ্ণ তথা মহৎ অনুষ্ঠান এটা অনুস্থিত হৈছে। ময়ো যেন ইয়াৰ প্ৰতক্ষ্যদৰ্শী হ'ব পাব লাগিছিল, এনে লাগিছিল। হাজাৰ হাজাৰ মাইল দূৰৰ এই গুড়গাওঁত বহি থাকিও মন উৰি গৈছে ধলা-শদিয়া অঞ্চললৈ; মনত কিন্তু ক্ৰমে ক্ৰমে এনেও লাগি আহিছে— ময়ো যেন আজিৰ এই অনুষ্ঠানটোৰ প্ৰত্যক্ষদৰ্শী হৈহে আছো; এই পাৰৰ ধলাৰ পৰা সিপাৰৰ শদিয়াৰ ৰিণিকি ৰিণিকি দেখা দৃশ্য বাৰে বাৰে ভাঁহি আহিছে টিভিৰ পৰ্দা সজীৱ হৈ উঠা নতুন দলংখনৰ আঁৰত।

বৰ ভুঁইকপৰ আগতে শদিয়াখন অসমৰ ভিতৰতে এখন লেখৰ চহৰ আছিল ৰূপে-গুণে। ব্ৰিটিছৰ দিনতে চহৰখনে গঢ় লৈ উঠিছিল। এতিয়াৰ অৰুণাচল আৰু তেতিয়াৰ "নেফা"ৰ প্ৰসাশনিক ব্যৱস্থাটোৰ লগত শদিয়া বাৰুকৈয়ে সাঙোৰ খাই আছিল তেতিয়া। অসমত ব্ৰিটিছসকলে অৰ্থনৈতিকভাৱে থকা সম্ভাৱনা পূৰ্ণ ঠাইবিলাক চিনাক্ত কৰি সেইবিলাকক যুটি পেলাবৰ চেষ্টা কৰিছিল ৰেলৰ লাইনেৰে। শদিয়াক তেওঁলোকে ৰেলৰেৰ আওঁতাত অনা নাছিল বা আনিব পৰা নাছিল বিশাল ব্ৰহ্মপুত্ৰখনৰ বাবে। কিন্তু ছৈখোৱা (এতিয়াৰ ধলা) লৈকেতো আছিলেই ৰেল। বৰ এটা অৰ্থনৈতিকভাৱে গুৰুত্ব নথকাতো মাজতে ডাঙৰী ৰেল ষ্টেচনটো পৰাত ডাঙৰী অঞ্চলৰ গাওঁবাসী বৰ উপকৃত হৈছিল ৰেল পথটোৰ পৰা। পিছে আমাৰ জেনেৰেচনটোৰ বাবে শদিয়াখন যেন এটা সাঁথৰহে, দেখিও নেদেখা শুনিও নুশুনা ধৰণৰ। মনিব নোৱাৰা দূৰত্বত ব্ৰহ্মপুত্ৰৰ সিপাৰে ধ্বংস স্তূপত পৰিণত হোৱা শদিয়া আৰু এইপাৰে তচ্‌নচ্‌ হোৱা ছৈখোৱা— দুয়োখন চহৰেই পঞ্চাছৰ বৰ ভুঁইকপৰ অক্ৰোশৰ বলি হ'ল। ছৈখোৱাৰ গুৰুত্ব থকা বুলি বুজিছিলো ওচৰে-পাজৰে থকা চাহ বাগিছাবোৰৰ বাবে; কিন্তু শদিয়াতনো কি আছিল যাৰ বাবে অসমৰ ভিতৰতে ই লেখত ল'ব লগা চহৰ হৈ পৰিছিল। সেই কথা অনুধাৱন কৰিব পৰা নাছিলো। এতিয়াৰ তিনিচুকীয়াৰ প্ৰায় আটাইবোৰ মাৰোৱাৰী ব্যৱসায়ী মানুহ হেনো আগৰ শদিয়াৰহে আছিল। তাৰমানে বৰ ভুঁইকপ নহা হ'লে তিনিচুকীয়াখন এতিয়াৰ ৰূপ পাবলৈ বহু বছৰ ৰ'ব লাগিল হেঁতেন। সেই সময়ত তিনিচুকীয়াৰ সিমান এটা গুৰুত্ব নাছিল, এটা ৰেলৰ জংচন হোৱাৰ বাহিৰে। শিক্ষা-দীক্ষাতো শদিয়া গোটেই অঞ্চলটোতে আগবঢ়া আছিল বোলে, মিচন স্কুলো আছিল তাত। আগতে ডাঙৰী অঞ্চলৰ বহুতেই শদিয়াৰ হাই স্কুলতহে পঢ়িছিলগৈ। আমাৰ কেইটামান শ্ৰেণীৰ আগলৈকে এই পাৰৰ ছাত্ৰ-ছাত্ৰীয়ে শদিয়াতহে মেট্ৰিক পৰীক্ষা দিবগৈ লাগিছিল। ডিবুৰুৰ পৰা এইফালে মেট্ৰিক পৰীক্ষা দিয়াৰ কেন্দ্ৰই নাছিল তেতিয়া। প্ৰশাসনৰ ফালৰ পৰাও শদিয়াৰ স্থান তেতিয়া জিলাখনত (লক্ষীমপুৰ জিলা) ডিবুৰু চহৰৰ পিচতে হ'ব। কিমান যহৰ কথা আছিল শদিয়াৰ বাবে সেইয়া। সেয়ে "শদিয়ালৈ নাযাবা, সত ফুল নাখাবা,..." বুলি সততে শুনা কথা ফাকিৰ মহিমা মই বুজি নাপাইছিলো সমান্তৰাল কৈ আজিৰ "শদিয়ালৈ যামেই, সত ফুল খামেই" বোলা কথাষাৰো বুজি নোপোৱাৰ দৰে। "হাবি কাটি... শদিয়ালৈ পোনাই পোনাই যাম" টোৰে জন মানসত শদিয়াৰ গুৰুত্ব থকাটোকে নোবুজায় জানো? আৰু শদিয়াৰ ৰণ? বুৰঞ্জীয়ে গৰকা কথা সেইবোৰ।

গাতে লাগি থকা অথচ সহজ গম্য নোহোৱা (মাজত বৰ লুইতখন থকাৰ বাবে) এইখন শদিয়ালৈ আন বহুতৰে দৰে হয়তো মোৰো কোনোদিনে যোৱাই হৈ নুঠিলহেঁতেন চৰকাৰী দায়িত্বৰ তাগিদা নথকা হ'লে। হাই স্কুললৈ অহাৰ আগতে ঘৰত কাকো নোকোৱাকৈ ৰেলেৰে এবাৰ ছৈখোৱালৈ গৈছিলো গাৱঁৰে ধীৰেণৰ লগত তেতিয়া একো বুজি নোপোৱা কিবা এখন ধৰ্মীয় মেলা চাবলৈ। মেলাত কিছুদিনৰ আগতে ধলাৰ ফাললৈ বিয়া হৈ যোৱা ধীৰেণৰ বায়েক লচ বাইক লগ পাইছিলো; তেঁৰে মেলাত আমাক খিচিৰি ভাত খুৱাইছিলগৈ— ইমানেহে মাত্ৰ মনত আছে। অন্য যিটো কথা মনত থাকি গ'ল- সেইটো হ'ল, ছৈখোৱা ঘাট ৰেল ষ্টেচনৰ আউট চিগনেলটো। বৰ ভুঁইকপত পোত গৈ চিগনেলটো পাঁচ ফুট মানহে মাটিৰ ওপৰত দেখা গৈছিল। সিপাৰৰ শদিয়া তেতিয়া খলপা খলপে খহি চিন মোকাম নোহোৱা হৈছিলগৈ বোলে। নদীৰ পাৰলৈ যোৱাই নহ'ল সিপাৰ মনি চাবলৈ। বহুত বছৰৰ মূৰত নাইনত পঢ়ি

থাকোতে স্কুলৰ হেড্ ছাৰে কিবা কথাত মোক আৰু অমৰেন্দ্ৰক (অমৰেন্দ্ৰ চক্ৰবৰ্তী) এবাৰ ধলা স্কুললৈ পঠাইছিল। তেতিয়া ডাঙৰী ষ্টেচনটোৱে লাষ্ট ৰেল ষ্টেচন; গতিকে চাইকেলেৰে গৈছিলো পৰিত্যক্ত ৰেলৰ আলিয়েদি। সেইবাৰো যোৱা নহ'ল নদী পাৰলৈ। তাৰ পাচত কলেজ ইউনিভাৰচিটিৰ শিক্ষা সাং কৰি আহিলো, কিন্তু ধলা-শদিয়াৰ ফাললৈ যোৱাই নহয়; কাম সকাম একো নাথাকেই যে সেইফালে! মিটিৰ-কুটুমো নাছিল সেইফালে। অস্থায়ীভাৱে ডাঙৰী স্কুলত থাকোতেহে অৰুণা-নিশি (অৰুণা সোণোৱাল আৰু নিশি কোঁৱৰ)-হঁতক লৈ আমি এবাৰ কেইটামানে মিলি পিক্‌নিক্ এটাৰ আয়োজন কৰিছিলো ব্ৰহ্মপুত্ৰৰ বালিত। পিক্‌নিক্‌ত প্ৰয়োজন হ'ব পৰা পানীৰ (খোৱা পানীকে ধৰি) ব্যৱস্থা আদিৰ নদীৰ পাৰৰ জেকা বালিতেই কৰি লৈছিলো দুফুট দ-কৈ গাঁত খানি লৈ। দহ মিনিট মানতেই ফটফটীয়া পানীৰে গাঁত ভৰি গৈছিল। সুজলা অসম! হেড্ ছাৰ (ভুবন শইকীয়া) আৰু শাস্ত্ৰী ছাৰকো (পৰীন্দ্ৰ নাথ শাস্ত্ৰী) লগ ধৰি নিছিলো পিক্‌নিকলৈ। এইফালৰ এইখিনি ব্ৰহ্মপুত্ৰ পানীত সেইবাৰেই প্ৰথম নামিছিলো। তাৰো কেইবছৰ মানৰ পিচতেহে চৰকাৰী কামত গৈ প্ৰথম শদিয়া দেখিবলৈ পালো।

চৰকাৰী কামত গ'লে ফেৰীত ভাড়া নালাগে; নিজৰ চিনাকী দি ৰেজিষ্টাৰ এখনত চহী এটা মাৰি দিলেই হ'ল। ইচ্ছা কৰিলে বহিবলৈকো সুবিধাজনক ঠাইত চিট এটা ল'ব পাৰি। কিন্তু শদিয়ালৈ প্ৰথম যাওঁতে সেইবোৰ সুবিধাই একো মন আন্দোলিত কৰা নাছিল যিমান কৰিছিল শদিয়ালৈ গৈছো বুলি অহা ভাৱটোৱে। কৰ্ম সূত্ৰে প্ৰথম বাৰ শদিয়ালৈ যাওঁতে লগত সোণোৱাল উপাধিৰ এজন পাটোৱাৰী (মণ্ডল) আছিল। নিজৰ লাটত পৰে বাবে শদিয়া সম্পৰ্কে তেওঁৰ যথেষ্টখিনি জ্ঞান আছিল। জ্ঞান জাহিৰ কৰি তেওঁ ভাল পাইছিল আৰু ময়ো শুনি লাভান্বিত হৈছিলো। মোৰ response পাই এটা সময়ত হাবিয়ে জংঘলে ঢাক খাই থকা দ্বিতীয় মহাসমৰৰ সময়ত ব্যৱহৃত হোৱা তথা আগৰ শদিয়াৰ গৌৰৱ, পৰিত্যক্ত এয়াৰ ষ্ট্ৰিপ এটাও দেখুৱালেগৈ। ইয়াৰ বাদে আগৰ গৌৰৱময় শদিয়াৰ চিন বুলিবলৈ বোলে একোৱেই নাই; যি আছিল সকলো ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল। যিমান লৈকে চকু যায়, সকলোতে কিবা উকা উকা ভাৱ। পাচৰ বাৰ শদিয়ালৈ যাওঁতে অকলে গৈছিলো, আছিলোগৈ তেতিয়াৰ শদিয়াৰ (চাপাখোৱা) চাৰ্কিট হাউচত। উকা শদিয়াৰ উদাস লাগি যোৱা ভাৱটো নিজে নিজে আহি গৈছিল। সন্ধিয়া হোৱাৰ লগে লগে অন্ধকাৰত ডুব যায় শদিয়া। গেষ্ট থকাৰ দিনা কিছু সময়ৰ বাবে জেনেৰেটৰ চলে চাৰ্কিট হাউচত। তাকৰীয়া বা সাধাৰণ visitor ৰ বাবে খোৱা বোৱাৰ ব্যৱস্থাও নাওথাকে চাৰ্কিট হাউচত। অকমান ওলাই যাবলৈকো জেগাই নাই। যিখন শদিয়া কাহানিও নেদেখিলো, সেইখন শদিয়াৰ এটা কাল্পনিক ৰূপ ৰোমান্থন কৰিয়েই সময়বোৰ পাৰ কৰি দিব লগা হয়। দিনৰ ভাগত এসময়ৰ সহপাঠী আৰু তেতিয়াৰ এচ.ডি.অ. (চিভিল) অফিচৰ চাকৰিয়াল তৰুণ গগৈয়ে মোৰ শদিয়া visit ৰ কথা গম পাই মাত লগাই গ'লহি। ঘৰলৈ মতা হ'লেও গ'লোহেঁতেন, নামাতিলে। গোহাঁই, ইমদাদ আলি আৰু প্ৰভাত বৰুৱা নামৰ শদিয়াৰ আৰু দুজনমান মোৰ সহপাঠী আছিল; কিন্তু কোন ক'ত থাকে নাজানিছিলো। ইয়াৰ পিচৰ পৰা শদিয়ালৈ যাব লগা হ'লে চাৰ্কিট হাউচত যাতে থাকিব লগা নহয়, সেই লৈ মই সদায়ে সচেষ্ট হৈ থাকিছিলো। দুয়ো ফালৰ পৰা পুৱা যাত্ৰা আৰম্ভ কৰা ফেৰী পাচবেলা নিজ নিজ ফাললৈ ঘূৰি যায়।



গতিকে কামবোৰ সোনকালে শেষ কৰি পিচবেলা ধলাৰ ফাললৈ ঘূৰি অহা কৰিছিলো। এবাৰ তেনে ধৰণে ঘূৰি আহিব নোৱাৰাত বিপদতে পৰিছিলো। চকুৰ আগেদি ফেৰীখন ফট্ ফট্ কৰি গুছি গ'ল ঘাট পাৰলৈ আৰু আধা কিলোমিটাৰ মান বাট থাকোতে। তথাপিও ঘাটলৈ গ'লো। তেনেতে কি কৰা যায় বুলি চিন্তাত থাকোতেই মোৰে নিচিনাকৈ ফেৰী miss কৰা আৰু এজন মানুহ লগ পালো। তেওঁৰ বোধহয় আগে পিছেও ফেৰী miss কৰাৰ অভিজ্ঞতা আছিল; ক'লে বোলে চিন্তা কৰিব নালাগে, নাওঁ পোৱা যাব নদী পাৰ হ'বলৈও। অলপ পিচতে সঁচাকৈয়ে দুজন বিহাৰী নাৱৰীয়াই কোনোবা ফালৰ পৰা আহি ঘাটত নাওঁ লগালেহি। ব্যৱসায়ী মানুহ:



Scanned by CamScanner

পাৰলৈ যাব, কিন্তু বাটত দুই এটা চৰত কিবা কিবি বস্তু বেহানি ঠোৱা মেলা কৰিহে যাব। ভাড়া কিবা এটা লব অলপ চৰ্ত নামানি পাই নাছিল। যথা সময়ত নাওঁ মেলি দিলে। ভৰ বাৰিষাৰ মহাবাহু ব্ৰহ্মপুত্ৰ নৈ, তুলুঙা নাওঁত এই দৰে পাৰ হ'ব খোজাটো এটা মৰ াহ কৰা ধৰণৰ কথা। অকমান হেন্দুলিলেই নাওঁত পানী সোমাওঁ সোমাওঁ কৰে। মোৰ কিন্তু ভালেই লাগিল এটা ভাল adventure হ'ব বুলি ভাবি। কোৱা মতেই মাজ বাটতে এটা চৰত লাগিলগৈ নাওঁ। ফেৰীত গ'লে এইবোৰ দেখাই নাযায়; গৰু ম'হৰ খুটিবোৰ আছিল হ'ব পায় তাত; নেপালী আৰু বিহাৰী মানুহহে কিছু দেখা প'ল। চকুৰে মনিব পৰালৈকে কেৱল সেউজীয়া বন; পিচত গম পালো খেৰণীহে আছিল সেইবোৰ। পুনৰ নাওঁ চলিল। বতৰ ভাল নদেখাৰ বাবে বেলেগ আৰু ক'তো নোসোমায় বুলি কোৱাত মই একপ্ৰকাৰ নিৰাশেই হ'লো। ইমান পৰে কৰি থকা নৌকা যাত্ৰা মই পুৰাদমে উপভোগ কৰিছিলো। হঠাৎ এঠাইত মাজ পানীত দুটামান মানুহ কেতিয়াবা খোজ কাঢ়ি কেতিয়াবা জপিয়াই ইফাল সিফাল কৰি থকা দেখি নিজৰ ববীয়াকৈ কিবা এটা অনুমান কৰি লৈছিলো যদিও নাৱৰীয়াক সুধিলো কথা কি? নাওঁ ওচৰ চপাই দি নিজেই চাই ল'বলৈ ক'লে। দেখিলো— চাৰিখন মান টেনিচ কৰ্টৰ সমান এলেকা এটাত ডাঙৰ ডাঙৰ কুণ্ডাবোৰ যুটিয়াই থোৱা আছে। যিমান ডাঙৰ হ'লেও কুণ্ডা পানীত ওপঙিয়েই থাকে; তাৰেই সুবিধা লৈ জল পথেৰে অৰুণাচলৰ পৰা এই কুণ্ডাবোৰ ক'ৰবালৈ লৈ যোৱা হৈছে। জপিয়াই ফুৰা মানুহ কেইটাই যুটি থোৱা কুণ্ডাখিনি দিক পৰিচালনাহে কৰি আছে দীঘল বাঁহ একোডালক ব'ঠা হিচাবে লৈ। এনেকুৱা কুণ্ডাৰ যুটি গৈ থাকিলে বোলে আৰু বহুত দেখা পোৱা যাব। একে ধৰণৰে লৈ যোৱা বাঁহৰ যুটিও মাজে মাজে দেখা গৈছিল। ফেৰীত অহা যোৱা কৰিলে এইবোৰ দেখাই নাযায়; collision নহ'বৰ বাবে avoid কৰি যায় চাগে ফেৰীবোৰে। এইবোৰ লিখি থাকোতে আগতে কলেজীয়া দিনৰ ডিবুৰু চহৰত থকা বেতৰ মহল থকা মাৰোৱাৰী মহলদাৰ এজনৰ কথালৈ মনত পৰিছে। আচলতে মহলদাৰজনক কোনো দিনে চিনিকে নাপালো; কিন্তু চহৰৰ পূব সীমাত তিনিকোণীয়া কেঁকুৰীটো পাৰ হৈ ৰাষ্ট্ৰীয় ঘাইপথ-৩৭-ৰে অকমান আগলৈ বাওঁফালে ঘূৰিলেই তেওঁৰ বিশাল আট্টালিকাটো পোৱা যায়। ওখ দেৱাল থকাৰ বাবে ভিতৰখন একো নেদেখি; গেটত দেখাত দাৰা সিং জাতীয় এটা দাৰোৱান সদায়ে বিদ্যমান। কেতিয়াবা তেওঁক কচৰৎ কৰি থকা দেখা যায় গেটৰ মুখতে। সেই সুযোগতে ভিতৰলৈ চাই পঠিয়ালে ৰাজ হাউলী যেন লগা আট্টালিকাৰ সমুখ ভাগৰ কিছু দেখা যায়। সেই আট্টালিকাৰে গেটৰ সমুখৰ দুবিঘা মানৰ খোলা জেগাখিনিত ট্ৰাক ভৰাই অনা জাতি বেতবোৰ ক'ৰবালৈ চালান দিয়াৰ আগতে ৰ'দত মেলি শুকুৱায়। কিমান হাজাৰ যে বেত ভৰা ট্ৰাক তাৰ পৰা বাহিৰলৈ গ'ল! বেতৰ কণ কঠীয়া মাৰি শেষ কৰি পেলালে মহলদাৰৰ কৰ্মচাৰীয়ে। আমাৰফালে ব'হাগৰ বিহুৰ দিনা বেত গাজ দুটামান লাগে; এতিয়া পাবলৈকে নাই সহজে। ব্ৰহ্মপুত্ৰৰে উটোৱাই নিয়া সেই বাঁ কুণ্ডাবোৰ অৰুণাচল প্ৰদেশখনৰ বুকু উদং কৰি আজুৰি অনা প্ৰাকৃতিক সম্পদ। তেনেদৰেই নিয়া হয় অসমৰো সম্পদ। গোটেই তিনিচুকীয়া অঞ্চল জুৰি থকা প্লাইউড, শ্ব মিল বিলাকত সেইবোৰ processed হৈ সৰহ ভাগেই বাহিৰৰ গ্ৰাহকৰ প্ৰয়োজন পুৰায়গৈ। তাহানি সৰুতে দেখা লক্ষীপথাৰৰ আকাশচুম্বী শলখ হোলোং গছবোৰ মোৰ চকুৱে বিচাৰি ফুৰিছিল কেইবছৰ মানৰ আগতে তালৈ যাওঁতে। উদং লক্ষীপথাৰৰ অৰণ্য দেখি কোনোবা বুঢ়ী আইতাৰ হোতোৰা পৰা আভৰণহীন উকা বুকুখন যেন লগা হৈছিল। কি নাছিল তাত? আশা, ভৰষা, প্ৰাচুৰ্য্য, উষ্মা- আটাইবোৰৰে প্ৰয়োভৰ। এতিয়া লক্ষীপথাৰত অৰণ্য আছে ঠিকেই, কিন্তু গছ হে নাই। এজোপা গছ কাটিলে চাৰিজোপা গছ ৰোৱা নিয়ম কৰিব নোৱাৰিলেহেঁতেন জানো চৰকাৰে? তেনে কিবা নিয়ম থকা হ'লে পৰৱৰ্তী কালত প্লাইউড ফেৃৰীবোৰ, শ্ব মিলবোৰ বন্ধ নকৰিলেও চলিলেহেঁতেন। আৰু বেটগাজৰ গছতো নিজে নিজেই হয়। মহলদাৰক কণ কঠীয়া মাৰিবলৈ নিদিলেই হ'লহেঁতেন। অসমৰ মাছ-পুঠিবোৰো তেনেকৈয়ে নোহোৱা হ'ল। মাছৰ মহলবোৰত কাম কৰা বিহাৰী মাছ মৰীয়াই কণ কঠীয়া মাৰি মাছ মৰা সৰুতে আমি নিজেই দেখিছিলো। আমিবোৰোতো কম নহয়; মাছৰ উজান পৰা কথাটো নতুন প্ৰজন্ম এটা অহাৰ প্ৰক্ৰিয়া মাথোন। মাছ মৰাৰ কোব আমাৰ আক' তেতিয়া বেছি হয়। নৈ-বিলত বিহ দি মাছ ধৰাতো সমীচিন জানো?

ভটীয়নী সোঁতত গৈ থাকিলে নাৱৰীয়াই বেছি কষ্ট কৰিব নালাগে। গুৰি বঠা ঠিক কৈ ধৰি থাকিলেই হয়। তৎস্বত্বেও নাৱৰীয়াই কেতিয়াবা খদম দম লগাইছিল, নাওঁ তুলুং ভুতুং কৰি যায়, কাৰণ সোধাত এজনে ক'লে— কেইবাখনো উপনৈ আহি ব্ৰহ্মপুত্ৰত লাগিছেহি, সেইবোৰৰে সোঁতবোৰ ভাগে ভাগে আহি থাকি দলদোপ হেন্দোলদোপ লগায়; নাওঁ চলোৱাত অসুবিধা হয়, চম্ভালিব লগীয়া হয়। বৰ এটা পতিয়ন নগলো মই, কাৰণ নদীবোৰ লগ লগা জেগাবোৰ ভালেমান পিচত বৈ গৈছে। চাকনৈয়াতহে পৰে চাগে। যিয়ে নহ'লেও বাৰে বাৰে আকাশলৈ চাই বঠাৰ কোব চৰোৱাত বুজিলো সোনকালে পাৰ নাপালেগৈ অসুবিধা আছে। এটা সময়ত পাৰ পাই নাঁৱৰ পৰা নামিছোহে মাত্ৰ, কৰ পৰা নো মুহূৰ্ততে বৰদৈচিলা হেন ধুমুহাজাক আহিল ক'ব নোৱাৰো, নাৱৰীয়াক ভাড়া দিবলৈকে তত নাপাইছিলো। লগত অহা কলহৰ কানে ঢলা বৰষুণ জাকে ধলা বাচ ষ্টেচন পাওঁ মানে জুৰুলি জুপুৰি কৰি পেলালে। বুজিলো বিহাৰী নাৱৰীয়া দুজনৰ দুৰদৰ্শিতাৰ বাবেই সাংঘাটিক কিবা এটা হোৱাৰ পৰা সেই দিনা বাচি আহিলো। ইয়াৰ পিচত আকৌ কেতিয়াবা শদিয়ালৈ গ'লে ফেৰী যাতে নেহেৰুৱাও



Scanned by CamScanner

সেইলৈ মই সদায়ে সাবধান হৈ পৰিছিলো। এবাৰ কেনেবাকৈ দেখি হোৱাত ৰখিওঁলৈ যোৱাৰ ফালে গগৈ নে গোহাঁই উপাধিৰ এঘৰত আলহীয়েই থাকি গ'লো। ৰাতিটোৰ বাবে। অচিনাকী হ'লেও আমাৰ ফালে অতিথি সৎকাৰত কোনো কাৰ্পণ্য নাৰাখে মানুহবোৰে। বৰ আদৰ সাদৰ কৰি ৰাখিলে মানুহ ঘৰে আমাক— মানে মোৰ আৰু মোৰ লগত যোৱা দাস উপাধিৰ (কামৰূপৰ ফালৰ) ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰীৰ এজনক।

এইখন শদিয়াই আজিৰ পৰা চোঁ মাৰি গৈ মুহূৰ্ততে ঘূৰি আহিব পৰা ঠাই হৈ গ'ল। আশা কৰিছো শদিয়াই হেৰোৱা গৌৰৱ ঘূৰাই পোৱাৰ প্ৰক্ৰিয়া আজিৰ পৰাই শুভাৰম্ভ হৈ যাওক। অহাবাৰত গাঁৱৰ ঘৰলৈ গ'লে ঢলা-শদিয়া দলং- নহয় ভূপেন হাজৰিকা সেতু চাবলৈ যামেই, শদিয়ালৈ যামেই শতফুল খাবলৈ পাওঁৱেই বা নেপাওঁ। যোগসূত্ৰ মিলিলে অৰুণাচল বাসীকো আদৰণী জনাম, ক'ম ভূপেন সেতুৰে পাৰ হৈ চাৰি কিলোমিটাৰ মান ৰাষ্ট্ৰীয় ঘাইপথ নং-৩৭ ৰে আগবাঢ়ি গ'লেই আমাৰ ডাঙৰী অঞ্চল পায়, এই ফালৈলে আহিলে তাতে খন্তেক ৰৈ যেন আমাৰ সোণোৱাল মানুহখিনিৰ আতিথ্যৰ উমান লৈ যায়। সিপাৰৰ মানুহখিনিওতো (অৰুণাচল বাসীকো লৈ) কম অতিথি পৰায়ণ নহয়। এবাৰ ইটানগৰলৈ চৰকাৰী কামত যাওঁতে কোনো বাধ্য বাধকতা নাথাকোতেও সংশ্লিষ্ট বিভাগৰ মূৰব্বী গৰাকীয়ে সেইদিনা কিবা কামত ছুটীত থকাত ঘৰলৈকে মাতি পঠিয়ালে এনেয়ে লগ পাবৰ বাবে। ঘৰলৈ গৈহে গম পালো— ভদ্ৰ মহিলা গৰাকী ৰয়িংৰ ওচৰৰে কোনোবাখিনিৰ। সদ্যহতে ইটা নগৰৰ নিগাজী বাসিন্দা। গিৰিহঁতজন অৰুণাচলৰ সাংসদ আছিল এটা সময়ত। মই ডাঙৰীৰ বুলি গম পালত অতিথি সৎকাৰৰ মাত্ৰা দুগুণ চৰিল। মাছে-মঙহে-আপঙে খোৱা-বোৱা কৰাইহে এৰিলে। ওপৰঞ্চিত যচা নগা শ্বালখনৰ উম এতিয়াও মাজে মাজে লওঁ মই।

ৰাষ্ট্ৰৰ নামত উচৰ্গা হোৱা সেতুখনক লৈ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰে এটা সকিয়নী দি থোৱাও ভাল যিহেতু সেতুখন এটা সংবেদনশীল স্থানত অৱস্থিত হ'ল। অৰুণাচলক লৈ চীনৰ দাদাগিৰি বহু দিনৰে পৰা চলি আহিছে; নিজৰ ফালে ৰেল, এয়াৰ পৰ্ট, বাট-পথ সকলো হ'ব লাগে, কিন্তু প্ৰদেশখনৰ ক'ৰবাত কিবা এটা স্থাপিত হ'লেই চীনে ৰঙা চকু দেখুৱাতো এটা নিয়মত পৰিণত হৈছে। ভূপেন সেতুক লৈও যে বিৰূপ প্ৰতিক্ৰিয়া এটা জাহিৰ নকৰিব তাৰ কোনো নিশ্চয়তা নাই। কৰিলে ইকাণে সোমাই সিকাণে উলিয়াই দিয়াটোৱে সমীচিন হ'ব। বাৰে বাৰে পত্ৰকাৰ সকলৰ মুখত সেতুখনৰ বহন ক্ষমতাৰ বিষয়ে অৱগত হৈ ভাল লাগিছে তাৰ implication টো বুজি। আবেলি সময়ত আমাৰ লগত এঠাইত সদায়ে এঘণ্টামান বহেহি ৯৫ বছৰত ভৰি দিয়া অৱসৰ প্ৰাপ্ত লেঃ কৰ্ণেল ওমৰাও সিং। '৬২ ৰ চীনা যুদ্ধৰ কথা কেতিয়াবা ৰোমন্থন কৰে আমাৰে সৈতে। চীনা সৈন্যই সহজে আগবাঢ়ি আহি থাকিব পাৰিছিল ভাৰতীয় সৈন্যৰ যুদ্ধৰ বাবে সমুচিত প্ৰস্তুতি নথকাৰ সুযোগ লৈ। ফ্ৰন্ট লাইনত কি হৈ আছে বেচ কেম্পে গমকে নাপায়, বেচ কেম্পত কি হৈ আছে ফ্ৰন্ট লাইনেও গম নাপায়। সংযোগ প্ৰক্ৰিয়া বিকল; যোগাযোগ ব্যৱস্থাও সুচল নহয় প্ৰকৃতাৰ্থত বাট পথ নথকাত। অগ্ৰসৰ হৈ থকা চীনা সৈন্যক চীনা বায়ু সেনাই সহযোগ কৰিছে; আমাৰ ফালৰ বায়ু সেনাৰ দেখা দেখিয়ে নাই। এনে পৰিস্থিতিৰ পৰিপেক্ষিতত "It was not a war in the true sense of the term" বুলি লেঃ কৰ্ণেল চাহাবে ক'ব খোজে। চীনা আগ্ৰাসনক ঢাল-তৰোৱাল নথকা নিধিৰাম ৰূপী হৈ পৰা লেঃ কৰ্ণেল চাহাব (তেতিয়া মেজৰ আছিল) আৰু তেওঁৰ সহযোগী সকলে ৰুধিব নোৱাৰি অৰুণাচলৰ বমডিলা আদিৰ পৰা তেজপুৰৰ ফালে বিট্ৰিট কৰিব লগা হৈছিল বুলি কয়। এতিয়া সেই অৰুণাচলৰে পাদ দেশত এই সেতুখন হোৱাৰ মাহাত্ম্য এই লেঃ কৰ্ণেল চাহাবতকৈ কোনে বেচি উপলব্ধি কৰিব পাৰিব বাৰু! পিচে এই লেঃ কৰ্ণেল চাহাব এতিয়া বয়সৰ ভৰত ভাৰাক্ৰান্ত, সম্যক ভাৱে কথাবোৰৰ মূল্যাঙ্কণ কৰিব নোৱৰা হৈ আহিছে। তথাপিও অনুভৱ কৰিব পাৰিছে সেতুখনৰ মাহাত্ম্যৰ কথা। সেতুখনৰ ৰক্ষণাবেক্ষণ চৰকাৰেতো কৰিবই, স্থানীয় ৰাইজেও এই ক্ষেত্ৰত সমোচিত নজৰ ৰখাতো যথোচিত হ'ব। আমি পঢ়ি থকা কালৰ অগা-পিচাকৈ ধলা আৰু ডাঙৰী নদীৰ ওপৰতো আৰ.চি.চি. দলং সজোৱা হৈছিল। দুয়োখন দলঙেই পানীৰ আৰু পানীৰ লগত অহা মেটেকাৰ ভৰ ল'ব নোৱাৰি (?) ভাঙি পৰিছিল। এতিয়া থকাবোৰ পুনৰনিৰ্মিত সংস্কৰণহে। ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মিত হোৱা এই সেতুখন তেনে এটা পৰ্য্যায় কেতিয়াও নিশ্চয় নাপায়গৈ। জাহ্নু বৰুৱাৰ 'সাগৰলৈ বহু দূৰ' নামৰ ছবিখনত বিষ্ণুৱে (বিষ্ণু খাৰঘৰীয়া) ৰূপ দিয়া ঘাট নাৱৰীয়াজনৰ চৰিত্ৰটোক ছবিখন চোৱাসকলে নিশ্চয় নাপাহৰে। নদীত নতুনকৈ হোৱা দলংখনৰ বাবে মানসিক সংঘাতত ভোগা নাৱৰীয়াজনৰ দৰে কিছুমান চৰিত্ৰৰ সৃষ্টি হোৱাৰো সম্ভাৱনা আছে, এই সেতুখন হোৱাৰ বাবেও। চৰকাৰে সেইফালেও এটা নজৰ ৰখাটো সমীচিন হ'ব। যিহেতু সেতুখনৰ ইফালে-সিফালে বহু দূৰলৈ জন বসতি নাথাকিব, বিপদ আপদৰ সময়ত সহায়ৰ হাত আগবঢ়াবলৈ ওচৰে পাজৰে কাকোৱে পোৱা নাযাব পাৰে। যদি লৈছে ভালেই, যদি লোৱা হোৱা নাই, তেনেহ'লে এইক্ষেত্ৰত সেতুখন travel friendly কৰি তুলিবলৈকো কিছু ব্যৱস্থা লোৱা প্ৰয়োজন হ'ব।

**বিঃদ্ৰঃ** লেখাটো মোৰ অপ্ৰকাশিত আত্মজীৱনী মূলক পুথি "ME SPEAKING আত্ম-কথা (REMINISCENCE)"-ৰ কিয়দংশ।



Scanned by CamScanner



# অস্তিত্ব

তৃষ্ণা বৰকাকতি
মোবাইল নং- ৯৩১২৪০৬৫২৮

এৰা বোপাই পূজাভাগ আহিছে— তইঁতেও পাতিবলৈ যো-জা কৰিছ, বৰ ভাল কৰিছ। নৈবেদ্যখনি ভালদৰে পবিত্ৰ মনেৰে দিবি আৰু অন্তৰ ভৰা শ্ৰদ্ধাৰে আটায়ে সেৱা জনাবি। এইবেলি বেছি জাক-জমকতা নকৰিবি। দেৱী মাৰ খং নুঠাবি। দেখিছই নহয় দেশৰ অৱস্থা! বানপানীয়ে কেনেকৈ গোটেইখন ঢাহি-মুহি নিলে। চাচোন— এইবাৰ আমি ভাদমহীয়া নামঘাৰো গাবলৈ নাপালো। ৰনামঘৰৰ মূধচেদিয়ে... পানীয়ে সকলো উটুৱাই নিলে।পুথি-পাঁজিৰ চিন-মোকামে নাই। কেৱল সেই বৰ ডবাটোহে থিয় দি আছে। কি কৰিম কচোন? মাটি বুলিবলৈ ঠাই অকণো নাই। আমিবোৰে তিয়নি একোখনেৰে কোনোমতে গাটো ঢাকি আজি অ'ত, কালি ত'ত কৰি ঢপলিয়াই ফুৰিছো। সা-সম্পত্তি বা টকা-পইচা বিচাৰি নহয়। ল'-ছালি কেইটাক বিচাৰিহে। ৰাতিটোৰ ভিতৰতে কোন কেনি গ'ল টলকিবই নোৱাৰিলো। তথাপিও মনোবল হেৰুৱা নাই। কাৰণ তইঁত ডেকা মখা আছ নহয়...! পিছে তইঁতে জানো এই বুঢ়ী মাৰৰ দৰে তিষ্ঠি থাকিব পাৰিবি? আজি অত বছৰে সংসাৰৰ বহু দুখ-সুখ সমস্যা পাৰ কৰিছো। প্ৰকৃতিৰ তাণ্ডৱো দেখিছো। দেশৰ স্বাধীনতা সংগ্ৰামো পাৰ কৰিছো। কিন্তু এনে সংহাৰ ৰূপ দেখি এইবাৰ সঁচাকৈয়ে ভয় খাইছো। আজিৰ যুগত টি.ভি আৰু মোবাইলত অহা বাতৰিবোৰ তইঁতে এ.ছি. কোঠাত বহি আলোচনা কৰিছ ভাল কৰিছ। কিন্তু ভৱিষ্যতে তইঁতবোৰে বা তইঁতৰ ল'-ছালিবোৰৰ দেহাই জানো এনে বিপৰ্যয় সহিব পাৰিব??... আজি তিনি দিনৰ মূৰত কোনোবা সদাশয় লোকে চাউল-দাইল আৰু নিমখ অকণমান দিলেহি। পিছে ৰান্ধিবলৈ চৰু-হাৰী একোকে নাই যে... সকলো উটি গ'ল। তাৰোপৰি ৰান্ধনি-শাল পাতিবলৈ ঠাই ক'ত? কিয়, তইঁতে শুনা নাই জানো...? ইচলাম দাইটিয়ে পুতেকক কবৰ দিবলৈ ঠাই নাপাই পাকঘৰৰ বেৰাখন ভাঙি কবৰ দিছে। এতিয়া সেই ঠাইত ভৱিষ্যতে সিহঁতে বাৰু কেনেকৈ চৰু পাতিব? আমাৰ কণবোপায়েচোন নিজৰ নাতিনী জনীৰ দেহাটো হস্পিতালৰ পৰাই নানিলে। আনিনো কি কৰিব? শেষ বিদায় দিবলৈ মাটি-ভেটি একোকে নাই, হাতত ধনো নাই। কবৰস্থান-শ্মশান ঘাট, মন্দিৰ-মজিদ সকলোবোৰ একাকাৰ হ'ল। অৱশ্যে ভালেই হৈছে বুইছ। এতিয়া অন্ততঃ দুৰ্যোগৰ সময়ে আমাক একেলগ কৰিছে। তইঁতে কি বুজিবি বোপাইহঁত... আগতে আমি একেখন চোতালতে বহি চুবুৰীৰ সমস্যাবোৰ সমাধান কৰিছিলো। ইচলাম-ৰহমানহঁতৰ ল'-ছালি আৰু আমাৰ ল'-ছালিয়ে একেটা সাধুকে শুনিছিল। চৈয়দা খুড়ীটিয়ে ৰিহা-মেখেলা পিন্ধি আমাৰ লগতে একেলগে মেলা চাবলৈও গৈছিলো। পিছে এতিয়া ভাবিবলৈ ভয় হয় তইঁতবোৰলৈ। সেই বাবেই কৈছো— পূজাভাগ ভালদৰে পাতিবি... আৰু সেই অপদীয়া গানবোৰ নবজাবি দেই। আমাৰ ইমান ধুনীয়া ধুনীয়া আইনাম, বৰগীত, বনগীত, লোকগীত, থিয়নাম, দিহানামবোৰ আছে সেইবোৰকে শুনাবি। বানপানীৰ কৰাল গ্ৰাসত আমাৰ সাহিত্য-সংস্কৃতিও উটি যাবলৈ দিলে অসমীয়াৰ অস্তিত্ব নোহোৱা হ'ব। তইঁতবোৰেইতো আমাৰ অস্তিত্ব। বেয়া নাপাবি, কথাবোৰ ভাবি চাবি। এই বুঢ়ীমাৰেনো কি উপদেশ দিম! চকুৰে দেখা আৰু জীৱনৰ অভিজ্ঞতাৰে যি বুজিছো তাকেহে কৈছো। ধন-সম্পত্তি দুদিনৰ সম্পদ, তেনেই ক্ষন্তেকীয়া। নহ'লেনো সেই তৰামাইজনীৰ তেনেকৈ মৃত্যু হ'বলৈ পায়নে? তিনিদিনৰ মূৰত তাইক বিচাৰি পাওতে বুকুত কেঁচুৱাটি আৰু কঁকালৰ খোচনিত আ-অলংকাৰ আৰু টকাৰ টোপোলাটো লিপিট খাই আছিল। তাইক এইবোৰে বচাব নোৱাৰিলে। পিছে ৰাইজৰ বাবে গাঁৱত তাই চহৰীয়া ছোৱালী হিচাবে যি কৰ্ম কৰিলে সেই কথা সুঁৱৰি সেই দিনা সকলোৰে হিয়া ঢাকুৰি কান্দিলে। শিবিৰত থকা আটায়ে এক মুহূৰ্তৰ বাবে পাহৰি পেলালে সৰ্বশ্ৰান্ত হোৱাৰ নিজৰ দুখ-কষ্টৰ কথা।

বোপাইহঁত... বেয়া পালেও কথাবোৰ বুজি চাবি। আমাক তইঁতৰ পৰা বেলেগ একোকে নালাগে। সৎ মনেৰে আৰু নিষ্ঠাৰে কামবোৰ কৰছোন। সকলোৰে আশীৰ্বাদ পাবি আৰু ভাল ফলো পাবি। ভৱিষ্যত জীৱনৰ কথা ভাবি চাবি আকৌ। যদি ইমানবোৰ কৰিও শান্তিৰে মৰিবলৈ ঠাই অকণ নাথাকে...?

ভাদমহীয়া নামঘাৰ গাবলৈ নাপাই কিমান কষ্ট পাইছো তইঁতে কি বুজিবি? সেই বৰ ডবাটোলৈকে চাই চাই দূৰৰ পৰাই সেৱা জনাইছো। মাহ-প্ৰসাদৰ শৰাই আগবঢ়াব নোৱাৰিলো কি হ'ল। কৰযোৰে প্ৰাৰ্থনা কৰিবলৈ শিবিৰত এতিয়া আমি বহু মানুহ আছো। পিছে পূজাভাগতো কৰিব নোৱাৰো। আমাৰ বাবে তইঁতেই সেৱা এটি লবি। বোপাইহঁত... কেৱল পূজাভাগ নিষ্ঠাৰে কৰিবি। কিন্তু চান্দা বিচাৰি তইঁত আকৌ আমাৰ ওচৰলৈ নাহিবি দেই...।



# অসমৰ ৰজাদিনীয়া পুখুৰীৰ ৰহস্য

উলুপী কাকতি
ফোন নং-৯৮৯৯২০০৭১১

আহোম ৰজাসকলৰ ৰাজত্ব কালৰ সাগৰ সদৃশ পুখুৰীবোৰৰ পানী এতিয়াও পাৰ ওপচা। নুশুকায়ো আৰু ওপচি পাৰো নাভাঙে। এইবোৰৰ পানী নিৰ্মল, খোৱাৰ উপযোগী। সেইকালত বিভিন্ন কাৰণত অসংখ্য পুখুৰী অসমৰ নানা ঠাইত খন্দোৱা হৈছিল। তাৰে ভিতৰত উল্লেখ কৰিবলগীয়া পুখুৰীকেইটা হৈছে—জয়সাগৰ পুখুৰী (এই পুখুৰীৰ পাৰৰ সৈতে কালি ৩১৮ একৰ, পানী অংশৰ কালি ১৫৫ একৰ), গৌৰীসাগৰ পুখুৰী (পাৰৰ সৈতে কালি ২৯৩ একৰ আৰু পানী অংশৰ কালি ১৫০ একৰ) আৰু শিৱসাগৰ পুখুৰী (পাৰৰ সৈতে কালি ২৫৭ একৰ, পানী অংশৰ কালি ১৫০ একৰ)। এই পুখুৰীবোৰ ভাৰতৰ ভিতৰতেই বৃহৎ বুলি পৰিগণিত। ব্ৰিটিছসকলেও আহোম ৰাজৰত্ব কালৰ বিৰাটাকাৰৰ পুখুৰীবোৰ দেখি আচৰিত হৈছিল।

আহোম যুগত মাটিৰ গুণাগুণ পৰীক্ষা কৰি স্থান নিৰ্ণয় কৰিবলৈ 'দৰৱধৰা বৰুৱা', 'মাটি-চেলেকা বৰুৱা' আৰু 'ৰসেন্দ্ৰ বৰুৱা' নামৰ তিনিগৰাকী বিষয়া আছিল। এই তিনিওজনৰ সন্মিলিত প্ৰচেষ্টাত পুখুৰীৰ স্থান নিৰ্বাচন, নাদ খন্দোৱা আৰু 'ৰহ স্থাপন কৰা হৈছিল।

**স্থান নিৰ্বাচনঃ**—পুং বা পানীৰ উঁহৰ স্থান নিৰ্বাচন কৰাৰ দুটা প্ৰক্ৰিয়াৰ কথা জনা যায়। প্ৰথম প্ৰক্ৰিয়া ঃ—পুখুৰী খান্দিবলৈ ভবা ঠাইডোখৰ পোন প্ৰথমে মাটি চেলেকি ঠাই ঠিক কৰা হয়। তাৰ পাছত আন্ধাৰ ৰতি কিছুমান মিঠাতেলৰ চাকি জ্বলোৱা হয়। চাকিত তেল থাকিলেও, বতাহ নবলিলেও যি ঠাইত চাকিটো হঠাতে নুমাই যায় তাতে একোটাকৈ খুতি পুতি থোৱা হয়। তাৰ পাছত এটা ডাঙৰ চাকি জ্বলাই আগতে পোতা খুটিবোৰত থ'লে যি ঠাইত আগতে চাকিটো নুমায়, তাতে পানীৰ উঁহ থকা বুলি ধৰা হয়। সেই ঠাইকে কেন্দ্ৰ কৰি পুখুৰী এটা খন্দা হয়। পুৰাতত্বপ্ৰেমী পদ্ম বৰগোহাঁইদেৱৰ লিখনিত পোৱা যায় যে ৰাজপৰিয়ালৰ কোনো লোক বা কোনো ডা-ডাঙৰীয়াৰ সোঁৱৰণৰ বাবে পুখুৰী খন্দোৱাবলৈ স্বৰ্গদেৱে ৰবৰুৱাক মাতি তাৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়ে। ৰবৰুৱাই বৰা, শইকীয়া আদি বিষয়া সকলক পুখুৰীৰ দীঘ-প্ৰস্থ নিৰূপণ কৰিবলৈ দি মহন দেওধাই পণ্ডিতৰ হতুৱাই বানচেং মৰাই স্থান নিৰ্বাচন কৰে।

দ্বিতীয় পদ্ধতিটো হ'ল এনে—এহাত মান দীঘল শাখা শাখী ওলোৱা কঁৰালি লোৱা নৰা বগৰীৰ ঠাল এটা বুকুত লগাই সমতলৰ সমান্তৰালভাৱে লৈ নিৰ্বাচিত স্থানত খোজকাঢ়ি ফুৰিলে হঠাতে বৈদ্যুতিক গতিৰে ঠালটো উলম্ব হৈ পৰে। সেই ঠাইত পানীৰ উৰ্দ্ধমুখী উঁহ থকাৰ প্ৰমাণ হয় আৰু তাতে পুখুৰী খান্দি তলিত নাদ ফুটুৱা হয়।

**খনন পদ্ধতিঃ**—নাদ ফুটাওঁতে তলৰ পৰা পানী ওলাবলৈ ধৰে। শাল খুটা এটাৰে ইয়াৰ মুখ বন্ধ কৰি পানীৰ উৰ্দ্ধগতিৰ সোঁত নিয়ন্ত্ৰণ কৰা হয়। সাধাৰণতে পুখুৰীৰ ভিতৰকাল তিনি-চাৰি খাপকৈ খন্দা হয়। ৰমানন্দ দ্বিজৰ ৰচিত 'বনমালী দেৱৰ চৰিত' পুথিত স্বৰ্গদেউ জয়ধ্বজ সিংহৰ দিনত (১৬৪৮-১৬৬৩ চন) খন্দোৱা পুখুৰীৰ খনন চিত্ৰ দেখিবলৈ পোৱা যায়।

**নাগমাৰিঃ**—নাগমাৰিৰ অৰ্থ নাগ বা সাপৰ ফনাৰ আকাৰ থকা মাৰি বা খুটা। নিপুণ বাঢ়ৈৰ দ্বাৰা শকত শাল কাঠেৰে নাগমাৰি তৈয়াৰ কৰা হয়। গোলাকাৰ এই মাৰিৰ গুৰিৰ পৰা মূৰলৈ গছত লতা মেৰিয়াই বগাই যোৱাৰ দৰে লোৰ কটা হয়। এই লোৰেদি পুঙৰ পানী সহজতেই নিয়ন্ত্ৰিত আৰু নিয়মীয়াভাৱে ওপৰলৈ ওলাই আহে। নাদৰ মুখেদি যাতে জোৰেৰে পানী ওলাই আহিব নোৱাৰে তাৰ কাৰণে নাদৰ মুখখনত এই মাৰিৰে ঠিলা মাৰি পানীৰ সোঁত নিয়ন্ত্ৰণ কৰা হয়। প্ৰয়োজনতেই হওক বা সৌন্দৰ্যবৰ্ধনৰ বাবেই হওক কিছুমান নাগমাৰিৰ চূড়াত কাৰুকাৰ্য খটোৱা হয়। শীৰ্ষভাগ ফণামেলা সৰ্পৰ মূৰটোৰ দৰে বা কাছৰ পিঠিৰ দৰে কৰি তাৰ তলত মাৰিডাল দুই ইঞ্চিমান খুলি তাত চাৰিটা খুটি যেন কৰা হয়। তাৰ তলত কিছু অংশলৈ গিৰ্মিটি বা পাক ভোঁহৰ (কাঠমিস্ত্ৰিৰ ড্ৰিল) দ্বাৰা সৰু ফুটা কৰা হয়। পানীৰ পৰা ওলাই থকা নাগমাৰিৰ মূৰ অংশত বগা ৰং দিয়া হয়। ই মাৰিৰ ঢাকনিৰ কাম কৰে, পানীৰ মাজত তিৰবিৰাই থাকে।

নাগমাৰিডাল বেঁকা হৈ ঢলি নপৰিবলৈ আৰু ক্ষতি নহ'বলৈ গুৰিৰ পৰা পুখুৰীৰ তৃতীয় খলপাৰ সমানলৈ পানী নিগৰি আহিব পৰাকৈ মাজে মাজে ফুটা ৰাখি ইটা গাঁথি পকী কৰি দিয়া হৈছিল। শোণিতপুৰৰ বটলগড়স্থিত এনে এটা পুখুৰী ১৯৮৩ চনত ব্ৰহ্মপুত্ৰৰ

গড়াখহনীয়াত জাহ যোৱাত পুখুৰীটোৰ পকী কৰা তলিত থকা নাগমাৰিডাল ওলাই পৰে। পূর্ণানন্দ বুঢ়াগোহাঁইয়ে খন্দোৱা যোৰহাটৰ হাতীগড় পুখুৰী আৰু কলিয়াবৰৰ ভঁৰালীবৰুৱা পুখুৰীত এতিয়াও আহোম যুগৰ নাগমাৰি দেখা যায়।

**ৰহ ঢলাঃ**—নাগমাৰি গুৰিত এখন তামৰ পাত্ৰত 'ৰহ' দিয়াৰ উপৰিও এঙাৰো দিয়া হয়। কিছুমান ঠাইত শিলগুটিও পোৱা গৈছে। এই 'ৰহ'ক বহুলোকে পাৰা বুলিও কয়। বৈজ্ঞানিক দৃষ্টিৰে পাৰা বা মার্কাৰিৰ পানী শোধন কৰিব পৰা গুণ নাই। মৌলিক ৰূপে পাৰা বিষাক্ত নহয় যদিও পাৰাৰ বাষ্প উশাহত শৰীৰত প্ৰৱেশ কৰিলে বিষক্ৰিয়া ঘটে। মিথাইল মার্কাৰি (এটা যৌগ)য়ে মানুহৰ শৰীৰত 'মিনামাটা' নামৰ এক ৰোগৰ সৃষ্টি কৰে। নাগমাৰিৰ তলিত তামৰ পাত্ৰ দিতাত পাৰা দিয়াটোৰ কিন্তু এটা বৈজ্ঞানিক কাৰণ আছে। পাৰা, যি স্বভাৱতে অস্থিৰ, তামৰ সংস্পৰ্শত ই তাতে লাগি ধৰে।



আহোম যুগত অনিৰুদ্ধ দেৱৰ পুত্ৰসকলে আয়ুর্বেদ আৰু ৰসায়নিক গৱেষণা কৰিছিল। এই বংশৰ লোকসকলৰ বাদে 'ৰহ' তৈয়াৰ কৰিব পৰা লোক আৰু কোনো নাছিল। দ্ৰব্যগুণ বিদ্যাৰ চৰ্চাৰ ফলত তেওঁলোকে 'ৰহ' তৈয়াৰ কৰিলে। এই বংশৰ দায়িত্বশীল লোকে নাগমাৰি ফুটুৱা পুখুৰীবোৰৰ তলিত তামৰ পাত্ৰত 'ৰহ' ঢালি পানী নির্মল কৰিছিল বুলি জনা যায়। এই বংশধৰ সকলক 'ৰসেন্দ্ৰ বংশ'ৰ বুলি কোৱা হয়।

**পুখুৰীবোৰ নুশুকুৱাৰ ব্যৱস্থাঃ**—আহোম যুগৰ এই পুখুৰাবোৰ শুকাই নোযোৱাকৈ ৰখাৰ কিছুমান কাৰিকৰী ব্যৱস্থা কৰা হৈছিল। পুখুৰীবোৰৰ আন্তঃসংযোগী পকা নলীবো ব্যৱস্থা আছিল। নলীবোৰ নাগমাৰিৰ গুৰিতে মাটিৰ দুফুটমান তলেৰে নিয়া হৈছিল। নলীবোৰ দুই আঢ়ৈফুট ব্যাসৰ ক'লা পোৰা মাটিৰে তৈয়াৰী আছিল। এনে এডাল পকী নলী ১৯৩৫ চনত বগীদ'ল পুখুৰীত পোৱা গৈছিল। কোনো কোনো ঠাইত ওঠৰ ইঞ্চিমানৰ গোলাকাৰ যুৰীয়া পকী নলীও পোৱা যায়। পানী নুশুকাবলৈ সেই কালত আৰু এটা কৌশলৰ ব্যৱস্থা কৰা হৈছিল। নাগমাৰিৰ মূৰত এডাল শিকলি বান্ধি শিকলিৰ আনটো মূৰ পাৰৰ গছ এডালত বান্ধি থৈছিল। শিকলিডাল টানিলে পানীৰ পৃষ্ঠ ওপৰলৈ উঠি আহে।

পুখুৰীৰ পানী উপচি পাৰ নাভাঙিবৰ বাবে বাহিৰফালে যমুনা বা খাৰৈ খান্দি পাৰ ভেটা দিয়া হৈছিল। উঁহৰ পৰা বেছিকৈ পানী ওলালে ধোন্দেৰে অতিৰিক্ত পানী উলিয়াই এক নিয়ন্ত্ৰিত উচ্চতাত ৰখা হয়। জয়সাগৰ, শিৱসাগৰ, ৰুদ্ৰসাগৰ, বগীদ'ল, ভাটিয়াপাৰ আদি পুৰণি ৰংপুৰত অৱস্থিত পুখুৰীকেইটা এনে অৱস্থাত দেখা যায়। পুখুৰীৰ আকাৰ অনুসাৰে পঞ্চাচৰ পৰা এশ বিছ ফুটলৈকে এনে খাৰৈ বা যমুনা দেখা যায়। চাং ৰুং ফুকনৰ বুৰঞ্জীৰ মতে জয়সাগৰ পুখুৰী খান্দোতে সাতটা খাৰৈ খন্দা হৈছিল। লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰ অঞ্চলৰ ৰাধা পুখুৰী, গোঁহাই পুখুৰী আদি বৃহৎ পুখুৰীবোৰতো এনে খাৰৈ দিয়া হৈছিল।

এনেবোৰ বৈজ্ঞানিক জ্ঞানেৰে কাৰ্যকুশলতাৰে ভৰা আমাৰ অসমৰ ইতিহাসৰ গভীৰতালৈ সোমাই গৈ থাকিলে অতি আচৰিত, ৰোমাঞ্চকৰ তথ্য পোৱা যায়। আজিও সেই যুগৰ বহু কথা ৰহস্য হৈয়েই আছে।



Scanned by CamScanner



# ভগৱান

*পাৰ্থ পি. বৰা*
*ফোন নং- ৮৩৭৫৮-৫৬৯৬০*

শিৱৰাত্রি বা আন কিবা বিশেষ উৎসৱ পাৰ্বণৰ দিন একোটাত গাঁৱৰ তিনিআলিটোৰ মূৰত সাধাৰণতে যিমান মানুহৰ সমাগম হয়, আজি পুৱাই কোনো বিশেষ উপলক্ষ্য নথকাকৈয়ে তাতোকৈ অলপ বেছি মনুহৰ সমাগম হ'ল।

"বপুৰাক পুলিচে ৰাতিপুৱাই থানালৈ নিলে"।

খবৰটো শুনিয়েই বগীৰামে গৰুজনী এৰাল দিয়া কামটো পথাৰত আধাতে এৰি, চুৰেণে বাৰীতে কোৰখন পেলাই থৈ, পোণাকণে পাটীগণিতৰ গপ লগা অংক এটাৰ সমাধান নকৰাকৈয়ে কিনো হৈছে বুলি তিনিআলি পালেহি। এইকেইদিন কিনো হৈ আছে আৰু কিয়নো হৈ আছে কথাবোৰ গাঁওখনৰ সকলোৱে জানেই যদিও এইমুহূৰ্তত শেহতীয়াভাৱে কিনো নতুনকৈ হৈছে তাকেহে জনাৰ হেঁপাহতে সকলো উধাতু খাই তিনিআলি পাইছেহি আৰু বপুৰাৰ ঘৈণীয়েকৰ গোৱাল গালি শুনি যেন তেওঁলোক উজুতি খাই খন্তেক ৰৈছে। তিনিআলিৰ চুকতে ঘৰটো হোৱাৰ হেতুকে কণমাইয়ে চোতালত ঘূৰি ঘূৰি কান্দি কাটি বাউলি হৈ মুখেৰে গালি পাৰি থকা আৰু গাঁৱৰ ৰাইজে তাইক নিৰ্বিকাৰভাৱে চাই থকা দৃশ্যটো কোনো এখন বাটৰ নাটৰ লগত ৰিজাব পৰা যেন হ'ল।

অজানিতে আমাৰ কাষলতিৰ তলত গজি উঠা ফোঁহা এটাৰ অস্তিত্ব আমি তেতিয়ালৈ গম নাপাওঁ যেতিয়ালৈ ই ডাঙৰ আকৃতি লৈ আমাক অলপ যন্ত্ৰণা নিদিয়ে। তিনিআলিৰ মূৰতে ঘৰখন হোৱাত সকলো ফালৰে পৰা কিমান সুবিধা হয় সেইকথা গৌৰৱেৰে প্ৰায়েই দোকানৰ গ্ৰাহকৰ আগত ফিতাহি মৰা বাপুৰাৰ আজি সকলোতকৈ ডাঙৰ লেঠাটো লগাৰো মূলতে সেই তিনিআলিৰ মূৰত তাৰ ঘৰখন হোৱা কথাটোৱেই। ঘৰমানে তিনি আলি মূৰৰ আঁহতজোপাৰ গুৰিতে থকা শিৱমন্দিৰ ভাগৰ গাতে ভেঁজা দি থিয় দি থকা দুকোঠালিৰ জুপুৰিটো বপুৰাৰ নাছিল। কুৰিমান বছৰৰ আগতে এই স্থানত কোনো মন্দিৰ নাছিল আৰু নাছিল কোনো ঘৰ, সেই সময়ত আজিৰ এই মন্দিৰটো, ঘৰটোক আশ্ৰয় দিব পৰা জোখাৰে আঁহতজোপাও হয়তো ইমান সবল নাছিল।

এই আঁহতজোপাৰ গুৰিত শিৱ মন্দিৰ এটা স্থাপন কৰাৰ কথাটো পোনপ্ৰথমে কাৰ মনলৈ আনিছিল সেই কথা বৰ্তমান এই অঞ্চলৰ কোনেও সঠিককৈ ক'ব নোৱাৰে যদিও এটা কথা সকলোৱে একেমুখে স্বীকাৰ কৰে যে এই মন্দিৰটো প্ৰতিপাল কৰি মন্দিৰ কৰি তোলা আৰু ৰখা একমাত্ৰ মানুহজন হৈছে বপুৰা। প্ৰথমে কেৱল চাকি, ধূপ, তামোল-পাণেৰে আৰম্ভ কৰা দোকানখন দিনে দিনে বিভিন্ন বস্তুৰে বহলহৈ এখন চাহ মিঠাইৰ হোটেল হৈ পৰিল। সেইখন হোটেলতে চাহ খাই খাই আড্ডা মৰা লিকটিয়া গ্ৰাহকৰ আগতে বপুৰই ফুটনি মাৰি কৈ থাকে ঘৰখন তিনিআলিৰ মূৰত হোৱা হ'লে বিভিন্ন সুবিধাসমূহৰ কথা।

কেৱল বাৰ বছৰীয়া ডাঙৰ ছোৱালীজনীক চাইয়েই অনুমান কৰিব পাৰি যে বপুৰাই সংসাৰখন আজি তেৰ-চৌধ্য বছৰমান আগতেই পাতিছিল। তেতিয়াই সি প্ৰথমবাৰলৈ মন্দিৰৰ এচলীয়া চালিখন এটা দুকোঠালিয়া ঘৰ কৰাৰ আঁচনি লৈছিল আৰু এতিয়া এসপ্তাহৰ পূৰ্বে চৰকাৰী প্ৰশাসনে জাৰি কৰা বেদখলৰ জাননী পাই সি ক্ষোভত চিঞৰিছে।

"আমি আজিৰ এদিনীয়া মানুহ নহয় যে উঠি আঁতৰি যাবলৈ ক'লে বুলিয়েই আঁতৰি যাম। জিৰণি চ'ৰা যদি বনাবই লাগে বেলেগফালে বনাওক। মোৰ ঘৰ কোনো কাৰণতেই ভাঙিবলৈ নিদিওঁ।"

কণমাইয়ে নাটকীয় ভংগীমাৰে কপাল চপৰিয়াই চপৰিয়াই এইকেইদিন ৰাউচি জুৰিয়েই আছে, "হেৰ, আমি ভগৱানৰ প্ৰতিপালন কৰাও সহ্য নহ'ল তহঁতৰ। জন্মৰ পৰাই ইয়াতে উমলি ডাঙৰ হোৱা ল'ৰা-ছোৱালী কেইটালৈ আমাক এতিয়া অবৈধ বেদখলকাৰী সজালে, ৰাম ৰাম.... ক'ত গ'ল আজি গাঁৱৰ ৰাইজ, হায়..হায়..আপোনালোকে কিবা এটা কৰক।"

অঞ্চলটোৰ দীৰ্ঘদিনীয়া প্ৰয়োজন জিৰণি চ'ৰা এটা নিৰ্মাণৰ আয়োজনত বপুৰাৰ ঘৰ আৰু হোটেলখন উচ্ছেদ হ'বলৈ ওলোৱা কথাটো কাৰো ব্যক্তিগত স্বাৰ্থজনিত ষড়যন্ত্ৰ নহয় যদিও ৰাইজৰ হাতত বপুৰাৰ সপক্ষে একো উপায় নাছিল। তামোল এখন চোবায়েই উচ্চ গণিতৰ বেমেজালি লগোৱা অতি বিপদজনক অংকবোৰ মুহূৰ্তত সমাধান কৰিব পৰা গাঁওখনৰ সকলোতকৈ বিজ্ঞ লোক বুলি সততে বিবেচিত হোৱা যোগেন মাষ্টৰেও বপুৰাৰ এইটো সমস্যাৰ বিশেষ একো সমাধান দিব নোৱাৰিলে। প্ৰশাসনৰ ফালৰ পৰা ৰাইজক বুজাই দিয়া হৈছে যে জিৰণি চ'ৰাটো যদি



Scanned by CamScanner



নিৰ্মাণ কৰিব লাগেই তেতিয়া হ'লে হয় আঁহতজোপা উঘালি মন্দিৰভাগ আঁতৰাব লাগিব নহ'লে বপুৰাৰ জুপুৰী আৰু হোটেল উচ্ছেদ খাটাং কৈ কৰিবই লাগিব।

কোনোবাই যদি পুতেকৰ চাকৰিৰ নামত পিতলৰ ঘণ্টা এটা, আন কোনোবাই আকৌ নাতিয়েকৰ নামত লোহাৰ ত্ৰিশূল এপাত... এনেকৈয়ে সমজুৱা দান বৰঙণিৰে নিৰ্মাণ কৰা মন্দিৰভাগ ভঙা কথাটো আৰু পুৰণি আঁহতজোপা কটা কথাটোত ৰাইজ কোনোপধ্যেই মান্তি নহ'ল। অৱশেষত আজি হাতত দা, কুঠাৰ, হাঁতুৰি লৈ প্ৰশাসনৰ উচ্ছেদকাৰী দলটো পুৱাই বপুৰাৰ চোতাল পালেহি। পুৱা-গধূলি ধূপ চাকি দি সপৰিয়ালে প্ৰতিপালন কৰি ৰখা মন্দিৰটো ত্যাগ কৰি হ'লেও বপুৰাই তাৰ জীৱিকাৰ একমাত্ৰ থল হোটেলখন, পৰিয়ালটোৰ আশ্ৰয়স্থল জুপুৰীটো ৰক্ষা কৰিবলৈ সি শেষ চেষ্টা অকলেই কৰিলে।

"আহ, কোনে আহিবলৈ সাহস কৰ আহচোন...মোৰ ঘৰ-দুৱাৰ ভাঙিবলৈ..ময়ো চাই ল'ম তহঁতক।—এইবুলি হাতত দা এখন লৈ অশান্ত হৈ পৰা পূজাৰীজনক কিছুসময়ৰ পূৰ্বে পুলিছে ধৰি থানালৈ নিলে আৰু এতিয়ানো শেহতীয়াকৈ আকৌ কি হৈছে তাকে গম ল'বলৈ তিনিআলি মূৰত মানুহবোৰ জুম বান্ধিছে।

পুলিচ, প্ৰশাসন আৰু ৰাইজ সকলোকে গালি পাৰি পাৰি কণমাইয়ে অৱশেষত এতিয়া ডাঙৰজনী জীয়েকক লগত লৈ দুয়োজনীয়ে উচ্ছেদকাৰী দলটোৰ সন্মুখত হাতজোৰ কৰি কাকুতি কৰিলে—"মোৰ মানুহটোৱে আৰু আমি দুখীয়া পৰিয়ালটোৱে ইয়াত থাকি কাৰ নো কি ক্ষতি কৰিলো?? আপোনালোকে আমাৰ ঘৰখন নাভাঙিব...কাবৌ কৰিছো..আমি সমাজৰ সকলোৰে ভাল কিবা কৰি ভগৱানৰ চোৱাচিতাহে কৰো। আপোনালোকে অন্তত ভগৱানক অৱমাননা নকৰিব।।"

কণমাইৰ কান্দোনে দলটোক বৰ বেছি সময় বাধা দি ৰাখিব নোৱাৰিলে কাৰণ তেওঁলোকৰ হাতত সময় নিচেই তাকৰ। দুদিনৰ পাছতেই এই স্থানত জিৰণি চ'ৰাটোৰ আধাৰশিলা স্থাপন কৰা অনুষ্ঠানৰ দিন ধাৰ্য্য কৰা হৈছে।

"ভগৱান, ভগৱান"—বুলি চিঞৰি চিঞৰি লেবেজান হৈ পিৰালিত পৰি ৰোৱা মাকক দেখি দহ বছৰীয়া জীয়েকে দুবছৰীয়া জীয়েকক কোলাত লৈ আঁহতজোপাৰ গুৰিলৈ খোজ ল'লে।

কিয়নো, জন্মৰ পৰাই তাই ভগৱান কেৱল আঁহতজোপাৰ তলত থকা বুলিহে জানি আহিছে।



Scanned by CamScanner



# ছাতি

শৰ্মীষ্ঠা বৰ্মন
ফোন নং- ৮৫৮৮৮০৬৭৯২

তাইৰ এতিয়া অলপ বয়স হ'ল
মোৰ ভালদৰে মনত আছে
তাইৰ জন্মৰ মাহৰ দিন-বাৰ
এতিয়াও তাইৰ সেই একে শক্তি একে উদ্যম
মোৰ মনত নপৰে যে তাই
কোনোবা দিনা কোনোবা সময়ত
ঘৰৰ বাহিৰলৈ যাবলৈ মন নকৰা বুলি
'ৰ'দে তোমাক পুৰি পেলাওঁক' নাইবা
'বৰষুণত তুমি তিতি থাকা' কোৱা বুলি;
যৌৱনৰ উন্মাদনা, সমগ্ৰ বাসনা
সদায়ে দেখিছো তাইৰ দেহাত
তাই সদায় এজনী গাভৰু
সেইবাবে অসীম উৎসাহ আৰু ধৈৰ্য্যৰ
তেজাল শক্তি প্ৰয়োগ কৰি
সমগ্ৰ অৱয়বেৰে ৰোধ কৰে ৰ'দ আৰু বৰষুণ;
...আৰু কেতিয়াবা তোমাৰ সতে
কৰবাত থিয় হৈ, কৰবাত বহি কথা পাতোতে
তায়ে মোৰ লগ দিলেহি;
তোমাৰ চাৱনিয়ে যেতিয়া মোৰ মনত
লাজ লাজ ভাবৰ খলকনি তোলে
তেতিয়া মই তাইক অযথা জুকিয়াই থাকো
তাইৰ দেহাটো মেৰিয়াই ৰখা
কাপোৰখনৰ ভাঁজবোৰ বাৰে বাৰে সজাই থাকো
আৰু তেতিয়া তোমাৰ সতে পুনৰ
অনৰ্গল কথা পাতি যাব পাৰো
তাইৰ বৰণ এতিয়া সামন্য উঁৱলিছে
সেয়া মোৰ ভাগৰ ৰ'দে তাইক পুৰিছে,
তায়ে যতনাই ৰখা মোৰ দুয়োখনি গালতে
তুমি ক'ত যে সপোন ৰচিছা...
ময়ো তাইৰ বাবেই তোমাক এতিয়া
বৰ বেছি ভাল পোৱা হৈছো
কিয়নো তাই মোক কাহানিও বৰষুণ চুবলৈ দিয়া নাই
ৰ'দৰ সতেও মোৰ বাবেই তাইৰ জগৰ
কিয়নো ৰ'দে মোক সদায় দেই পুৰি যাব খোজে
তাই সেয়া সহিব নোৱাৰে।
তাইৰ এতিয়া অলপ বয়স হ'ল
কিন্তু মোৰ বাবে সদায়
তাই এজনী গাভৰু
মোৰ চিৰ লগৰী তাইৰ
তোমাতকৈয়ো আপোন
মোৰ মৰমৰ ছাতি।
মোৰ ভালদৰে মনত আছে
তোমাৰ আৰু মোৰ ভালপোৱাৰ তায়ে প্ৰথম সাক্ষী
মোৰ ভালদৰে মনত আছে
ভালপোৱাৰ প্ৰথম উপহাৰ স্বৰূপে
মোৰ হাতত তুমিয়ে এদিন
তুলি দিছিলা তাইক।



Scanned by CamScanner



# নাম নকওঁ

গোলাপ চেতিয়া
ফোন নং- ৯৮১১৮৮৫২৫৪

অসম আন্দোলনৰ সময়ৰ ব্যক্তিগত জীৱনত সতেজ হৈ থকা ঘটনা এটাকৈ বৰ্ণনা কৰিবলৈ ওলাইছো। এদিনাখন গধূলি সময়ত মই বজাৰৰ পৰা আহিছো, লগত এজন আলহী। পদূলি পোৱাৰ আগমুহূৰ্তত শুনিবলৈ পালো এটা বৰ দীঘলীয়া উকি। এনেকুৱা টান উকি কোনে মাৰে সেই ঠাইৰ সকলোৱে জনে, মুনি-চুনি বেলিকা ভালকৈ নেদেখিলেও জানিলো যে এয়া পানীৰাম। এওঁ চুলাই মদৰ পৰা আৰম্ভ কৰি দেশী-বিদেশী ঘৰুৱা আদি সকলো বিধেই উদৰস্থ কৰে। গধূলি সময়ত উকি মৰা, গালি-গালাজ কৰা, অবাইচ মাত মতা আদি এওঁৰ নিয়মীয়া অভ্যাস আৰু কোনোবাই যদিহে তেওঁক বাধা দিয়ে তেতিয়াহ'লে গালি গালাজ কৰাৰ ওপৰিও ঘৰৰ পৰা দা-কুঠাৰ আনি ঘৰৰ বেৰে-ছালে ঘপিয়ায়। গতিকে মানুহে অশান্তি বা লাজ পালেও, শুনিও-নুশুনা আৰু দেখিও নেদেখাৰ ভাও ধৰে।

আমি আহি ওচৰ পোৱাৰ লগে লগে সেই বীৰপুৰুষজনে মোলৈ চাই, দেশদ্ৰোহী, জাতিদ্ৰোহী, ভাতৃদ্ৰোহী, মাতৃদ্ৰোহী, চি.আই.ডি., দালাল, বদন আদি সীমাহীন গালি দিব ধৰিলে। মই কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি আলহীক লগত লৈ ঘৰলৈ আহিলো। আলহীয়েও মোৰ মনৰ অৱস্থা বুজিব পাৰিয়েই হয়তো ক'লে—

ঃ এস। বাদ দিয়ক, এই মদপীবোৰৰ কথাত কাণ নিদিব। বাটৰ কুকুৰে ভুকেই, ভুকিবলৈ দিয়ক, কিমান ভুকিব? মই কোনো মন্তব্য নিদি মনে মনে চিন্তা কৰিলো, আলহীয়ে ঠিকেই কৈছে, পিছে আলহীয়ে সেই দেশভক্তজনৰ ইমানবোৰ দেশ প্ৰেমৰ শ্লোগান হয়তো হজম কৰিব নোৱাৰিলে, তামোল এখন মুখত ভৰায়েই বাৰলৈ ওলাল। ময়ো আগবঢ়াই দিবলৈ পদুলি মুখ পালোহি। সেই দেশ-প্ৰেমিকৰ অবাইচ মাত, গালি-গালাজ আদি দেশপ্ৰেমৰ গানবিলাক তেতিয়াও অবিৰাম গতিত চলিয়েই আছিল। মই ভাবিলো ভালকৈ বুজাই মেলি ঘৰলৈ পঠাই দিওঁ।

অলপ ওচৰ চাপি মুখলৈ চাই ক'লো—

ঃ চাহাব, নমস্কাৰ।

ঃ ঐ, ভয়ত এতিয়া পৰি নমস্কাৰ কৰিছ? ভৰিত ধৰি ক্ষমা খুজিলেও তইঁতক ক্ষমা নকৰো, তোৰদৰে দেশদ্ৰোহী বদন ফিনিচ কৰি দিম, তইঁতেই দেশ খালি, তইঁতেই বিদেশী পুঁহিছ।

এই মন্তব্যবোৰ মনত আঘাত দিলেও সংযত হৈ ক'লো—

ঃ বাৰু ঠিক আছে, কালিলৈ আপুনি মদ নোখোৱাকৈ আহিব আৰু মোক বুজাই ক'ব, মই মোৰ ভুলবোৰ শুধৰাই লম। এতিয়া আপুনি যাওকগৈ।

ঃ এতিয়া মোক তেল দিবলৈ আহিছ? (অবাইচ মাত) মাষ্টৰ দেখাইছ? মোক মদখোৱা দেখিলি? বিদেশীৰ ভৰি ধুৱাইছ। স্কুলত ল'ৰা-ছোৱালীক তাকে শিকাইছ?

ভাবিলো এওঁৰ গাত মহলৰ দেশ প্ৰেম উভৈনদী হৈ আছে, গতিকে বুজাই লাভ নাই। আমাৰ শ্ৰীমতীয়েও ল'ৰা-ছোৱালী কেইটাৰ হাতত ধৰি মাতিবলৈ ধৰিলে—

ঃ গুচি আহক, গুচি আহক , নাহে কেলৈ?

ঘৰৰ ফালে মুখ ঘূৰাইছো, এনেতে সেই বীৰজনে চিঞৰি চিঞৰি ক'লে—

ঃ গিৰিয়েৰক লৈ যা, সি মোৰ ওচৰত ৰাজনীতি কৰিবলৈ আহিছে, ভিতৰত সুমুৱাই থ, নহ'লে তয়ো বাঁৰী হবি।

মই ভাবিলো, ভিতৰত থকা মানে ই আহি বেৰে ছালে ঘপিয়াই নিশাটো অশান্তি কৰি থাকিব আৰু আগলৈও এইদৰে অপদস্থ কৰিব, গতিকে এতিয়াই হেষ্ট-নেষ্ট কিবা এটা কৰাই ভাল হ'ব। মই পুনৰ তাৰ ওচৰলৈ গ'লো আৰু তাক ক'লো—

ঃ মই বাৰু ৰাজনীতি কৰিছো, পিছে আপুনি বা কি নীতি কৰিছে?

ঃ মই কোনো ৰাজনীতি কৰা নাই আৰু যি ৰাজনীতি কৰে তাকো ঘৃণা কৰো।

মই কলো, চাহাব! চাওক, পথাৰত মাইকী মহে কেতিয়াও মতা মহক খেদি নুফুৰে বা যুঁজ নালাগে , মতা মহে হে মতা মহক খেদা-খেদি কৰে বা যুঁজ লাগে। গতিকে আপুনি অৰাজনৈতিক নহয়, নিশ্চয় ৰাজনীতিৰ লগত জড়িত আছে, নহলেও কোনো ৰাজনৈতিক চক্ৰই আপোনাক ব্যৱহাৰ কৰিছে। আমাৰ শিক্ষা ব্যৱস্থা, আইন কানুন, অৰ্থনীতি আদি সকলো ৰাজনীতিয়েই নিয়ন্ত্ৰণ কৰে। গতিকে আপুনি ৰাজনীতিক ঘৃণা কৰিলেও ৰাজনীতিয়ে



Scanned by CamScanner

আপোনাৰ লগ নেৰে।

কুকুৰ! বৰ বৰ লেকচাৰ দিবলৈ আহিছ? মোক মাইকী মহ পাতিছ আৰু তই মতা মহ ওলাইছ? ৰহ, আজি চাই লম তই কিমান পানীৰ মাছ? এই বুলি কৈয়ে তেওঁ ঘৰৰ ফালে দৌৰ মাৰিলে।

হিতেই বিপৰীত হ'ল , জ্ঞানীক বুজাবা ঠাৰে চিয়াঁৰে আৰু মুৰ্খক বুজাবা ঢোলে ডগৰে। ঘটনা দেখি চুবুৰীয়া সকলোৱে ঘৰৰ দুৱাৰ বন্ধ কৰিলে, কিন্তু পৰ্দাৰ আঁৰৰ পৰা খিৰিকীৰে, দুৱাৰ মুখৰ পৰা সকলোৱে যেন এইমাত্ৰ হব লগা যুঁজখন উপভোগ কৰিব বিছাৰিছে নাইবা ইবিলাকত সোমাই জঞ্জাল চপাই লোৱাৰ ভয়ত নেদেখাৰ ভাও জুৰিছে। মই কিছু সময় সেই বীৰ জনৰ ঘৰৰ ফালে চাই আছো। অলপ পাছত দেখিলো হাতত এখন দীঘল মেচি দা লৈ শ্ৰীমান জপিয়াই মেলি উকিয়াই মোৰ ফালে খেদি আহিব ধৰিছে। ময়ো মৰণত শৰণ দি সাহস গোটাই মাত্ৰ দা খনলৈ লক্ষ্য কৰি থিয় দি আছো। মাই কোৱা এষাৰ কথালৈ মনত পৰিছিল, কথাষাৰ আছিল - মাৰিম বুলি কোৱাই মাৰিব নোৱাৰে আৰু কাটিম বুলি কোৱাই কাটিব নোৱাৰে। মাই কোৱা কথাষাৰ সত্যত পৰিণত হওঁক। বলিশালত বলি দিবলৈ নিয়া ছাগলী টোৰ দৰে ডিঙি পাতি দিবলৈ নাই , নিশ্চয় আত্মৰক্ষাৰ কাৰণে যুঁজিম, সি দা খন কেনেকৈ লৈছে, দাখন কিমান দীঘল আৰু ডাঙৰ, সি ঘাপ মাৰিবলৈ লওঁতেই মই কি কৰিম আৰু কিমান দূৰৰ পৰা কৰিম আদি কথা বোৰ চিন্তা কৰিবলৈ ধৰিলো। সেই সময়ত কোনোবাই কিবা কৈছিল যদিও মই একো শুনা নাছিলো, দাখন টোঁৱাবলৈ নাপালেই মই বিজুলি সঞ্চাৰে তেৰাৰ গাৰ ফালে মাৰিলো জাপ আৰু দুয়ো হাতেৰে দা খনৰ নালত ধৰি খুওব জোৰেৰে আঁজোৰ মাৰিলো। একে আজোঁৰতে তাৰ হাতৰ পৰা দা খন এৰাই গল আৰু সি উফৰি গৈ কাষতে থকা নতুনকৈ দিয়া জেওঁৰা খনতে ভেজা দি পৰিলগৈ, নতুন জেওঁৰা ভিৰ খাই হাঁওলি মাটিত লাগিল গৈ আৰু লগে লগে স্প্ৰিঙৰ দৰে দাং খাই পোন হৈ পৰিল আৰু এই বীৰজনো পুনৰ উফৰি আহি মোৰ গাত পৰিলহি। এনেতে মোৰ ঘৰৰ কাষৰ এজনে তাক ভালকৈ এক কাণতলীয়া শোধালে, বেচেৰা তিনি লুটি খাই বাগৰি পৰিল, লগে লগে আৰু দুপাট মান লগালে , বেচেৰাই চুচৰি-বাগৰি আহি মোক সাবটি ধৰিলেহি। লেক-পেক কুচিয়াটোৰ দৰে পিছল, বস্ত্ৰৰ নামত গাত ফিটা এডালো নাই, আগতে মনেই কৰা নাছিলো। লগৰ জনৰ হাতত মাৰ খোৱাৰ পাছত মোৰ গাত জোঁকটোৰ দৰে চেপেটা লাগি আছিল। মোৰ ছয় বছৰীয়া লৰাটোৱে বাৰে বাৰে কৈছে, ছিঃ বৰ ঘিণ ঘিণ লাগিছে, ইমান ডাঙৰ মানুহটো লেঙেতা হৈ আছে।

এনেতে নগ্নবীৰৰ ৰমণীয়ে ধুতি এখন লৈ মানুহটোক পিন্ধাবলৈ মোৰ চাৰিও ফালে ঘুৰিব ধৰিছে। সেই চেঙেলি মাছৰ দৰে পিছল উলঙ্গ দেহাটো মোৰ গাৰ পৰা এৰাই গ'ল আৰু তাৰপাছত বহুত খেদা-খেদি কৰিহে ধৰিলো। মানুহ গৰাকীক কলো বৌদেউ ধুতিখন পিন্ধাই দিয়ক, পিছে বীৰ পুৰুষে ধুতি নিপিন্ধেহে নিপিন্ধে। শেষত দুয়ো জপটিয়াই ধৰি ধুতিখন পিন্ধাই তেৰাৰ পৈতৃক সম্পত্তি খিনি ঢাকি থ'লো। আমি তাক এৰি দিয়াৰ লগে লগে বৌদেউ গৰাকীক ধাই-ধুই, দুই-চাত লগাই দিলে। বৌদেউ গৰাকীয়ে মাৰিলে দৌৰ, কিন্তু তেওঁ গাত লোৱা চাদৰখন থাকি গল এই বীৰৰ হাতত। আমাৰ লগত জোৱা দি বৌদেউ গৰাকীক গালিও পাৰিলে। এইবোৰ কথাত লাজ-পাই আমি ঘৰলৈ গুছি আহিলো।

আধা-ঘন্টা মান হৈছেহে, এনেতে সঁচা-সঁচি বীৰ এজন প্ৰৱেশ কৰিলেহি। তেওঁ বীৰদৰ্পে মোক সুধিলে,

ঃ তই কি কাজিয়া লাগিলি?

মই কলো, একো কাজিয়া লগা নাই।

সি কলে, সেইয়া মোৰ ককাইদেউ হয়, জাননে নাজান?

মই কলো, মই আকৌ কেনেকৈ জানিম? তই দেখোন কাপোৰ-কানি-পিন্ধি আহিছ? কাপোৰ-কানি পিন্ধি নহা হলে মুখেৰে নকলেও জানিলো হেঁতেন।

এই ধাদুমীয়া উপাধিৰ সঁচা-সঁচি বীৰ জনক দেখি লগৰজনে ভয়েই খাইছিল- কাৰণ এওঁ হাত-ভৰি চলাই যি তাণ্ডৱ নৃত্য কৰে সেইটো সকলোৱে জানে। ইতিমধ্যে সেই নগ্নবীৰজনেও ভালকৈ কাপোৰ-কানি পিন্ধি সভ্য-ভব্য-গব্য হৈ সপত্নীৰে, সপৰিয়ালে আহি মোৰ ঘৰত পদাৰ্পণ কৰিলেহি। তেওঁ হাঁহি মুখেৰে কলে—

ঃচাৰ! বৰ ডাঙৰ ভুল কৰিলো, এই বাৰলৈ ক্ষমা কৰি দিয়ক। মই কিবা কবলৈ লোৱাৰ আগতে ধাদুমীয়াই ঘটনাটো বিচাৰ কৰি দোষ খুঁচৰিবলৈ ধৰিলে। মই কলো এতিয়া সেইবোৰ গাই-বাই লাভ নাই আৰু থাকিলেও সেই বিচাৰৰ ভাৰ তোক নিদিও, কিন্তু তই বিচৰাৰ দৰে যদি তোৰ ককায়েৰেও বিচাৰে মোৰ কব লগীয়া একো নাই। মই মোৰ মতে কাম কৰিম। মই নগ্ন চাহাবক সুধিলো—ঃচাহাব! আপুনিও যদি ধাদুমীয়াই কোৱা মতেই কৰিব বিচাৰে, তেতিয়া হলে ইয়াৰ পৰা যাব পাৰে। কিন্তু বেচেৰাই ভায়েকৰ পক্ষ লয় কেনেকৈ? তেওঁৰ দা' খন যে মোৰ ঘৰতে আছে।

এজন দুজনকৈ মতা-মাইকী ল'ৰা-ছোৱালী, ওচৰ চুবুৰীয়া বহুতো গোট খালে। "হলা গছত আটাইয়ে বাগী কুঠাৰ মাৰে", সুবিধা পাই মতা-মাইকী সকলোৱে নগ্ন চাহাবক ধিক্কাৰ দিবলৈ ধৰিলে আৰু লগতে যি কেইটাই মদ খাই উদ্ভণ্ডালি কৰে সেই কেইটাকো



Scanned by CamScanner

কুকুৰে কাঁইট নোখোৱাকৈ গালি দিবলৈ ধৰিলে।

মহন্তই ক'লে—

ঃতুমি এই চাৰক ইমান অবাইচ মাতেৰে লেতেৰা গালি দিলা, উত্তৰত চাৰে তোমাক বেয়া ভাষাৰে এযাৰো কিবা ক'লেনে?

"নাই, চাৰে মোক মাইকী মহ বুলি কোৱাৰ বাদে একো বেয়া কথা কোৱা নাই।"

"উল্টা বুজিলি ৰাম" মহন্তই ক'লে "তোমাক মাইকী ম'হ বুলি কোৱা নাই- এটা উদাহৰণ হে দিছে।"

কেইজন মানে কলে- থানাত দা খন জমা দি কেছ দিব লাগে। দুজন মানে কলে সাৰনিগম অফিচত জনাব লাগে। তাৰে এজন ভুক্তভোগীয়ে কলে - "মই সাক্ষী হম, কৰ্টত কেছ দিব লাগিব, এনেয়ে এৰি দিলে ইহঁতে লাই পাই যাব।"

এইবাৰ মই সেই বৌদেউ গৰাকীক সুধিলো- বৌদেউ! ৰাইজৰ মতা-মত শুনিছেই , মোৰো নিজা মতা-মত আছেই, এতিয়া আপুনি এই ধাদুমীয়াই কোৱাৰ দৰে কৰেনে নাইবা আপোনাৰো কিবা মতা-মত আছে?

এইবাৰ বৌদেউ গৰাকীয়ে মোৰ মুখলৈ চাই ক'লে,

ঃ চাৰ! আপুনি এওঁলোকৰ কোনো কথাই নুশুনিব। আপুনি কেৱল মোৰ ল'ৰা-ছোৱালী কেইটাৰ মুখলৈ চাই এটা ভাল সিদ্ধান্ত লওক, আৰু মোৰ বিশ্বাস আপুনি ভাল সিদ্ধান্তই ল'ব। এই সৰল, পোনপতীয়া, দুৰদৰ্শী বৌদেউ গৰাকীলৈ মোৰ শ্ৰদ্ধা ওপজিল। মোৰ পৰিবাৰ আৰু কণমানি কেইটাৰ মুখলৈ চালো। মোৰ ছয় বছৰীয়া ল'ৰাটিয়ে লাহেকৈ ভিতৰলৈ গৈ আৰু কাকো একো নোকোৱাকৈ দা' খন উলিয়াই আনি কলেহি, এইখন দা'। নগ্ন বীৰে তল মুৰ কৰিলে , বৌদেউ চকুত চকু-পানীলৈ অকণমানিটোক সাবটি ধৰি চুমা খালে। লেঙতাই ৰাইজৰ আগত কাণত ধৰি উঠা-বহা কৰি শপত খালে "আজিৰ পৰা মই মদ হাতেৰে নোছোওঁ, মোৰ ভৰিত ধৰি ক্ষমা খুজিব লওঁতেই মই তেওঁক সাবটি ধৰি কলো—

ঃ মোক ক্ষমা খুজিব নালাগে, মই সুখী হম যদিহে আপুনি এই শপত আজীৱন ৰক্ষা কৰে।

বৌদেৱে দা'খন কাপোৰেৰে মেৰিয়াই আৰু ল'ৰাছোৱালী কেইটাক হাতত ধৰি আমাৰ ঘৰৰ পৰা ওলাই গ'ল। লগে লগে ওচৰ-চুবুৰীয়া সকলো ঘৰাঘৰি গ'লগৈ। ঘৰ নিজম পৰিল। মই ইমান সময়ে খং, ৰাগ দুঃচিন্তা, তৰ্ক-বিতৰ্ক, টনা-আজোৰা এইবোৰত ইমান ব্যস্ত আছিলো যে পানী এটোপাও খোৱা নাছিলো। এতিয়া এঘটি মান পানী ঘোট-ঘোটকৈ পি খালো দেহ-মন জুৰি পৰিল। মনত কিবা এক বিমল আনন্দ অনুভৱ কৰিলো, পিছে তেওঁৰ নাম নকও , তাৰ কাৰণে বেয়া নাপাব।


**অসম এছোচিয়েছন, দিল্লীৰ আজীৱন সদস্য হওক**

অসম এছোচিয়েছন, দিল্লীৰ সদস্য হ'বলৈ ইচ্ছুক ব্যক্তিসকলে প্ৰয়োজনীয় ফৰ্ম পূৰাই সদস্যতাৰ বাবে আবেদন কৰিব পাৰিব। আবেদনকাৰীসকলে নিজৰ পাচপৰ্ট আকাৰৰ এখনকৈ ফটো আৰু লগতে আজীৱন সদস্যতাৰ মাচুল (২৫০০ টকা) জমা দিব লাগিব। স্বামী-স্ত্ৰী দুয়ো সদস্যতা ল'ব খোজা দম্পতীয়ে মুঠতে ৪০০০ টকা দিব লাগে।সদস্যতাৰ মাচুল কেৱল "Assam Association, Delhi"-ৰ নামত চে'ক যোগেহে লোৱা হয়। সদস্যতা বিচাৰি জমা দিয়া আবেদন পত্ৰবোৰ এছোচিয়েছনৰ কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠকত বিবেচনা কৰাৰ পিছতহে গৃহীত হয়।


Scanned by CamScanner



# দুখন বিয়াৰ ছবি

*ডঃগৌৰীকান্ত সন্দিকৈ*
*ফোন নং-৯৮৭১৭১৬৬৩৫*

বহু বছৰৰ পিছত নিজ গাঁৱলৈ গৈ গাঁৱলীয়া পৰিৱেশত ভতিজা জী এজনীৰ বিয়া অতি আনন্দৰে উপভোগ কৰাৰ সুযোগ পাইছিলো। চাকৰিৰ পৰা অৱসৰ লোৱাৰ পিছত এতিয়া আৰু খৰখেদাকৈ কৰ্ম্ম স্থানলৈ উভতি যোৱাৰ সমস্যা নাই , সেয়ে মোৰ এতিয়া অফুৰন্ত সময় !

পোন্ধৰ দিনমানৰ আগতেই মেছাগড়ৰ গাঁৱৰ ঘৰলৈ গৈ কিছু ঘৰুৱা কাম কৰাৰ ওপৰিও ইঘৰ-সিঘৰলৈ গৈ আলাপ আলোচনা কৰিছিলো অতি আন্তৰিকতাৰে।

কিছুদিনৰ আগৰ পৰা বিয়া ঘৰত উখল-মাখল। চোতালৰ আগে পিছে ৰং বিৰঙৰ কাপোৰেৰে সজোৱা ৰভাঘৰৰ কাম প্ৰায় সমাপ্ত হৈছে। ৰভা ঘৰৰ কাযত তিনি-চাৰি জোপা ফুলগছ আটোম-টোকৰিকৈ বান্ধি খৃষ্টমাছ ট্ৰীৰ দৰে সজাই তোলাত দৃশ্যটো অতি সুন্দৰ হৈ পৰিছে। দূৰণিবতীয়া মিতিৰ-কুটুম্বৰ কোনোবা কোনোবা ইতিমধ্যে বিয়াঘৰ পাইছেহিয়েই।

চেন্নাইৰ কোনোবা এটা কোম্পানীত কৰ্মৰত কইনাৰ সখীয়েক চাৰিদিনৰ আগত আহি ঘৰ পাইছেহি। পিছদিনা দুপৰীয়া লৈ নজন উপৰিপুৰুষৰ নামত 'ন-পুৰুষৰ' চাউল খোৱাৰ আয়োজন। ৰাতিলৈ কইনাক মাহ-হালধিৰে নোৱাই-ধোৱাই কইনাৰ সাজত বহুৱাই উপস্থিত অতিথি, মহিলা, গাঁৱৰ মহিলা-বোৱাৰী, ছোৱালীয়ে বিয়া নাম, জোৰা নাম গোৱাত ব্যস্ত। পিছদিনা জোৰণ দিয়া পৰ্ব। অৱশেষত বিয়াৰ দিন। ইতিমধ্যে কোনে কি কামৰ দায়িত্বত থাকিব ভাগে ভাগে ভগাই দিয়া হৈছে, টাই-আহোম বিয়াৰ প্ৰথা মতে 'চকলংৰ' বাবে এশ এখন চাকি, হেংডান এখন যোগাৰ কৰা অতি প্ৰয়োজনীয়। আহোম পুৰোহিতে মাঙ্গলিক পূজা ভাগৰ দায়িত্ব লৈ কন্যা সম্প্ৰদান কৰাৰ সময়ত "হে বঙহৰদেউ, আজিৰ পৰা সৰ্বস্ব আপোনাকে আৰ্পিলো" আৰু দৰাই হাতত হেংদান তুলি "জীৱনে মৰণে অৰ্দ্ধংগিনীৰ ৰক্ষা কৰিম" বুলি প্ৰতিজ্ঞাবদ্ধ হয়।

